

নতুন দশকৰ আৰম্ভণিত এই বাজেটে স্বনির্ভৰশীল ভাৰতৰ আধাৰ স্থাপন কৰিছেঃ বিত্ত মন্ত্ৰী

নির্মলা সীতাৰমণৰ সৈতে সাক্ষাৎকাৰ। পৃষ্ঠা ২২-২৫


# নিউ ইণ্ডিয়া সমাচাৰ

প্ৰথম বছৰ। সংখ্যা ১৬

১৬-২৮ ফেব্ৰুৱাৰী, ২০২১

বিনামূলীয়া বিতৰণ





# স্বনির্ভৰশীল ভাৰতৰ সাধাৰণ বাজেট

**আন্তঃগাঁথনিৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ লগতে প্ৰয়োজনীয় উপাদান সম্বলিত সাধাৰণ বাজেটে কঢ়িয়াইছে আত্ম-নির্ভৰশীল ভাৰতৰ স্বপ্ন সার্থক হোৱাৰ পথ**

# বালাকোটৰ দুটা বছৰ


“

क्षमाशील हो रिपु-समक्ष
तुम हुए विनीत जितना ही,
दुष्ट कौरवों ने तुमको
कायर समझा उतना ही।
सच पूछो, तो शर में ही
बसती है दीप्ति विनय की,
सन्धि-वचन संपूज्य उसी का
जिसमें शक्ति विजय की।

”

ৰামধাৰী সিং দিনকৰ

২০১৯বৰ্ষৰ ২৬ ফেব্ৰুৱাৰীত পাকিস্তানৰ বালাকোটত ভাৰতীয় বায়ু সেনাই চলোৱা অভিযানৰ পাছত ভাৰতীয় সেনাই কৰা টুইট



নিউ ইণ্ডিয়া
# সমাচাৰ

প্ৰথম বছৰ। সংখ্যা ১৬ ফেব্ৰুৱাৰী ১৬-২৮, ২০২১

সূচীপত্ৰ

| | | |
|---|---|---|
| 1 | সম্পাদকীয় | পৃষ্ঠা ০২ |
| 2 | পত্ৰালাপ | পৃষ্ঠা ০৩ |
| 3 | সংক্ষিপ্ত খবৰ | পৃষ্ঠা ০৪-০৫ |
| 4 | ব্যক্তিত্ব | পৃষ্ঠা ০৬-০৭ |
| 5 | প্ৰচ্ছদ লেখা (কেন্দ্ৰীয় বাজেট-২০২১-২০২২) | পৃষ্ঠা ০৮-২১ |
| 6 | সাক্ষাৎকাৰ | পৃষ্ঠা ২২-২৫ |
| 7 | ডাভ'চৰ কথা | পৃষ্ঠা ২৬-২৭ |
| 8 | কৰ'নাৰ বিৰুদ্ধে যুঁজ | পৃষ্ঠা ২৮-২৯ |
| 9 | কেৱাড়িয়ালৈ ৰে'ল | পৃষ্ঠা ৩০-৩১ |
| 10 | পৰাক্ৰম দিৱস | পৃষ্ঠা ৩২ |
| 11 | পিএমভিকেৱাই ৩.০ | পৃষ্ঠা ৩৩ |
| 12 | ধ্বজ্জাবাহী আঁচনি (এছপিএমআৰএম) | পৃষ্ঠা ৩৪-৩৫ |
| 13 | পদ্ম বঁটাবোৰ | পৃষ্ঠা ৩৬-৩৯ |
| 14 | কৃষি | পৃষ্ঠা ৪০-৪১ |
| 15 | কেবিনেট সিদ্ধান্তবোৰ | পৃষ্ঠা ৪২ |
| 16 | ধনাত্মক দৃষ্টিকোণ | পৃষ্ঠা ৪৩ |
| 17 | মন কী বাত | পৃষ্ঠা ৪৪ |

**সম্পাদক**
কুলদীপ সিং ধাতৱালিয়া,
মুখ্য সঞ্চালক প্ৰধান, পিআইবি,
নতুন দিল্লী

**পৰামৰ্শকাৰী সম্পাদক**
বিনোদ কুমাৰ
সন্তোষ কুমাৰ

**সহকাৰী পৰামৰ্শকাৰী সম্পাদক**
শৰৎ কুমাৰ শৰ্মা

**অলংকৰণ**
ৰবীন্দ্ৰ কুমাৰ শৰ্মা

**মুদ্ৰণ ও ছপা**
সত্যেন্দ্ৰ প্ৰকাশ,
সঞ্চালক প্ৰধান, বিঅ'চি
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যনৰ হৈ

**মুদ্ৰণঃ**
ভিবা প্ৰেছ প্ৰাইভেট লিমিটেড
চি -৬৬/৩, ওখলা ফেজ-২,
নতুন দিল্লী
১১০০২০

**প্ৰকাশৰ স্থান**
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যন, ২য় মহলা, সূচনা ভৱন, নতুন দিল্লী- ১১০০০৩

নিউ ইণ্ডিয়া সমাচাৰ

আৰএনআই নং . : DELASS/2020/78827

response-nis@pib.gov.in

# সম্পাদকীয় মেজৰ পৰা

সাদৰ নমস্কাৰ

কৰ'না মহামাৰীৰ পাছত বিপৰ্যস্ত হোৱা অৰ্থনীতিক পুনঃ উদ্ধাৰ কৰাৰ বাবে কেন্দ্ৰ চৰকাৰৰ ওপৰত যথেষ্ট প্ৰত্যাহ্বান আছিল। এই প্ৰত্যাহ্বানক নেওচি দেশক প্ৰতিনিধিত্ব কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ মন্ত্ৰী মণ্ডলৰ জড়িয়তে বিশেষ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। তাৰোপৰি দেশৰ স্বাধীনতাৰ ৭৫সংখ্যক বৰ্ষৰ আগমনৰ প্ৰাকমুহূৰ্তত এয়া স্পষ্ট যে ভাৰত দেশ যিকোনো প্ৰত্যাহ্বানৰ সম্মুখীন হ'বলৈ সাজু আৰু প্ৰত্যাহ্বানবোৰ প্ৰতিহিত কৰিবলৈও সাজু। এই মনোভাৱেই বিত্ত মন্ত্ৰী নিৰ্মলা সীতৰমণে সংসদত উত্থাপন কৰা সাধাৰণ বিত্তীয় বাজেট ২০২১-২০২২য়ে প্ৰতিফলিত কৰিছে। বাজেটৰ পূৰ্বে প্ৰকাশিত অৰ্থনৈতিক সমীক্ষাইও এই ইংগিতেই দিছে যে ভাৰতীয় অৰ্থনীতি তীব্ৰ গতিত উৰ্ধগামী হ'ব। এইবাৰৰ সংখ্যাটো বাজেট বিশেষ কৰা হৈছে।

এই বাজেটে মুঠতে ৬টা দিশত গুৰুত্ব দি দেশৰ প্ৰগতিৰ নিশ্চয়তা দিছে। সেই দিশ কেইটা হৈছে- স্বাস্থ্য আৰু কল্যাণ; কায়িক আৰু বিত্তীয় মূলধন, আন্তঃগাঁথনি; উচ্চাকাংক্ষী ভাৰতৰ সৰ্বাত্মক উন্নয়ন; মানৱ মূলধনৰ সবলীকৰণ; উদ্ভাৱন আৰু গৱেষণা তথা বিকাশ; নূন্যতম চৰকাৰ আৰু সৰ্বাধিক সুশাসন। এই লক্ষ্যসমূহে পূৰ্ণতা পোৱাৰ প্ৰক্ৰিয়াই ভাৰতীয় অৰ্থনীতিক তৰাণ্বিত কৰিব।

কোভিদ-১৯ মহামাৰীয়ে সৃষ্টি কৰা পৰিৱেশৰ পৰা শিক্ষা গ্ৰহণ কৰি চৰকাৰে স্বাস্থ্য খণ্ডৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে। মহামাৰীয়ে যিদৰে দেশত এক অভাৱনীয় পৰিৱেশৰ সৃষ্টি কৰিছিল সেই পৰিস্থিতিৰ সৈতে সম্মুখীন হোৱা তথা সেই পৰিস্থিতিৰ পৰা লাভ কৰা অভিজ্ঞতাই প্ৰশাসনযন্ত্ৰক নতুন শিকনি দিছে। প্ৰথমবাৰৰ বাবে এনে হৈছে যে কেন্দ্ৰীয় বাজেটত স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বাবে ইমান গুৰুত্ব দিয়া হৈছে। কৰ'না মহামাৰীৰ পৰা হাত সাৰিবলৈ প্ৰস্তুত হোৱা স্বদেশী ভেকচিনে যিদৰে দেশৰ আত্মবিশ্বাস বৃদ্ধি কৰিছে ঠিক তেনেদৰে কেন্দ্ৰীয় বাজেটত স্বাস্থ্য খণ্ডত দিয়া গুৰুত্বই দেশত শীঘ্ৰেই স্বনিৰ্ভৰশীল শক্তিশালী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ বাটত আগবঢ়াই নিছে।

এইধৰণে স্নেহ আৰু আশীষ দি থাকি আপোনালোক মতামত আৰু পৰামৰ্শবোৰ আমালৈ প্ৰেৰণ কৰিবলৈ নাপাহৰিব।


ঠিকনাঃ **ব্যুৰ' অৰ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যন, ২য় মহলা, সূচনা ভৱন, নতুন দিল্লী- ১১০০০৩**

মেইলঃ response-nis@pib.gov.in


**(কুলদ্বীপ সিং ধাতৱালিয়া)**

# পত্ৰালাপ




মহাশয়,

এই সুন্দৰ আলোচনীখন প্ৰকাশ কৰাৰ বাবে আপোনালোকক ধন্যবাদ জনাইছোঁ। দেশৰ উন্নয়ন তথা ধনাত্মক দিশবোৰৰ প্ৰতি মোৰ সঁহাৰি সদায় থাকিব। এই আলোচনীখনৰ সন্দৰ্ভত মোৰ কেইটামান পৰামৰ্শঃ

(১) দেশৰ বাবে গুৰুত্বপূৰ্ণ চৰকাৰী আঁচনিবোৰৰ বিষয়ে চমুকৈ টোকা প্ৰকাশ কৰক।

(২) দেশৰ হকে কাম কৰি থকা প্ৰকৃত নায়কসকলৰ খবৰ।

(৩) বিশেষত ন্যায় ব্যৱস্থা আৰু শিক্ষাখণ্ডৰ সন্দৰ্ভত শেহতীয়া বাতৰি প্ৰকাশ কৰক।

**ধন্যবাদ,**
**হিতেশ কুনভাৰানী**
**hit7sci1@gmail.com**

মহাশয়,
মই শেহতীয়া সংখ্যাৰ নিউ ইণ্ডিয়া সমাচাৰখন পঢ়িছো। এইখন এখন সুন্দৰ আলোচনী। মই এই আলোচনী পঢ়ি সুখী। এখন নতুন ভাৰত গঢ়াৰ স্বপ্নক এই আলোচনীখনৰ খবৰবোৰে ইন্ধন দিছে।

**ধন্যবাদ।**
**মধুসূদন।**
**academic1978cskhpkv@gmail.com**

নমস্কাৰ,
মই এই আলোচনীখনৰ নিয়মীয়া পঢ়ুৱৈ। এই আলোচনীখনে মোক দেশৰ চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনি সম্পৰ্কত উচিত খবৰ দি আহিছে। দেশত এচামে ভ্ৰীতিগ্ৰস্ততাৰ সৃষ্টি কৰাৰ সময়ত এই আলোচনীখনত প্ৰকাশিত খবৰবোৰে আশাৰ সঞ্চাৰ কৰি আহিছে।

**nayanand164@gmail.com**

মহোদয়/মহোদয়া,
এই আলোচনীখনৰ মই নিয়মীয়া অধ্যয়ন কৰোঁ। চৰকাৰী আঁচনিবোৰৰ শুদ্ধ খবৰ থকা এই আলোচনীখনে মোক প্ৰতিযোগিতামূলক পৰীক্ষাৰ ক্ষেত্ৰত সহায় কৰিব। আশা কৰোঁ এই আলোচনীখনৰ ছপা সংস্কৰণ মই নিয়মীয়াকৈ পাম। এই ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'বলৈ অনুৰোধ জনালোঁ।

**পি শান্তি,**
**pshanthir@gmail.com**

সন্মানীয় মহোদয়,
পোনপ্ৰথমে এনেকুৱা এখন সুন্দৰ আলোচনী প্ৰকাশ কৰাৰ বাবে আপোনালোকক অভিনন্দন জনাইছোঁ। ডিচেম্বৰ সংখ্যাটো মই অনলাইন পঢ়িলোঁ, আৰু মই তাৰ পাছত অভিভূত হৈ পৰিছোঁ। এয়া সঁচাকৈ এখন সুন্দৰ আলোচনী। মোক বাংলা আৰু ইংৰাজী সংস্কৰণ মোৰ মেইল আইডিলৈ নিয়মীয়াকৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনালোঁ।

**সুমিত মহাতা,**
**sumitmahata14@gmail.com**

মহাশয়,
বিগত মাহৰ সংখ্যাৰ বেটুপাতৰ দ্বিতীয় পৃষ্ঠাত প্ৰকাশিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কবিতাই মোক সুখানুভূতি দিছে। তেওঁৰ কবিতাত প্ৰকাশিত কাব্যিক ভাৱে মোক বিশ্ববিখ্যাত ইংৰাজ কবি উইলিয়াম ৱৰ্ডছৱৰ্থৰ কবিতাৰ সৌন্দৰ্যলৈ মনত পেলাই দিছে। মই ভাৱো যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাহে লাহে প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা এগৰাকী সফল কবি অটল বিহাৰী বাজপেয়ীৰ পদাংক অনুসৰণ কৰিছে। আশা কৰোঁ প্ৰধানমন্ত্ৰী মোদীৰ নতুন নতুন কবিতাবোৰ আমি এই আলোচনীৰ পাতত পঢ়িবলৈ পাম।

**ধন্যবাদ,**
**ডঃ সতীশ কে ইতাগী,**
**সাংবাদিকতা আৰু গণ-সংযোগ বিভাগ,**
**ৰাণী চনাম্মা বিশ্ববিদ্যালয়, বেলগাভী, কৰ্ণাটক।**
**satishitagi10@gmail.com**

## যুদ্ধক্ষেত্ৰত সৈনিকক সহায় কৰিবলৈ ৰিম'ট চালিত বাহন, নতুন প্ৰযুক্তি




যুদ্ধক্ষেত্ৰত স্থল সেনাৰ বাবে লেণ্ডমাইনবোৰ (ভূমিত সংস্থাপিত বোমা) সবাতোকৈ শংকাৰ কাৰণ। সেনীবাহিনীয়ে যুদ্ধক্ষেত্ৰত লেণ্ডমাইনৰ বাবেই প্ৰাণ দিবলগীয়া হয়। এই কথাৰ প্ৰতি লক্ষ্য ৰাখিয়েই পুণেস্থিত কলেজ অব মিলিটেৰী ইঞ্জিনিয়াৰিঙৰ কেপ্তেইন ৰাজ প্ৰসাদে নতুন উদ্ভাৱনেৰে এটা নতুন যন্ত্ৰ আৱিস্কাৰ কৰিছে। কোনো এক যুদ্ধক্ষেত্ৰত চালকবিহীনভাৱে যোৱা এখন সৰু বাহন যিয়ে লেণ্ডমাইনবোৰ পুতি থোৱা ঠাইবোৰ চিনাক্ত কৰিব পাৰে। দূৰৈৰ পৰা সঞ্চালিত এই বাহনে লেণ্ডমাইনবোৰ চিনাক্ত কৰাৰ ফলত সৈন্যবাহিনীৰ বাবেই সেইবোৰ নিষ্ক্ৰিয় কৰা সহজ হৈ পৰে। এই বাহনৰ নাম ছেপাৰস্কাউট ৰখা হৈছে। আনহাতে তেওঁ প্ৰস্তুত কৰা অন্য এক যন্ত্ৰ হৈছে ৰিম'ট অপাৰেটেড ভীহিকল চমুকৈ আৰঅ'ভি আৰু নাম থোৱা হৈছে এক্সপ্লোডাৰ। অতি কম ওজনৰ এক্সপ্লোডাৰক দূৰৈৰ পৰা সঞ্চালন কৰিব পৰা যায় আৰু ই আইডি বিস্ফোৰক নিষ্ক্ৰিয় কৰাত সহায় কৰে।

## ১০০০ কোটি টকীয়া ষ্টাৰ্ট আপ ইণ্ডিয়া ছীড ফাণ্ড ষ্টাৰ্ট-আপ ইণ্ডিয়া-সফলতাৰ ৫বছৰ

ষ্টাৰ্ট আপ ইণ্ডিয়া অভিযানক নতুন শক্তি প্ৰদান কৰাৰ বাবে তথা দেশৰ যুৱ উদ্যোগীলৈ উৎসাহ যোগোৱাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বৰ্ষৰ ১৬ জানুৱাৰী তাৰিখে ষ্টাৰ্ট-আপ ইণ্ডিয়া ছীড ফাণ্ড আৰম্ভনীৰ কথা ঘোষণা কৰে। প্ৰাৰম্ভঃ ষ্টাৰ্ট-আপ ইণ্ডিয়া আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ মজিয়াত তেওঁ এই ঘোষণা কৰে। ১০০০কোটি টকীয়া পুঁজিৰ এই ঘোষণা ভাৰতৰ ষ্টাৰ্ট-আপ ক্ষেত্ৰখনক সহায় কৰাৰ লগতে যুৱ উদ্যোমীসকলক কাম কৰি যাবলৈ প্ৰেৰণা দিব। ২০১৬চনৰ পৰা চলি অহা ষ্টাৰ্ট আপ অভিযানে দেশত বিপ্লৱৰ সূচনা কৰিছে।

#startupindia

একাধিক ষ্টাৰ্ট-আপৰ আৰম্ভনি আৰু নতুন উদ্ভাৱনবোৰে ভাৰতবৰ্ষত স্বনিৰ্ভৰশীলতাৰ দিশত আগবাঢ়াই নিছে। এই নতুন পুঁজিয়ে নিশ্চিতভাৱেই ষ্টাৰ্ট-আপবোৰক অধিক সহায় কৰিব। প্ৰধানমন্ত্ৰীয়ে কয় যে, "আমি আমাৰ লক্ষ্যবোৰ পাঁচ বছৰৰ বাবে নিৰ্ধাৰণ কৰি ল'ব লাগে আৰু সেই লক্ষ্যৰ প্ৰাপ্তিৰ বাবে কাম কৰি যাব লাগে। এই প্ৰক্ৰিয়াত আমাৰ ষ্টাৰ্ট-আপবোৰ, আমাৰ প্ৰচেষ্টাবোৰে এনে এটা ৰূপ পাব যে এদিনাখন ই বিশ্বজনীন উচ্চমানৰ উদ্যোগলৈ পৰিৱৰ্তিত হ'ব।"

## পদপথৰ ব্যৱসায়ীক ডিজিটেল লেনদেনৰ প্ৰশিক্ষণ




মহামাৰীৰ সময়ত সৰ্বাধিক ক্ষতিগ্ৰস্ত হোৱা শ্ৰেণীটো পদপথৰ ব্যৱসায়ীসকল আছিল। এতিয়া চৰকাৰে এইসকলৰ উন্নয়নৰ বাবে পদপথৰ ব্যৱসায়ী আত্মনিৰ্ভৰ নিধি-পিএমএছভিএনিধি আঁচনিৰ ঘোষণা কৰিছে। এই আঁচনিৰ অধীনত পদপথৰ ব্যৱসায়ীসকলক ডিজিটেল লেনদেনৰ ওপৰত প্ৰশিক্ষণ দিয়া হয়। দেশজুৰি চলা এই প্ৰশিক্ষণ কাৰ্যসূচী বিগত জানুৱাৰী ৪ তাৰিখৰ পৰা ২২ তাৰিখলৈ চলিছিল। এই প্ৰশিক্ষণ কাৰ্যসূচীত ব্যৱসায়ীসকলক এয়া শিকোৱা হৈছিল যে ডিজিটেল লেনদেনৰ জৰিয়তে কেশ্বেক(ধন ঘটাৰ) সুবিধা গ্ৰহণ কৰা। ডিজিটেল লেনদেনৰ ব্যৱহাৰ কৰাৰ ফলত এই ব্যৱসায়ীয়ে প্ৰতিমাহত ১০০টকা পৰ্যন্ত লাভাংশ পাব পাৰিব। লগতে এই প্ৰশিক্ষণৰ সময়ত বেংকবোৰে এই কথাও স্পষ্ট কৰি দিছে যে যিসকল ব্যৱসায়ীয়ে অধিক ডিজিটেল লেনদেন কৰাব তেওঁলোকে ঋণ পাবলৈ সক্ষম হ'ব, সুবিধা পাব। এই আঁচনিৰ অধীনত ১০হাজাৰ টকা পৰ্যন্ত ঋণ লাভৰ সুবিধা আছে আৰু এই আঁচনিয়ে ৫০লাখ পদপথৰ ব্যৱসায়ীক সামৰি লোৱাৰ পৰিকল্পনা আছে। এই আঁচনিৰ জৰিয়তে পাব লগীয়া কেশ্বেক, সুদ আদিবোৰ ভাৰতীয় বেংকত পাব আৰু এই সম্পৰ্কত অধিক জানিবলৈ ব্যৱসায়ীসকলে বেংকবোৰত শাখাত যোগাযোগ কৰিব পাৰে।

# গোবৰৰ পৰা প্ৰস্তুত হৈছে ঘৰ ৰং কৰা পেইন্ট, সস্তীয়া আৰু ইক'ফ্ৰেণ্ডলী

খাদী আৰু গ্ৰামোদ্যোগ আয়োগে(কেভিআইচি) বজাৰত মুকলি কৰিছে গৰুৰ গোবৰৰ পৰা তৈয়াৰী পৰিৱেশ-অনুকূল ঘৰ ৰং কৰা পেইন্ট। এয়া এক উদ্ভাৱন আৰু সবাতোকৈ প্ৰথম। গোবৰৰ পৰা প্ৰস্তুত হোৱা এই পেইন্টত কোনো ধৰণৰ ৰাসায়নিক পদাৰ্থ নাই। সাধাৰণতে প্ৰচলিত পেইন্টবোৰত গধুৰ পদাৰ্থ যেনে লীড, ক্ৰ'মিয়াম, আৰ্ছেনিক আদিবোৰ থাকে যি সাধাৰণতে মানৱ শৰীৰৰ বাবে ক্ষতিকাৰক। কিন্তু কেভিআইচি প্ৰস্তুত কৰা এই ৰংবোৰ পৰিৱেশ অনুকূল হোৱা লগতে মানৱ শৰীৰৰ বাবে ক্ষতিকাৰক নহয়। ডিষ্টেম্পাৰ আৰু প্লাষ্টিক পেইন্ট- এই দুটা প্ৰকাৰত উপলব্ধ। ডিষ্টেম্পাৰ প্ৰতিলিটাৰত ১২০টকা হোৱাৰ




বিপৰীতে প্লাষ্টিক পেইন্টৰ মূল্য প্ৰতিলিটাৰত ২২৫টকা।

## প্ৰধানমন্ত্ৰীক সোমনাথ মন্দিৰ ট্ৰাষ্টৰ অধ্যক্ষ হিচাপে নিযুক্ত



গুজৰাটৰ সোমনাথ ট্ৰাষ্টৰ অধ্যক্ষ হিচাপে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নিযুক্ত কৰা হৈছে। ট্ৰাষ্টৰ সদস্যসকলে সৰ্বসন্মতিমৰ্মে প্ৰধানমন্ত্ৰীৰ নামটোৰ প্ৰস্তাৱ গ্ৰহণ কৰি গৃহীত কৰে। উল্লেখ্য যে এই পদটো বিগত বৰ্ষৰ অক্টোবৰ মাহৰ পৰা পূৰ্বৰ অধ্যক্ষ কেশুভাই পেটেলৰ মৃত্যুৰ পাছত খালী হৈ আছিল। নতুন দায়িত্ব গ্ৰহণৰ আগমুহূৰ্তত প্ৰধানমন্ত্ৰীগৰাকীয়ে এই আশা ব্যক্ত কৰে যে তেওঁৰ অধ্যক্ষতাত আগন্তুক দিনবোৰত সোমনাথ মন্দিৰৰ সৰ্বাঙ্গীন উন্নয়নৰ হকে কাম কৰি যাব। ভাৰতীয় ঐতিহ্যৰ প্ৰতি লক্ষ্য ৰাখি আৰু মন্দিৰলৈ আহিবলগীয়া ভক্তগণৰ সুবিধাৰ্থে অন্য কেতবোৰ ব্যৱস্থা লোৱাৰো তেওঁ আশ্বাস দিয়ে। মোৰাৰজী দেশাইৰ পাছত প্ৰধানমন্ত্ৰী হিচাপে মোদী হৈছে দ্বিতীয়গৰাকী প্ৰধানমন্ত্ৰী যিয়ে এই অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰিছে। সোমনাথ মন্দিৰ ট্ৰাষ্টত ৮গৰাকী সদস্য আছে। ইয়াৰ ভিতৰত মুখ্যত হৈছে বৰ্তমানৰ গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপি দলৰ জ্যেষ্ঠ নেতা এল কে আদৱানী।

## দেশত প্ৰতিদিনে ৭৫কিঃমিঃ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰে ৰেকৰ্ড




পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে জানুৱাৰী মাহৰ ৮ তাৰিখলৈ এটা সপ্তাহত ৫৩৪কিঃমিঃ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰি একপ্ৰকাৰৰ অভিলেখ স্থাপন কৰিছে। ইয়াৰ অৰ্থ এয়াই যে বিভাগটোৱে প্ৰতিদিনে ৭৬কিঃমিঃ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ কৰি আছে। উল্লেখ্য যে ২০২০ চনৰ এপ্ৰিল মাহৰ পৰা ২০২১চনৰ ১৫জানুৱাৰীলৈ দেশত সৰ্বমুঠ ৮,১৬৯কিঃমিঃ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। ২০২০-২১ বিত্তীয় বৰ্ষটোতেই ইমানখিনি কাম সম্পন্ন হৈছে। এই পৰিসংখ্যাই এই কথা সূচায় যে প্ৰতিদিনে প্ৰায় ২৮.১৬কিঃমিঃ পথ নিৰ্মানৰ কাম দেশত সম্পন্ন হৈ আহিছে। এই গতিৰ বাবে এতিয়া কেন্দ্ৰীয় বিভাগে এই ধাৰণা কৰিছে যে এই বৰ্ষৰ ৩১ মাৰ্চ পৰ্যন্ত ১১হাজাৰ কিঃমিঃ ঘাইপথ নিৰ্মানৰ নিৰ্ধাৰিত আৰু ইপ্সিত লক্ষ্য পাবলৈ সক্ষম হ'ব। উল্লেখ্য যে বিগত বিত্তীয় বৰ্ষত প্ৰতিদিনে ২৬.১১কিঃমিঃ পথ নিৰ্মাণৰ গতিৰে দেশত ৭৫৭৩ কিঃমিঃ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছিল। ■




**ভাৰত চৰকাৰৰ কেলেণ্ডাৰ এপ্**

**এই এপ্ এন্ড্ৰ'ইড ডিভাইচত গুগুল প্লেষ্টোৰৰ পৰা ডাউনলোড কৰিবলৈ লিংক**

https://play.google.com/store/apps/details?id=in.gov.calendar

**আইঅ' এছত ডাউনলোড কৰিবলৈ লিংক**

https://apps.apple.com/in/app/goi-calendar/id1546365594

https://goicalendar.gov.in/

# গুৰুদেৱলৈ শ্ৰদ্ধাঞ্জলি



কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ বা 'গুৰুদেৱ' কেৱল এজন কবি আৰু লেখকেই নাছিল, তেওঁ এজন সঙ্গীতজ্ঞ, দাৰ্শনিক আৰু চিত্ৰকৰো আছিল। তেওঁৰ কবিতা আৰু কাব্য ইমানেই জনপ্ৰিয় আছিল যে ভাৰত আৰু বাংলাদেশে তেওঁৰ কবিতাক ৰাষ্ট্ৰীয় সঙ্গীত হিচাপে গ্ৰহণ কৰিছে। তেওঁৰ ৰচনাৰাজিৰ পৰা নিৰ্বাচন কৰি লোৱা ক্ৰমে 'জন গণ মন' আৰু 'আমাৰ সোণাৰ বাংলা' ভাৰত ৰাষ্ট্ৰ আৰু বাংলাদেশ ৰাষ্ট্ৰীয় সংগীত।

**জন্মঃ ৭ মে', ১৮৬১ আৰু মৃত্যুঃ ৭ আগষ্ট, ১৯৪১**

ৰবীন্দ্ৰনাথ ঠাকুৰে ১৮৬১ চনৰ ৭ মে'ত কলকাতাৰ জোৰাসাঁকো অট্টালিকাত জন্ম লৈছিল। তেওঁৰ পিতৃ আছিল ধৰ্মীয় সংস্কাৰক দেৱেন্দ্ৰনাথ ঠাকুৰ আৰু মাতৃ আছিল সাৰদা দেৱী। তেওঁ আছিল এজন অনেক গুণৰ প্ৰতিভাধৰ যাৰ সৃষ্টিসমূহে আজিও মানুহক আকৰ্ষিত কৰি আহিছে।

## শৈশৱৰ পৰাই সাহিত্যৰ সৈতে বিশেষ সম্পৰ্ক

শৈশৱৰেপৰাই সাহিত্য আৰু কলাৰ সৈতে ৰবীন্দ্ৰনাথৰ সংযোগ ঘটিছিল। তেওঁ এনে এটা পৰিৱেশত ডাঙৰ হৈছিল যি ঠাইত সাহিত্য-আলোচনী প্ৰকাশ কৰা হৈছিল, সংগীত সমাৰোহ আৰু নাটকৰ আয়োজন চলিছিল। তেওঁ আঠ বছৰ বয়সতে কবিতা ৰচনা কৰিছিল। ১৬ বছৰ বয়সত তেওঁ ভানুসিংহ নাম লৈ প্ৰথম কবিতা সংকলনৰ কিতাপ প্ৰকাশ কৰিছিল। সেই সময়তে তেওঁ নিজৰ নামতে ছুটি গল্প আৰু নাটক লিখিবলৈও আৰম্ভ কৰে। ১৮৭৮ চনত বেৰিষ্টাৰ হোৱাৰ লক্ষ্যৰে তেওঁ ইংলেণ্ডলৈ যাত্ৰা কৰে। কিন্তু ১৮৮০ চনত ডিগ্ৰী নোলোৱাকৈ তেওঁ বংগলৈ ঘুৰি আহে আৰু আকৌ লিখিবলৈ আৰম্ভ কৰে। এই সময়ছোৱাত তেওঁ বাংলা আৰু ইউৰোপীয় সাহিত্যৰ বৈশিষ্টসমূহৰ সংমিশ্ৰণত নিজা সাহিত্য সৃষ্টি কৰিবলৈ অনুপ্ৰাণিত হয়। ১৯০১ চনৰ ২২ ডিচেম্বৰত তেওঁ ব্ৰহ্মচৰ্য্যশ্ৰম নামৰ এখন বিদ্যালয় স্থাপন কৰে যিখন পিছলৈ শান্তিনিকেতন নামেৰে জনাজাত হয়। ১৯২১ চনত তেওঁ বিশ্বভাৰতী বিশ্ববিদ্যালয় স্থাপন কৰে।



"মই টোপনিতে সপোন দেখিছিলোঁ যে জীৱন মানে আনন্দ। মই সাৰ পাই দেখিলোঁ যে সেৱাই আনন্দ। মই কাম কৰিলোঁ আৰু দেখিলোঁ যে সেৱাই আনন্দ"
– ৰবীন্দ্ৰনাথ ঠাকুৰ।

## ন'বেল বঁটা পোৱা প্ৰথম অনা-ইউৰোপীয়

গুৰুদেৱে বাংলা সাহিত্য আৰু সংগীতক এটা নতুন ৰূপ দিয়াৰ লগতে ভাৰতৰ প্ৰাচুৰ্য্যপূৰ্ণ সংস্কৃতিৰ সৈতে পাশ্চাত্যক চিনাকী কৰি দিছিল। ১৯১৩ চনত তেওঁ সাহিত্যৰ ন'বেল বঁটা পোৱা প্ৰথমজন অনা-ইউৰোপীয় ব্যক্তি হবলৈ সক্ষম হয়। বিংশ শতিকাৰ মহান কবিসকলৰ অন্যতম ডব্লিউ বি য়েটছ আছিল ৰবীন্দ্ৰনাথৰ গুণমুগ্ধ। তেওঁ গুৰুদেৱৰ সৃষ্টি গীতাঞ্জলীক প্ৰশংসাৰে ওপচাই পেলোৱাসকলৰ অন্যতম। ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত "জন গণ মন" লোৱা হৈছে তেওঁৰ "ভাৰত ভাগ্য বিধাতা"ৰ পৰা। আনহাতে বালাদেশৰ ৰাষ্ট্ৰীয় সংগীত "আমাৰ সোণাৰ বাংলা" তেওঁৰ একে নামৰ কবিতাৰপৰা লোৱা হৈছে। তেওঁৰ প্ৰভাৱ আনকি শ্ৰীলংকাৰ ৰাষ্ট্ৰীয় সংগীত "শ্ৰীলংকা মথাতো" পৰিছে । এই সংগীতটো তেওঁৰ শিষ্য আনন্দা সমৰাকুনে লিখিছিল ।



## "ৰবীন্দ্ৰনাথ আৰু তেওঁৰ মহাত্মা"

মোহনদাস কৰমচান্দ গান্ধীক মহাত্মা আখ্যা দিয়া প্ৰথমজন লেখত ল'বলগীয়া আৰু সমসাময়িক ব্যক্তি আছিল ৰবীন্দ্ৰনাথ ঠাকুৰ। গান্ধীয়েও তেওঁক গুৰুদেৱ বুলি মাতিছিল। দুয়োজন মুখামুখি হোৱাৰ পূৰ্বৰে পৰা দুয়োৰে মাজত পাৰস্পৰিক সন্মানৰ ভাব আছিল। কিন্তু দুয়ো নিজৰ আদৰ্শগত অমিলবোৰ আৱিষ্কাৰ কৰাৰ পাছতো এই সন্মান অটুট আছিল। দুয়ো দুয়োৰে সমালোচনা যোগাত্মকভাৱে গ্ৰহণ কৰিছিল ।

## ভাৰতৰ এজন প্ৰতিভাধৰ সাহিত্যিক

সাহিত্যৰ এনে কোনো এটা শাখা নাই যিটোত ৰবীন্দ্ৰনাথে স্পৰ্শ কৰা নাই। গীত, কবিতা, উপন্যাস, চুটি গল্প, নাটক, ভাস্কৰ্য্য আৰু চিত্ৰকলা- এই সকলোবোৰ ক্ষেত্ৰতে ৰবীন্দ্ৰনাথে বিশ্বমানৰ সৃষ্টি কৰি থৈ গৈছে। গোৰা, ঘৰে-বাইৰে, শেষেৰ কবিতা, যোগাযোগ আদি কেইবাখনো উপন্যাস তেওঁ ৰচনা গৈছে। তেওঁ নিজে ইংৰাজীলৈও ভালেমান গ্ৰন্থ অনুবাদ কৰিছিল। এই অনুবাদবোৰে তেওঁৰ নাম পাশ্চাত্যৰ দেশবোৰত প্ৰচাৰ কৰাৰ ক্ষেত্ৰত সহায় কৰিছিল। গীতাঞ্জলি প্ৰকাশৰ পাছত তেওঁ পাশ্চাত্যত অধিক প্ৰসিদ্ধি লাভ কৰে। তেওঁ ৰচনা কৰা প্ৰায় ২২৩০ গীত ৰবীন্দ্ৰ সংগীত নামে জনাজাত। এই ৰবীন্দ্ৰ সংগীত কেৱল বাঙালীয়েই নহয়, অন্য ভাষাৰ লোকেও সমানে গুৰুত্ব দি শুনে।

### ইংৰাজৰ বিৰুদ্ধে সাহিত্যক তেওঁ অস্ত্ৰৰূপে ব্যৱহাৰ কৰিছিল

বিভেদ আৰু শাসন নীতিত বিশ্বাস ৰখা ইংৰাজ শাসকে ১৯০৫চনত সেই সময়ৰ বংগদেশক দুভাগত বিভক্ত কৰাৰ নিৰ্দেশ দিছিল। তদানীন্তন ভইচৰয় লৰ্ড কাৰ্জনে বংগ ভংগ ঘোষণা কৰাৰ সময়ত ৰবীন্দ্ৰনাথে ইয়াৰ বিৰুদ্ধে সাহিত্যৰ যোগেদি যুদ্ধ ঘোষণা কৰে। তেওঁ সাহিত্যৰ মাজেদি ইংৰাজৰ কু-কীৰ্তিসমূহ উদঙাই দিয়ে। জালিয়ানৱালাবাগ গণহত্যাৰ বিৰুদ্ধে তেওঁ এক প্ৰতিকী প্ৰতিবাদ হিচাপে ইংৰাজে দিয়া "নাইট" উপাধিটো ঘূৰাই দিছিল।

### দেশজুৰি বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ শতবাৰ্ষিকী উদযাপন

১৯২১চনত গুৰুদেৱে স্থাপন কৰা শান্তিনিকেতন বিশ্ববিদ্যালয়ে ১০০টা বছৰ গৰকিলে। এই ক্ষণত দেশজুৰি বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ শতবাৰ্ষিকী উদযাপন হোৱাৰ মুহূৰ্তত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক স্মৰণ কৰি কয়, "বেদৰপৰা বিবেকানন্দলৈকে ভাৰতীয় দৰ্শনৰ ধাৰাটো গুৰুদেৱৰ ৰাষ্ট্ৰীয়তাবাদতো প্ৰতিফলিত হয়। এই ধাৰাটো অন্তৰ্মুখী নাছিল। ই ভাৰতক বিশ্বৰ আন দেশবোৰৰপৰা পৃথক কৰি ৰখা নাছিল। তেওঁৰ দৃষ্টিভংগী আছিল যে ভাৰতত যিবোৰ ভাল বস্তু আছে সেইবোৰৰপৰা বিশ্বই আৰু বিশ্বৰ ভাল কথাবোৰৰপৰা ভাৰতে শিক্ষা গ্ৰহণ কৰিব লাগে।" ■

# এই বাজেট



“এই বাজেটত দেশৰ প্ৰতিটো খণ্ডৰ বিকাশৰ অৰ্থাৎ সামগ্ৰিক বিকাশৰ কথা কোৱা হৈছে। মই সুখী যে এই বাজেটে আমাৰ দেশৰ দক্ষিণ আৰু উত্তৰ-পূবৰ ৰাজ্যসমূহ, লেহ-লাডাখৰ দৰে অঞ্চল সমূহৰ উন্নয়নৰ ওপৰতো গুৰুত্ব দিছে। তামিলনাডু, কেৰেলা, পশ্চিমবঙ্গৰ দৰে উপকূলীয় অঞ্চলসমূহক ব্যৱসায়িক শক্তিকেন্দ্ৰৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত এই বাজেটত গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছে। অসমৰ দৰে উত্তৰ পূবৰ ৰাজ্যবোৰৰ অব্যৱহৃত সম্ভাৱনীয়তাক ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত এই বাজেটে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।”

-প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী।

# নতুন ভাৰতৰ বাজেট

২০২১-২২ৰ সাধাৰণ বাজেটত সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে কিবা নহয় কিবা ব্যৱস্থা আছে। এই বাজেটে কেৱল উন্নয়নৰ গতি ত্বৰান্বিত কৰাই নহয়, ই চৰকাৰৰ দীৰ্ঘম্যাদী পৰিকল্পনাবোৰৰ সফল ৰূপায়নৰ পথবোৰো প্ৰতিফলিত কৰিছে। দেশখনক আত্মনিৰ্ভৰশীল হোৱাৰ ক্ষেত্ৰত ই আত্মবিশ্বাসৰ সঞ্চাৰ কৰি একপ্ৰকাৰ প্ৰতিষেধকৰ কাম কৰিব...

কেন্দ্ৰীয় বাজেটৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ থাকে। কিয়নো সাধাৰণ বাজেটে দেশৰ অৰ্থনৈতিক ভৱিষ্যত প্ৰতিফলিত কৰে। ২০২১-২২ বিত্তীয় বৰ্ষৰ বাবে নিৰ্ধাৰণ কৰা কেন্দ্ৰীয় বাজেটখন বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে সংসদত উত্থাপন কৰে। বিত্ত মন্ত্ৰীগৰাকীয়ে দাখিল কৰা এই বাজেটেখন আশা-আত্মবিশ্বাসৰে পৰিপূৰ্ণ আৰু এই বাজেটে সমাজৰ সকলো শ্ৰেণীকে সামৰি লৈছে। ভাৰতক প্ৰকৃতাৰ্থত আত্মনিৰ্ভৰশীল কৰি তোলাৰ ক্ষেত্ৰত এই বাজেটে সহায় কৰিব। এই বাজেটৰ ঘোষণা সমূহৰ মূল নীতিসমূহ হৈছে- ৰাষ্ট্ৰ প্ৰথম, কৃষকৰ আয় দুগুণ কৰা, শক্তিশালী আন্তঃগাঁথনি, স্বাস্থ্যৱান ভাৰত, সুশাসন, যুৱ সমাজৰ বাবে সা-সুবিধা, সকলোৰে বাবে শিক্ষা, মহিলা সবলীকৰণ, সৰ্বাত্মক উন্নয়ন আদি।

নতুন দশকটোৰ প্ৰথমখন বাজেট দেশখনৰ প্ৰথমখন ডিজিটেল বাজেট হিচাপে ঐতিহাসিক আছিল। ৰাজহৰ বাবে চৰকাৰে সাধাৰণ মানুহৰ ওপৰত কোনো হেঁচা দিয়া নাই। আয় অৰ্জন কৰাৰ পৰিৱৰ্তে কৌশলগত নিৰ্বিনিয়োজনৰ জৰিয়তে বিকল্প ৰাজহ আহৰণৰ ওপৰত এই বাজেটে গুৰুত্ব আৰোপ কৰা হৈছে। কিন্তু চৰকাৰৰ বাবেও ই এক কঠিন কাম আছিল কিয়নো কৰ'নাৰ বাবে অৰ্থনীতিৰ ওপৰত ইতিমধ্যে যথেষ্ট ঋণাত্মক প্ৰাভাৱ পৰিছিল। কিন্তু দীৰ্ঘম্যাদী পৰিকল্পনা আৰু জনতাৰ সহযোগত চৰকাৰে ইয়াক এটা সুযোগত পৰিণত কৰিলে। সবকা সাথ, সবকা বিকাশ- এই মন্ত্ৰৰে এই বাজেটখন ছটা স্তম্ভৰ ওপৰত প্ৰতিষ্ঠিত- সেইকেইটা হৈছে স্বাস্থ্য আৰু কল্যাণ, কায়িক আৰু বিত্তীয় মূলধন, আন্তঃগাঁথনি, উচ্চাকাংক্ষী ভাৰতৰ সৰ্বাত্মক উন্নয়ন, মানৱ মূলধনৰ সৱলীকৰণ, আৱিষ্কাৰ আৰু গৱেষণা তথা বিকাশ, নূন্যতম চৰকাৰ আৰু সৰ্বাধিক সুশাসন।

**স্বাস্থ্য আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত সৰ্ববৃহৎ বিনিয়োগ। এয়া আত্মনিৰ্ভৰশীলতাৰ পথ।**




**প্ৰথমবাৰৰ বাবে ডিজিটেল বাজেট** - বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে এই দশকৰ প্ৰথমখন বাজেট উত্থাপন কৰে। ই আছিল ডিজিটেল বাজেট। ক'ভিড-১৯ৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰৰ বাজেট সম্পূৰ্ণ ডিজিটেল ৰূপত উত্থাপন কৰা হয়।

## স্বাস্থ্য আৰু কল্যাণঃ

এই বাজেটে সৰ্বসাধাৰণ লোকৰ প্ৰয়োজন সমূহ পূৰণ কৰাৰ লগতে স্বাস্থ্য খণ্ডলৈ এক বৈপ্লৱিক পৰিৱৰ্তন আনিব বুলি ক'লে বঢ়াই কোৱা নহ'ব। ২০২১-২২ৰ বাজেটত স্বাস্থ্য আৰু কল্যাণ খণ্ডৰ বাবে পুঁজিৰ ক্ষেত্ৰত ১৩৭ শতাংশ বৃদ্ধিৰ ব্যৱস্থা কৰা হৈছে। এই পুঁজিয়ে কেৱল সঠিক চিকিৎসা সুনিশ্চিত কৰিব তেনে নহয়, এই বাজেটে লগতে প্ৰাথমিক,মাধ্যমিক আৰু উচ্চস্তৰীয় স্বাস্থ্য আন্তঃগাঁথনিৰ সৃষ্টিতো অৰিহণা যোগাব, ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰতিষ্ঠান সমূহৰ মান উন্নত কৰিব, নতুন বেমাৰ ধৰা পেলোৱা আৰু তাৰ চিকিৎসাৰ পথ সুগম কৰিব। ৬৪,১৮০ কোটি টকাৰে প্ৰধানমন্ত্ৰী আত্মনিৰ্ভৰ সুস্থ ভাৰত যোজনা নামৰ কেন্দ্ৰীয় আঁচনিখন ছবছৰীয়া লক্ষ্যৰে প্ৰৱৰ্তন কৰা হৈছিল। পুষ্টিকৰ আহাৰ, ইয়াৰ যোগান আৰু প্ৰসাৰৰ বাবে চৰকাৰে অন্যহাতে মিছন পোষণ-২ আৰম্ভ কৰিব।

## উন্নয়নৰ বাবে আন্তঃগাঁথনি নিৰ্মাণ

যিকোনো উন্নয়নৰ ভেঁটি হৈছে আন্তঃগাঁথনি। সেইবাবে




২০১৪ চনৰ পৰা চৰকাৰে ইয়াৰ ওপৰত বিশেষ গুৰুত্ব দি আহিছে। ২০২১-২২ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটো ইয়াৰ ব্যতিক্ৰম নহয়। চৰকাৰে আন্তঃগাঁথনিৰ বাবে ১.১৮ লাখ কোটি টকা ধাৰ্য কৰিছে। এই ধন অন্যান্য ৰাজ্যৰ লগতে তামিল নাডু, কেৰেলা, পশ্চিম বঙ্গ আৰু অসমৰ স্থলপথ আৰু ৰেলপথৰ উন্নয়নৰ বাবে ব্যয় কৰা হ'ব। ৰাষ্ট্ৰীয় আন্তঃগাঁথনি পাইপলাইন প্ৰকল্প ৭,৪০০ টালৈ বৃদ্ধি পাইছে। যাত্ৰা অধিক খৰতকীয়া আৰু সুগম কৰিবলৈ ৰেল বিভাগে

> “দেশৰ কৃষি খণ্ড, আমাৰ কৃষক, আমাৰ গাওঁবোৰ হৈছে আত্মনিৰ্ভৰশীল ভাৰতৰ ভেঁটি। এইবোৰ শক্তিশালী হৈ থাকিলে আত্মনিৰ্ভৰ ভাৰতৰ ভেটিও শক্তিশালী হৈ থাকিব।”
>
> **নৰেন্দ্ৰ মোদী, প্ৰধান মন্ত্ৰী**

> **"ক'ভিদৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত ভাৰতৰ দৃষ্টিভঙ্গী প্ৰতিক্ৰিয়ামূলক নহৈ ক্ৰিয়ামূলক, লাগিলে সেয়া কৰ'নাকালৰ সংস্কাৰ সমূহেই হওক বা আত্মনিৰ্ভৰ ভাৰত আঁচনিয়েই হওক। এই ক্ৰিয়ামূলক দৃষ্টিভঙ্গীক আগুৱাই নিয়াৰ লক্ষৰে এই বাজেটত কোনো প্ৰতিক্ৰিয়া নাই।"**
>
> **নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**

প্ৰস্তুত কৰিছে ৰাষ্ট্ৰীয় ৰেল আঁচনি ২০৩০। ইয়াৰ লক্ষ্য হৈছে ২০৩০ চনৰ ভিতৰত ভৱিষ্যতৰ উপযোগীকৈ ৰেলপথসমূহক গঢ় দিয়া। ৰেলপথৰ বাবে অভিলেখ পৰিমাণৰ ১,১০,০৫৫ কোটি টকা ধাৰ্য্য কৰা হৈছে আৰু ইয়াৰ ভিতৰত ১,০৭,১০০ কোটি টকা মূলধন খৰচ হিচাপে ধাৰ্য কৰা হৈছে। লগতে সৰু সৰু মহনগৰীবোৰতো মেট্ৰ' ৰেল স্থাপনৰ পৰিকল্পনাও আছে।

এই সাধাৰণ বাজেটত সেউজ শক্তিৰ ওপৰতো অধিক গুৰুত্ব দিয়াৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ লক্ষ্যস্বৰূপে অহা তিনি বছৰৰ ভিতৰত ১০০খন মহানগৰীলৈ পাইপেৰে গেছ যোগান ধৰা। ইয়াৰ লগতে সেউজ উৎস সমূহৰপৰা হাইড্ৰ'জেন উৎপাদনৰ লক্ষ্যৰে ২০২১-২২ত হাইড্ৰ'জেন এনাৰ্জী মিছনো প্ৰৱৰ্তন কৰা হ'ব।

ভাৰতৰ অৰ্থনীতি ৫ ট্ৰিলিয়ন অৰ্থনীতিলৈ পৰিণত হ'বলৈ হ'লে দেশখনৰ উৎপাদন খণ্ডটোত নিয়মিতভাৱে দ্বিঅংকীয় বৃদ্ধি হ'ব লাগিব।

আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে আগত ৰাখি বিত্তমন্ত্ৰীয়ে ১৩ টা খণ্ডৰ বাবে উৎপাদনমূলক আঁচনি ঘোষণা কৰিছে। ইয়াৰ বাবে চৰকাৰে অহা পাঁচ বছৰৰ বাবে ১.৯৭ লাখ কোটি টকা ধাৰ্য্য কৰা হৈছে।

## কৃষক, বনুৱা আৰু গাঁও অঞ্চলৰ সৰ্বাঙ্গীন বিকাশৰ বাবে পদক্ষেপ


এই বাজেটত বিশেষত কৃষক, বনুৱা, গ্ৰাম্যাঞ্চল আৰু আনুষঙ্গিক খণ্ডবোৰৰ কথা উল্লেখ কৰা হৈছে। কৃষি খণ্ডৰ সৰ্বাঙ্গীন বিকাশৰ বাবে ২০২২ বিত্তীয় বৰ্ষৰ এগ্ৰিকালচাৰেল ক্ৰেডিট টাৰ্গেট ১৬.৮ লাখ কোটিলৈ বৃদ্ধি কৰা হৈছে। পশুধন,ডেইৰী (দুগ্ধজাত),ফিচাৰী আদি খণ্ডলৈ ঋণ বৃদ্ধিৰ লক্ষ্যৰে এই ব্যৱস্থা লোৱা হৈছে। বজাৰ অধিক শক্তিশালী কৰাৰ বাবে কৃষকলৈ সহজ ঋণৰ ব্যৱস্থা কৰা হৈছে।এই বাজেটত স্বচ্ছতা আৰু প্ৰতিযোগিতা অনাৰ বাবে ১০০০ মণ্ডীক ই-নাম ব্যৱস্থাৰ সৈতে জড়িত কৰাৰো লক্ষ্য লোৱা হৈছে।সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ "স্বামীতভা" আঁচনিখন সম্প্ৰসাৰিত কৰা হ'ব। প্ৰব্ৰজনকাৰী আৰু শ্ৰমিকসকলৰ প্ৰতি লক্ষ্য ৰাখি এখন দেশ, এখন ৰেচন কাৰ্ড আঁচনিৰ প্ৰৱৰ্তন কৰা হৈছে যাৰ দ্বাৰা ৰেচন কাৰ্ডধাৰীসকলে দেশৰ যিকোনো স্থানতে এই আঁচনি সুবিধা লাভ কৰিব পাৰিব। ইয়াৰ ওপৰি চাৰিটা শ্ৰমিক নীতিৰো প্ৰৱৰ্তন কৰা হৈছে। অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু মহিলাসকলৰ বাবে ষ্টেণ্ড আপ ইণ্ডিয়া আঁচনিৰ অধীনত অধিক ঋণ প্ৰদানৰ বাবে বিত্ত মন্ত্ৰালয়ে কিফাইত(মাৰ্জিন) ধনৰ প্ৰয়োজন ২৫ শতাংশৰপৰা ১৫ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ ৰাখিছে। তদুপৰি এমএছএমই খণ্ডৰ বাবে কেতবোৰ বিশেষ ব্যৱস্থাও লোৱা হৈছে। এই খণ্ডৰ বাবে ১৫,৭০০ কোটি টকা ধাৰ্য কৰা হৈছে যি সংখ্যা ২০২০-২১ৰ বাজেটৰ প্ৰায় দুগুণ।

## শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত উন্নয়ন


এখন সমাজৰ উন্নয়নত শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষা আৰু গৱেষণাৰ বাবে এই বাজেটত বিশেষ ব্যৱস্থা কৰা হৈছে। ইয়াত আছে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ সকলোকেইটা দিশ সামৰি ১৫০০০ বিদ্যালয়ৰ সৱলীকৰণ আঁচনি, ১০০ খন সৈনিক বিদ্যালয় আৰু ৭৫০ খন একলব্য আৰ্হি বিদ্যালয় স্থাপনৰ প্ৰস্তাৱ বাজেটত ৰখা হৈছে। মান নিৰ্ধাৰণ,মূল্যায়ন,নিয়ন্ত্ৰণ আৰু পুঁজি যোগান- এই চাৰিটা দিশ পৃথকে পৃথকে গুৰুত্ব দিবলৈ ৰাষ্ট্ৰীয় উচ্চ শিক্ষা আয়োগ গঠনৰ প্ৰস্তাৱো ৰখা হৈছে। ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ ভিত্তিত গৱেষণাৰ পৰিৱেশ গঢ়ি তোলাৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰীয় গৱেষণা ফাউণ্ডেচন গঠন কৰাৰ কথা ৰাষ্ট্ৰীয় শিক্ষা নীতিত কোৱা হৈছে । ইয়াৰ বাবে ৫ বছৰত ৫০,০০০ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে।

নূন্যতম চৰকাৰ আৰু সৰ্বাধিক সুশাসনৰ অধীনত চৰকাৰে ৭৫ বছৰৰ ওপৰৰ জ্যেষ্ঠ নাগৰিকসকলৰ ওপৰত বোজা কম কৰাৰ লক্ষ্য ৰখা হৈছে। কেৱল পেঞ্চন আৰু সুতৰ ওপৰত নিৰ্ভৰশীল জ্যেষ্ঠ নাগৰিকসকলে কোনো আয় কৰ দিব নালাগে। কৰ্পৰেট কৰৰ শ্লেব কম কৰি বিশ্বৰ ভিতৰতে নিম্ন কৰা হৈছে।


## এটা টকাৰ পইচাবোৰ অহা পথ





## এটা টকাৰ পইচাবোৰ ক'ত যাব





## চকুৰ পলকত বাজেট










# মহামাৰী স্বত্বেও কোনো নতুন কৰৰ বোজা নাই

**চৰকাৰে পেট্ৰল আৰু ডিজেলৰ ওপৰত শুল্ক হ্ৰাস কৰি কৃষিখণ্ডৰ আন্তঃগাঁথনি আৰু উন্নয়নমূলক কৰ(চেছ) আৰোপ কৰিছে যাতে কোনো ধৰণৰ বোজা সাধাৰণ মানুহৰ ওপৰত নপৰে। কৰৰ ব্যৱস্থাত বিশেষ কোনো সালসলনি ঘটোৱা হোৱা নাই।**


কৰ'না কালত প্ৰধানমন্ত্ৰীয়ে আত্মনিৰ্ভৰতাৰ বাবে জনোৱা আহ্বানে কেৱল অৰ্থনীতিক সবল কৰাই নহয়, ই বিশ্বজুৰি চৰ্চাৰ বিষয়ো হৈ পৰিছে। নতুন ভাৰত সাধাৰণ বাজেটতো এই আত্মনিৰ্ভৰতাৰে প্ৰতিফলন ঘটিছে।

যি সময়ত সমগ্ৰ বিশ্বই কৰ'না মাহামাৰীৰ সৈতে যুঁজি আছে সেই সময়ত কেন্দ্ৰ চৰকাৰে কেৱল আন্তঃগাঁঠনি শক্তিশালী কৰাৰ বাবেই ব্যৱস্থা গ্ৰহণ কৰি থকা নাই, অৰ্থনীতিক ত্বৰান্বিত কৰাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিছে। আয়কৰৰ স্তৰসমূহত কোনো সালসলনি নাই যদিও ৭৫ বছৰৰ ওপৰৰ জ্যেষ্ঠ নাগৰিক সকলক আয়কৰ ৰিটাৰ্ণ জমা দিয়াৰপৰা ৰেহাই দিয়া হৈছে। আয়কৰ আইনত একাধিক সংশোধন কৰা হৈছে। ইয়াৰ অন্যতম হৈছে আয়কৰ জমা কৰাৰ প্ৰক্ৰিয়াৰ সৰলীকৰণ, পুনঃ মূল্যায়নৰ সময়সীমা ৬বছৰৰ পৰা ৩বছৰলৈ হ্ৰাস আদি ব্যৱস্থা লোৱা হৈছে।

কৌশলগত নিৰ্বিনিয়োজনৰ আঁচনিত অনুমোদন জনোৱা হৈছে। বিত্তীয় বৰ্ষ ২০২০-২১ৰ বিত্তীয় ঘাটি ৯.৫ শতাংশ বুলি ধাৰ্য কৰা হৈছে। কেন্দ্ৰ চৰকাৰে এই হাৰ ২০২৫-২৬ৰ ভিতৰত জিডিপিৰ ৪.৫ শতাংশলৈ হ্ৰাস কৰাৰ লক্ষ্য নিৰ্ধাৰন কৰি লৈছে। ▪

# বিত্তীয় ঘাটি

শতাংশত জিডিপি






- বিগত মাহকেইটাত সৰ্বাধিক জিএছটি সংগ্ৰহ
- সৰ্বকালৰ সৰ্বাধিক জিএছটি

| | |
|---|---|
| পৰৱৰ্তী বৰ্ষৰ বাবে **১২,০০,০০০** কোটি টকাৰ মুঠ ঋণ | পৰৱৰ্তী বৰ্ষৰ বাবে সাম্ভাব্য চাৰকাৰী ব্যয় **৩৪,৮৩,০০০** টকা |

**ডিজিটেল লেনদেনক উদগনি যোগাবৰ বাবে ১৫০০ কোটি টকা ধাৰ্য**

# ভাৰতৰ ছবি সলনি কৰিবলৈ চাৰিখন নতুন আঁচনি

## জল জীৱন মিছন (নগৰ)



এই আঁচনিৰ অধীনত ২.৮৬ কোটি টেপ সংযোগেৰে ৪৩৭৮ স্থানীয় পৌৰ নিকায় সমূহত পানী যোগানৰ ব্যৱস্থা কৰাৰ লগতে ৫০০ আমৰুট মহানগৰীত জুলীয়া আৱৰ্জনা নিষ্কাশনৰ লক্ষ্য লোৱা হৈছে । এই লক্ষ্যত উপনীত হ'বলৈ ২,৮৭,০০০ কোটি টকা ধাৰ্য কৰা হৈছে।

## ক্লীন ইণ্ডিয়া, হেল্দী ইণ্ডিয়া

স্বচ্ছ भारत
एक कदम स्वच्छता की ओर

স্বাস্থ্য মন্ত্ৰালয়ৰ বাজেট ১০ শতাংশ বৃদ্ধি কৰা হৈছে।পৰিবহনযোগ্য পানীৰ সৈতে স্বচ্ছতা বিষয়টো সংযোগ কৰি স্বাস্থ্য খণ্ডত অধিক সুফল লাভ কৰাৰ লক্ষ্য ধাৰ্য কৰা হৈছে। ৬বছৰত স্বাস্থ্য আন্তঃগাঁথনিত ৬৪,১৮০ কোটি টকা ব্যয় হ'বলগীয়া প্ৰধানমন্ত্ৰী আত্মনিৰ্ভৰ সুস্থ ভাৰত আঁচনি আৰম্ভ কৰা হৈছে । ৫ বছৰত ১,৪১,৬৭৮ কোটি টকা ব্যয় সাপেক্ষ নগৰীয়া স্বচ্ছ ভাৰত অভিযান ২.০ আৰম্ভ কৰা হ'ব।

## স্বচ্ছ বায়ু



বাঢ়ি অহা বায়ু প্ৰদূষণৰ সৈতে মোকাবিলা কৰাৰ উদ্দেশ্যে বাজেটত ২,২১৭ কোটি টকা ব্যয় সাপেক্ষে ১০ লাখ জনসংখ্যাৰ বাবে ৪২ টা নগৰীয়া কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ ৰখা হৈছে।

## পেলনীয়া বাহন সম্পৰ্কীয় আঁচনি



পুৰণি আৰু ব্যৱহাৰৰ অযোগ্য বাহন সমূহৰ ক্ষেত্ৰত এখন নতুন আঁচনি গ্ৰহণ কৰা হৈছে। ব্যক্তিগত বাহনবোৰে ২০ বছৰত আৰু বাণিজ্যিক বাহনবোৰে ১৫ বছৰত স্বয়ংক্ৰিয় পৰীক্ষা কেন্দ্ৰ সমূহত পৰীক্ষাৰ মূখামুখি হ'ব লাগিব।

## মিছন পোষণ ২.০

১১২ খন জিলাত পুষ্টিকৰ আহাৰৰ যোগান আৰু প্ৰসাৰ আৰু ইয়াৰ ফলাফল শক্তিশালী কৰাৰ বাবে চৰকাৰে আনুসাঙ্গিক পুষ্টি আঁচনি আৰু পোষণ অভিযানক একত্ৰিত কৰিব। ▪

আন্তঃগাঁথনি

# এখন নতুন ভাৰতৰ নিৰ্মাণৰ প্ৰস্তুতি

**অৰ্থনীতিক অধিক শক্তিশালী কৰিবলৈ বাজেটত আন্তঃগাঁথনিৰ সম্প্ৰসাৰণ আৰু ৰাজপথ, ৰেলপথ আৰু মেট্ৰ'ৰ মাজেৰে ৰাজহুৱা পৰিবহন ব্যৱস্থাটোক অধিক শক্তিশালী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।**

কৰ'না কালত স্থবিৰ হৈ পৰা অৰ্থনীতি বৰ্তমান উৰ্ধগামী আৰ্হিত পুনঃ উত্থানৰ দিশে আগবাঢ়িছে। আন্তঃগাঁথনিৰ ক্ষেত্ৰত পোনপটীয়া বিনিয়োগৰ নিয়মবোৰ শিথিল কৰি নিয়োগ বৃদ্ধিৰ বাবে নতুন অৰ্থনৈতিক ক'ৰিডৰ সৃষ্টি কৰা হ'ব। ২০,০০০ কোটি টকাৰে উন্নয়নমূলক বিত্তীয় প্ৰতিষ্ঠান (ডেভেল'পমেন্ট ফাইনেন্সিয়েল ইন্স্টিটিউচন-ডিএফআই)। এই প্ৰস্তাবিত ডিএফআইৰ অধীনত তিনি বছৰত ৫ লাখ কোটি টকাৰ লেণ্ডিং প'ৰ্টফলিঅ সৃষ্টিৰ কৰাৰ লক্ষ্য লোৱা হৈছে।

## এবছৰত ৮৫০০ কিলোমিটাৰ পথ নিৰ্মাণ

৫.৩৫ লাখ কোটি টকা মূল্যৰ ভাৰতমালা পৰিযোজনা প্ৰকল্পৰ অধীনত চৰকাৰে ২০২২ বৰ্ষৰ মাৰ্চৰ ভিতৰত ৮৫০০ কিলোমিটাৰ নতুন পথ নিৰ্মাণ কৰিব আৰু লগতে অতিৰিক্ত ১১,০০০ ৰাষ্ট্ৰীয় ঘাইপথ কৰি'ডৰ নিৰ্মাণ হ'ব। পথ পৰিবহণৰ বাবে অতিৰিক্ত ১,১৮,১০১ কোটি টকা ধাৰ্য কৰা হৈছে। অসমত ৩৪,০০০ কোটিতকৈও অধিক টকা খৰচ কৰি ১৩০০ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হ'ব। তামিল নাড়ুত ১.০৩ লাখ কোটি টকা ব্যয়েৰে ৩৫০০ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হ'ব। কেৰেলাত ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে মুম্বাই-কন্যাকুমাৰী কৰিড'ৰৰ ৬০০ কিলোমিটাৰ অংশটো ৬৫,০০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা হ'ব।

## ভৱিষ্যতৰ বাবে ৰেলপথ

২০৩০ চনৰ ভিতৰত "ভৱিষ্যতৰ বাবে প্ৰস্তুত" এটা ৰে'ল ব্যৱস্থা গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। মেক-ইন-ইণ্ডিয়াক সফল কৰাৰ উদ্দেশ্যে ইয়াৰ নিৰ্মাণ ব্যয় হ্ৰাস কৰা হৈছে।



## গ্ৰাম্য ভাৰত

**৪০ হাজাৰ কোটি টকাঃ** গ্ৰামাঞ্চলত আন্তঃগাঁথনি উন্নত কৰিবলৈ

**৮৬%** শতাংশ লোকক সামৰি এখন দেশ, এখন ৰেছন কাৰ্ড

## ৰাজহুৱা যাতায়ত

**১৮** হাজাৰ কোটি টকাঃ ৰাজহুৱা বাছ যাতায়ত ব্যৱস্থা উন্নয়নৰ বাবে

## ভাৰতীয় ৰেলৱে

**100%** ২০২৩ৰ ভিতৰত ১০০ শতাংশ ৰেলপথৰ বৈদ্যুতিকৰণ

১,১০,০৫৫ কোটি টকা ৰে'লৱেৰ বাবে ধাৰ্য কৰা হৈছে ইয়াৰে ১,০৭,১০০ কোটি মূলধন বিনিয়োগৰ বাবে





## জলেই জীৱন

**2.86** ঘৰুৱা পানীৰ টেপ সংযোগ

**₹2.87** লাখ কোটি টকীয়া জল জীৱন মিছন

## যাত্ৰা হ'ব সহজ

**₹1.18** লাখ কোটি টকা পথ পৰিবহন আৰু ঘইপথৰ বাবে

**8500** কিলোমিটাৰ পথৰ কাম ২০২২ চনৰ মাৰ্চত আৰম্ভ হ'ব

২০০০কোটি টকা ব্যয়ৰে দেশৰ প্ৰমুখ বন্দৰবোৰৰ উন্নয়নৰ বাবে পিপিপি আৰ্হিত ৭টা প্ৰকল্পৰ কাম শীঘ্ৰেই

২০২২ চনৰ জুন মাহৰ ভিতৰত ৱেষ্টাৰ্ণ ডেডিকেটেড ফ্ৰেইট কৰিড'ৰ আৰু ইষ্টাৰ্ণ ডেডিকেটেড ফ্ৰেইট কৰিড'ৰ স্থাপন কৰা হব।

### মেট্ৰ'লাইট আৰু মেট্ৰ'নিঅ'ৰ প্ৰৱৰ্তন

ৰাজহুৱা বাছ ব্যৱস্থাৰ উন্নীতকৰণৰ বাবে ১৮০০০ কোটি টকাৰ এখন নতুন আঁচনি।

চেন্নাইত ১১৮.৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ মেট্ৰ' প্ৰকল্পৰ বাবে ৬৩,২৪৬ কোটি টকাৰ আৱন্টন কৰা হৈছে আৰু কোচিত ১১.৫ কিলোমিটাৰ মেট্ৰ' প্ৰকল্পৰ বাবে ১,৯৫৭.০৫ কোটি টকাৰ আৱন্টন দিয়া হৈছে। প্ৰথম আৰু দ্বিতীয় খলপৰ চহৰ সমূহত মেট্ৰ'লাইট আৰু মেট্ৰনিঅ' নামেৰে দুবিধ নতুন প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হ'ব।

### গ্ৰাহকে নিজে নিৰ্বাচিত কৰিব পাৰিব শক্তি বিতৰণ কোম্পানী

শক্তি বিতৰণ প্ৰক্ৰিয়া উন্নত কৰাৰ বাবে ৩,০৫,৯৮৪ কোটি টকা ব্যয়েৰে এখন নতুন আঁচনি গ্ৰহণ কৰা হৈছে। সংস্কাৰ আৰু পাৰদৰ্শিতা সম্পৰ্কীয় শক্তি বিতৰণ খণ্ডৰ ভিত্তিত এই আঁচনি ৰূপায়নৰ প্ৰস্তাৱ লোৱা হৈছে। প্ৰতিযোগিতামূলক পৰিৱেশৰ বাবে একোটা খণ্ডত অন্ততঃ দুটা শক্তি বিতৰণ কোম্পানীক কাম কৰিবলৈ অনুমতি দিয়া হ'ব।

### জল জীৱন মিছন (নগৰীয়া) আঁচনি

জল জীৱন মিছন (নগৰীয়া) আঁচনিৰ জৰিয়তে ২.৮৬ কোটি ঘৰত পানীৰ টেপ সংযোগ কৰা হ'ব। ইয়াৰ ওপৰি ৫০০ "অমৰুট" চহৰত জুলীয়া আৱৰ্জনা নিষ্কাশনৰ ব্যৱস্থা কৰা হ'ব। ২০২১ৰ পৰা ২০২৬ৰ ভিতৰত নগৰীয়া স্বচ্ছ ভাৰত মিছন ২.০ প্ৰৱৰ্তন কৰা হ'ব।

### উজ্বলা আঁচনিত ১ কোটি নতুন পৰিয়াল অন্তৰ্ভুক্ত

উজ্বলা আঁচনিত ১ কোটি অতিৰিক্ত নতুন পৰিয়াল অন্তৰ্ভুক্ত কৰা হ'ব। অহা তিনি বছৰত ১০০ খন নতুন জিলা নগৰীয়া গেছ বিতৰণ ব্যৱস্থাৰ অন্তৰ্ভুক্ত কৰা হ'ব। জম্মু-কাশ্মীৰতো এটা গেছ পাইপলাইন প্ৰকল্প হাতত লোৱা হ'ব।

### কম খৰছী গৃহ নিৰ্মাণৰ ঘোষণা

কম খৰছী গৃহ নিৰ্মাণ সহজ কৰি তুলিবলৈ এনে ধৰণৰ প্ৰকল্পৰ বাবে টেক্স হ'লিডে আৰু এবছৰৰ বাবে বৃদ্ধি কৰা হৈছে। কম খৰছী ঘৰৰ বাবে সেৱা ঋণৰ ক্ষেত্ৰত ১.৫ লাখ টকাৰ অতিৰিক্ত সূত ৰেহাই দিয়াৰ প্ৰস্তাৱ ৰখা হৈছে। ▪



# সংস্কাৰৰ বাবে ভেক্চিন

**২,২৩,৮৪৬ কোটি টকাৰে এইখন এতিয়ালৈকে ভাৰতৰ বৃহত্তম স্বাস্থ্য বাজেট। যোৱা বছৰৰ তুলনাত এয়া ১৩৭ শতাংশৰ বৃদ্ধি।**

ভাৰতৰ সাধাৰণ বাজেটত স্বাস্থ্য খণ্ডই ইমান পুঁজি পোৱা এয়াই প্ৰথম। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মতে আত্মনিৰ্ভৰ ভাৰতৰ ছটা স্তম্ভৰ অন্যতম হৈছে স্বাস্থ্য আৰু কল্যাণ। বিগত বৰ্ষৰ ৯৪,৪৫২কোটি টকাৰ তুলনাত বাজেটত এই খণ্ডটোৰ বাবে এইবাৰ ১৩৭ শতাংশ পুঁজি বৃদ্ধিয়ে আত্মনিৰ্ভৰ ভাৰতৰ স্বপ্নক বাস্তৱায়িত কৰাৰ পথটোকেই সূচনা কৰিছে।

কৰ'না মহামাৰীৰ সময়ত পোৱা অভিজ্ঞতাৰ ভিত্তিত চৰকাৰে সংক্ৰামক বেমাৰ ধৰা পেলোৱা আৰু প্ৰতিৰোধৰ বাবে এটা শক্তিশালী ব্যৱস্থা প্ৰৱৰ্তনৰ ওপৰত গুৰুত্ব দিছে। এনে বেমাৰ ধৰা পোলোৱাৰ লগতে তথ্য আৰু পৰ্যবেক্ষণৰ বাবে ব্লক,জিলা আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষণাগাৰৰ এটা ব্যৱস্থা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।সকলো ৰাজ্য স্বাস্থ্য পৰ্টেলৰ আওতালৈ আহিব। চাৰিটা আঞ্চলিক ভাইৰ'ল'জী গৱেষণাগাৰ স্থাপন কৰা হ'ব। এতিয়ালৈকে একমাত্ৰ পুনেত এনে এটা গৱেষণাগাৰ আছে। ৩২ টা বিমান বন্দৰ, ১১ টা বন্দৰ আৰু ৭ টা লেণ্ড ক্ৰছিঙত থকা ৩৩ টা ইতিমধ্যে

## স্বাস্থ্যখণ্ডৰ আন্তঃগাঁথনি কিদৰে উন্নত হ'বঃ



**৩৫,০০০**
হাজাৰ কোটি টকা
ক'ভিদ ভেক্চিনৰ বাবে ধাৰ্য্য

**৩৩৮২ টা** ১১ খন ৰাজ্যত ব্লক পৰ্যায়ৰ ৰাজহুৱা স্বাস্থ্য কেন্দ্ৰ

**২৮৮১২ টা**
পিএম-আত্মনিৰ্ভৰ সুস্থ ভাৰত যোজনাৰ অধীনত গ্ৰাম্য আৰু নগৰীয়া স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ স্থাপন কৰা হ'ব



**১১ খন ৰাজ্যৰ প্ৰতিখন জিলাত সংহত জনস্বাস্থ্য গৱেষণাগাৰ**

**দেশজুৰি স্বাস্থ্যসেৱা আৰু মহামাৰীৰ পৰ্যবেক্ষনৰ বাবে ব্যৱস্থা গঢ়ি তোলা হ'ব**

অৱস্থিত ৰাজহুৱা স্বাস্থ্য কেন্দ্ৰৰ উন্নীতকৰণ কৰা হোৱাৰ লগতে অন্য ১৭টা নতুন ৰাজহুৱা স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা হ'ব। ১৫ টা স্বাস্থ্য সংক্ৰান্তীয় জৰুৰী অস্ত্ৰোপচাৰ কেন্দ্ৰ আৰু দুখন চলন্ত হাস্পাতাল দেশত স্থাপন কৰা হ'ব।

**₹64,180** কোটি টকা আগন্তুক ৬বছৰত প্ৰধানমন্ত্ৰী আত্মনিৰ্ভৰ সুস্থ ভাৰত অভিযানত খৰচ কৰা হ'ব

**4** ভিৰ'ল'জী বিভাগৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান স্থাপন কৰা হব। এতিয়া মাথো ১টা প্ৰতিষ্ঠানহে পুনেত আছে। ৯টা জৈৱ-সুৰক্ষা তৃতীয় খলপৰ গৱেষণাগাৰ স্থাপন কৰা হ'ব।

| | |
|---|---|
| **০৫**<br>০৫টা ৰোগ নিয়ন্ত্ৰণৰ বাবে থকা ৰাষ্ট্ৰীয় কেন্দ্ৰৰ (এনচিডিচি) শাখা | **২০**<br>২০টা মেট্ৰ'পলিটান স্বাস্থ্য নিৰীক্ষণ কেন্দ্ৰ |



## আয়ুস বাজেট বৃদ্ধি কৰা হৈছে

**আয়ুস মন্ত্ৰালয়ৰ বাবে বাজেটত ২৯৭০কোটি টকা ধাৰ্য। বিগত বৰ্ষৰ তুলনাত এয়া ৮৪৮কোটি টকাৰ বৃদ্ধি।**


**স্বাস্থ্য খণ্ডত অধিক গৱেষণাৰ বাবে উদগনি। প্ৰথমবাৰৰ বাবে দেশত শিশুৰ বাবে নিমুনীয়া ৰোগৰ ভেক্চিন দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব**

**আকৌ দুটা নতুন কৰ'না ভেক্চিনৰ কাম চলি আছে**

৩৫,০০০ কোটি টকা কোভিদ ভেক্চিন বাবে ৰখা হৈছে। বিত্ত মন্ত্ৰীৰ মতে, প্ৰয়োজন হ'লে অধিক ধন মোকলাই দিয়া হ'ব। বৰ্তমানলৈ দুটা ভেক্চিনক ভাৰতত ব্যৱহাৰৰ বাবে অনুমোদন জনোৱা হৈছে। আৰু শীঘ্ৰেই অন্য দুটা ভেক্চিন বজাৰলৈ আহিব। ১০০খনৰো অধিক দেশে ভেক্চিনৰ বাবে ভাৰতৰ সহায় বিচাৰিছে।

**প্ৰধানমন্ত্ৰী আত্ম-নিৰ্ভৰ সুস্থ ভাৰত যোজনাঃ** এই বাজেটে এখন নতুন কেন্দ্ৰীয় সাহাৰ্যত চলা আঁচনিৰ প্ৰস্তাৱ কৰিছে। আৰু সেয়া হৈছে প্ৰধানমন্ত্ৰী আত্মনিৰ্ভৰ সুস্থ ভাৰত যোজনা। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ ওপৰি এই নতুন আঁচনিৰ ওপৰত কাম হ'ব। এই আঁচনিত খৰচ হ'বলগীয়া ধনৰ পৰিমান হৈছে ৬৪,১৮০ কোটি। স্বাস্থ্য খণ্ডৰ প্ৰাথমিক, দ্বিতীয়ক তথা তৃতীয়ক খণ্ডবোৰ শক্তিশালী কৰাৰ বাবে কাম কৰা হ'ব।

**নিউম'ক্কেল ভেক্চিনে ৫০,০০০ শিশুৰ জীৱন ৰক্ষা কৰিবঃ** নিমুনীয়া ৰোগে শিশুক বাৰুকৈয়ে কষ্ট দিয়ে। এই ক্ষেত্ৰত দেশে গৱেষণাৰ কাম কৰি আছে। শীঘ্ৰেই নিমুনীয়া ৰোগৰ প্ৰতিষেধক দেশত মুকলি কৰা হ'ব। দেশতেই নিৰ্মীত এই ভেক্চিন বজাৰলৈ আহিলে ৫০,০০০ৰো অধিক শিশু প্ৰাণ ৰক্ষা পৰিব। এই মুহূৰ্তত কেৱল ৫খন ৰাজ্যত নিমুনীয়া প্ৰতিষেধকৰ প্ৰাৰম্ভিক কাম চলি আছে। ▪



# এমএছএমই খণ্ডক অধিক শক্তি

**দেশৰ অৰ্থনীতিক সজীৱ কৰিবলৈ এই বাজেটে এমএছএমই খণ্ডৰ বাবে ১৫,৭০০কোটি টকা ধাৰ্য কৰিছে, এয়া পূৰ্বৰ তুলনাত অধিক**





**০৫** কোটি নতুন কৰ্মসংস্থাপন



**৭খন নতুন টেক্সটাইল মেগা পাৰ্ক স্থাপন কৰা হ'ব। বস্ত্ৰ উদ্যোগৰ বাবে ভাল খবৰ**



**১.৯৭ কোটি টকা পিএলআইৰ আঁচনিৰ বাবে আগন্তুক ৫বছৰত ১৩টা খণ্ডত খৰচ কৰা হ'ব**



**৭৪%** বীমা খণ্ডত বৈদেশিক বিনিয়োগ বৃদ্ধি

ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ চমুকৈ এমএছএমই খণ্ড দেশৰ অৰ্থনীতিৰ মেৰুদণ্ডস্বৰূপ। কৰ'না মহামাৰীৰ সময়ত এই উদ্যোগখণ্ড সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছিল। এই কাৰণটোৰ বাবেই এইবাৰৰ বাজেটত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে এমএছএমই খণ্ডৰ সহায়ৰ বাবে বিশেষ গুৰুত্ব দিছে। উল্লেখ কৰাৰ প্ৰয়োজন আছে যে চৰকাৰে পুনৰবাৰ এছএমএমই কোনবোৰ উদ্যোগ হ'ব সেই ক্ষেত্ৰত নতুন নীতি-নিৰ্দেশনা জাৰি কৰিছে। উদ্যোগৰ ওপৰত কৰা বিনিয়োগ তথা উদ্যোগটোৰ পৰা হোৱা লাভৰ পৰিমাণৰ ভিত্তিত এই নিৰ্দেশনা জাৰি কৰা হৈছে। ইয়াৰ পূৰ্বে বিগত বৰ্ষৰ জুন মাহত সেয়া সালসলনি কৰা হৈছিল। এতিয়া নতুন নিৰ্দেশনা মতে লঘু উদ্যোগৰ বিনিয়োগৰ পৰিমান ৫০লাখৰ পৰা বৃদ্ধি কৰি ২কোটি কৰা হৈছে। এই পদক্ষেপে প্ৰায় ২ লাখ কোম্পানীক সহায় কৰিব। চৰকাৰে ২০২১-২২ বৰ্ষটোত "এমচিএ-২১ সংস্কৰণ ৩.০" শীৰ্ষক অভিযানৰ জৰিয়তে ডাটা এনালিটিকচ, কৃত্ৰিম বুদ্ধিমত্তা (আৰ্টিফিচিয়েল ইন্টিলিজেঞ্চ), ঔদ্যোগিক যন্ত্ৰ ব্যৱহাৰৰ শিক্ষা আদিৰ আৰম্ভনিৰ জৰিয়তে উদ্যোগ খণ্ডক সহায় কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ ওপৰি ডিজিটেল মাধ্যমত ই-নীৰিক্ষণ, ই-এডজুডিকেশ্বন(বিচাৰ), ই-কনছালটেশ্বন(পৰামৰ্শ) আৰু কম্পপ্লাইয়েন্স মেনেজমেন্ট(পৰিপালন ব্যৱস্থাপন)ৰ ওপৰতো চৰকাৰে গুৰুত্ব দিব। অৰ্থনীতিলৈ অৱদান আগবঢ়োৱাৰ লক্ষ্যৰে কেন্দ্ৰ চৰকাৰে এমএছএমইৰ বৃদ্ধিৰ হাৰ ৩০ৰ পৰা ৪০শতাংশলৈ বৃদ্ধি কৰাৰ ক্ষেত্ৰত কাম কৰাৰ সিদ্ধান্ত লৈছে। মুঠৰ ওপৰত ৰপ্তানিৰ ক্ষেত্ৰত এই হাৰ ৪৮ৰ পৰা ৬০ শতাংশ কৰাৰ বাবে চৰকাৰে কাম কৰিব।ইয়াৰ ওপৰতি বিনিয়োগকাৰীৰ স্বাৰ্থ আৰু লক্ষ্য সুৰক্ষিত কৰাৰ স্বাৰ্থত চৰকাৰে ইনভেষ্টৰ চাৰ্টাৰ লৈ অনাৰো পৰিকল্পনা কৰিছে। ষ্টাৰ্ট-আপবোৰৰ টেক্স হলিডে মানে কৰ দিয়াৰ পৰা বিৰত থকাৰ সময় অন্য এটা বছৰলৈ বৃদ্ধি কৰা হৈছে। লোহা আৰু এই উদ্যোগৰ সৈতে জৰিত হৈ থকা কেঁচা সামগ্ৰীৰ ক্ষেত্ৰত আমদানি শুল্ক হ্ৰাস কৰা হৈছে। লগতে এই বাজেটত ভাৰতীয় সৌৰ শক্তি নিগমলৈ ১০০০কোটি আৰু ভাৰতীয় নৱীকৰণ শক্তি উন্নয়ন এজেঞ্চীলৈ ১৫০০কোটিৰ বিত্তীয় পুঁজি আগবঢ়োৱা হৈছে।

**বস্ত্ৰ, চামৰা আৰু হস্তশিল্প উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচা সামগ্ৰীৰ ক্ষেত্ৰত আমদানি শুল্ক হ্ৰাস কৰা হৈছে যাতে এই সমূহ উদ্যোগৰ উৎপাদিত সামগ্ৰীৰ ৰপ্তানি বৃদ্ধি কৰিব পৰা যায়।**

# গৱেষণা আৰু কৌশল বিকাশক অধিক গুৰুত্ব

**ৰাষ্ট্ৰীয় শিক্ষা নীতিক প্ৰণয়নৰ বাবে অধিক গুৰুত্ব দিয়া হৈছে। কৌশলগত শিক্ষাক জনপ্ৰিয় কৰাৰ বাবে বিশেষ কৰ্যক্ৰম হাতত লোৱা হ'ব**




**৫০,০০০** | কোটি ৰাষ্ট্ৰীয় গৱেষণা ফাউণ্ডেশ্বনৰ বাবে

**জনজাতীয় এলেকাত ৭৫০খন আবাসিক একলব্য স্কুল।**



**১৫,০০০ খন বিদ্যালয় ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত শক্তিশালী কৰা হ'ব।**

ৰাষ্ট্ৰীয় শিক্ষা নীতিক গুৰুত্বসহকাৰে প্ৰণয়ন কাৰৰ বাবে চৰকাৰে বিশেষ গুৰুত্ব দিছে। এই নীতিৰ অধীনত বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়ন কৰা তথা গুণগত শিক্ষাৰ ওপৰত মন দিয়া হ'ব। বিশেষত কৌশলগত শিক্ষা প্ৰদান কৰাটো নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল উদ্দেশ্য। ইতিমধ্যে লেহত এখন নতুন কেন্দ্ৰীয় বিশ্ববিদ্যালয় খোলাৰ কথা ঘোষণা কৰা হৈছে। এই বাজেটত উচ্চ শিক্ষাৰ আয়োগ গঠন কৰাৰ বাবে সংসদৰ অধিৱেশনত এখন নতুন বিধেয়ক উত্থাপনৰ বাবেও প্ৰস্তাৱ দিয়া হৈছে। দেশত উচ্চ শিক্ষাৰ বিকাশৰ বাবে এই আয়োগে কাম কৰিব। কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসনে শিক্ষাখণ্ডৰ ক্ষেত্ৰত লোৱা পৰিকল্পনা, শাসন ব্যৱস্থা তথা প্ৰশাসনিক সিদ্ধান্তবোৰৰ লগতে শিক্ষণ প্ৰণালী-শিক্ষা পদ্ধতিৰ সহায়ক হোৱাকৈ নেশ্ব'নেল ডিজিটেল এডুকেশ্ব'নেল আৰ্কিটেকচাৰ-এনডিইএআৰ (ৰাষ্ট্ৰীয় ডিজিটেল শিক্ষাগত স্থাপত্য) শীৰ্ষক এক অনুষ্ঠানৰ আৰ্হিত কাম কৰা হ'ব। একেদৰে ৰাষ্ট্ৰীয় অনুবাদ মিছন শীৰ্ষক এক আঁচনিও আৰম্ভ যাৰ জৰিয়তে চৰকাৰী নীতি-নিৰ্দেশনা, সিদ্ধান্তবোৰ দেশৰ জনতাৰ আঞ্চলিক ভাষাবোৰলৈ লৈ যোৱা হ'ব। অনুসূচিত জাতিৰ বিদ্যাৰ্থীৰ বাবে পোষ্ট-মেট্ৰিক বৃত্তিৰো ব্যৱস্থা কৰা হৈছে।

**জনজাতীয় এলেকাত স্থাপন হ'বলগীয়া একলব্য ম'ডেল আবাসীয় স্কুলৰ ইউনিট ব্যয় ৩৮কোটিলৈ বৃদ্ধি কৰা হৈছে আৰু পাহাৰীয়া দুৰ্গম ঠাইত নিৰ্মাণ হবলগীয়া এই স্কুলৰ ব্যয় ৪৮কোটিলৈ বৃদ্ধি কৰা হৈছে।**

চৰকাৰে যুৱ প্ৰজন্মৰ কৌশল বিকাশৰ বাবে বিশেষ উদ্যোগ হাতত লৈছে।ঔদ্যোগিক আৰু প্ৰযুক্তিগত শিক্ষাৰ বাবে সংযুক্ত আৰব এমিৰেটছ(ইউএই) আৰু জাপানৰ সহযোগত উমৈহতীয়া প্ৰশিক্ষণ কাৰ্যসূচীও হাতত লোৱা হ'ব। ▪

## কৃষিখণ্ড

# শক্তিশালী কৃষিখণ্ডৰ বিকাশৰ লক্ষ্য



**উৎপাদন ব্যয়তকৈ ডেৰ গুণ অধিক মূল্যত উৎপাদিত সামগ্ৰীৰ নূন্যতম সমৰ্থন মূল্য, ২০২২ৰ ভিতৰত কৃষকৰ আয় দুগুণ কৰাৰ বাবে চৰকাৰৰ সিদ্ধান্ত**




**কপাহত ১০শতাংশ আমদানি শুল্ক বৃদ্ধি**
**(ঘৰুৱা উৎপাদনত অগ্ৰাধিকাৰ)**



**কৃষি ঋণৰ সীমা ১৬.৫লাখলৈ বৃদ্ধি, এতিয়া কৃষকে পাব অধিক ঋণ**
**মাইক্ৰ' ইৰিগেশ্যন ফাণ্ড।(লঘু জনসিঞ্চন পুঁজি) ১০,০০০কোটিলৈ বৃদ্ধি**

**পাঁচটা ডাঙৰ বন্দৰ- কোচি, চেন্নাই, বিশাখাপট্টনম, পাৰাদ্বীপ আৰু পেটুঘাটক অৰ্থনৈতিক কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰা হ'ব**

ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ। সেয়েহে এই দেশৰ অৰ্থনীতিও কৃষিৰ ওপৰত ভিত্তি কৰি চলে। সেয়েহে বিত্ত মন্ত্ৰীগৰাকীয়ে নিজৰ বাজেটত এনে কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছে যিবোৰে কৃষি খণ্ডৰ উন্নয়ন সাধন কৰাৰ লগতে ২০২২বৰ্ষৰ ভিতৰত কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ নিশ্চিতি প্ৰদান কৰিছে। বাজেটত কৃষিৰ বিকাশ যেনে আন্তঃগাঁথনি, শস্যৰ যোদান, ধানৰ সংৰক্ষণ, শীতলীকৰণ গৃহ আদিবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। কৃষি আন্তঃগাঁথনি পুজিৰ পৰা ধন লৈ এপিএমচিৰ আন্তঃগাঁথনি উন্নয়নত গুৰুত্ব দিয়া হ'ব। ২০২১-২২ৰ সাধাৰণ বাজেটত কৃষি খণ্ডৰ বাবে ১.৪৮লাখ কোটি টকাৰ আবন্টন দিয়া হৈছে। কৃষক উৎপাদন সংস্থাক (ফাৰ্মাৰ প্ৰ'ডিউচাৰ অ'ৰগেনাইজেশ্বন চমুকৈ এফপিঅ') দিয়া উদগনিয়ে কৃষকৰ আয় বৃদ্ধি কৰিব। অ'পাৰেশ্বন গ্ৰীণ যোজনাত অন্য ২২টা নতুন উৎপাদকৰো নাম সন্নিৰিষ্ট হৈছে। সামুদ্ৰিক শেলুৰৈৰ খেতিৰ বাবে চেন্নাইত বহুউপযোগী এখন পাৰ্ক নিৰ্মানৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। ইয়াৰ ওপৰি গ্ৰাম্য আন্তঃগাথনিৰ নামত ৪০হাজাৰ কোটি ধাৰ্য কৰা হৈছে আৰু অসম-পশ্চিমবংগৰ চাহ বাগিছাৰ শ্ৰমিকৰ বাবে এক হাজাৰ কোটি টকাৰ অনুমোদন জনোৱা হৈছে। অনলাইন ব্যৱস্থা ই-নামত ১০০০খন নতুন মণ্ডী সংযোজিত হ'ব। ▪

**মৎস্য আৰু উদ্ভিদ ক্ষেত্ৰৰ বিকাশৰ উদ্দেশ্যেৰে গ্ৰাম্যাঞ্চলৰ বিকাশ। "স্বামিতভা" আঁচনি সমগ্ৰ দেশত ৰূপায়ন কৰাৰ পৰিকল্পনা।**

# প্ৰতিৰক্ষা

## প্ৰতিৰক্ষা বাজেটত আৱন্টিত ধনৰ পৰিমান বৃদ্ধি ৪.৭৮লাখ কোটি টকাৰ আৱন্টন

**প্ৰতিৰক্ষা বিভাগক আধুনিকীকৰণ কৰাৰ প্ৰয়াস। ২০১৪ৰ তুলনাত দুগুণ হৈছে প্ৰতিৰক্ষা বাজেট। আত্মনিৰ্ভৰশীল ভাৰতৰ অধীনত দেশীয় উৎপাদনত অধিক গুৰুত্ব**



**₹4.78** লাখ কোটি প্ৰতিৰক্ষা বাজেট, ২০১৪ত এই পৰিমান আছিল ২.২৯লাখ কোটি

**18.75%** শতাংশৰ বৃদ্ধি। সেনা বিভাগসমূহৰ আধুনিকীকৰণত গুৰুত্ব।

**100** খন নতুন সৈনিক স্কুল খোলা হ'ব

এইবাৰৰ কেন্দ্ৰীয় বাজেটে দেশৰ প্ৰতিৰক্ষা বিভাগৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এইবাৰৰ বাজেটত সেনাৰ বিভাগসমূহৰ সৰ্বাঙ্গীন উন্নয়ন তথা আধুনিকীকৰণৰ বাবে বাজেটত পুঁজিৰ ব্যয়ৰ পৰিমাণ ১৮.৭৫ শতাংশলৈ বৃদ্ধি কৰা হৈছে। বিগত ১৫ বছৰৰ তুলনাত এয়া সৰ্বাধিক। ২০২১-২২ৰ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেটত প্ৰতিৰক্ষাৰ বাবে ৪,৭৮,১৯৫.৬২ কোটি টকা ধাৰ্য কৰা হৈছে।

**ডিআৰডিঅ'ক অধিক গৱেষণা আৰু সীমান্তত আন্তঃগাথনি নিৰ্মানৰ সহায়ৰে প্ৰতিৰক্ষাৰ দিশটো অধিক শক্তিশালী কৰাৰ বাবে বাজেটত গুৰুত্ব দিয়া হৈছে।**

- ২০২১-২২ বিত্তীয় বৰ্ষৰ বাবে ১,৩৫,০৬০.৭২ কোটি টকাৰ বৰ্ধিত কেপিটেল এক্সপেণ্ডিচাৰ(মূলধনৰ খৰচ)। এই বৰ্ধিত ৰাশিৰ ধন প্ৰতিৰক্ষা বিভাগৰ আধুনিকীকৰণ তথা আন্তঃগাঁথনি উন্নয়নৰ বাবে খৰচ কৰা হ'ব।
- ২০২১-২২ বিত্তীয় বৰ্ষৰ বাজেটত প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ প্ৰতিৰক্ষা সেৱা তথা অন্যান্য বিভাগবোৰৰ (প্ৰতিৰক্ষা পেন্সনক বাদ দি) বাবে ৩,৬২,৩৪৫.৬২ কোটি টকা ধাৰ্য কৰা হৈছে। এয়া ২০২০-২১ বিত্তীয় বৰ্ষৰ পুঁজিতকৈ ২৪,৭৯২কোটি বেছি।
- পৰিচালন সম্পৰ্কীয় প্ৰয়োজনবোৰ সম্পূৰ্ণ কৰিবলৈ অনা-বেতন ৰাজহৰ অন্তৰ্গত আৱন্টন বঢ়াই ৫৪,৬২৪.৬৭কোটিলৈ বৃদ্ধি কৰা হৈছে। ২০২০-২১বৰ্ষতকৈ এয়া ৬শতাংশ বেছি।
- ডিআৰডিঅ'লৈ মূলধনৰ আৱন্টন ১১,৩৭৫.৫০ কোটিলৈ বৃদ্ধি কৰা হৈছে।
- সীমান্ত পথ নিৰ্মাণ সংস্থালৈ (বিআৰঅ') ধন আৱন্টন ৬০০৪.০৮ কোটি টকালৈ বৃদ্ধি কৰা হৈছে।■

# নতুন দশকত স্থাপন হ'বলগীয়া স্বনিৰ্ভৰশীল ভাৰতৰ আধাৰ হৈছে এই বাজেটঃ বিত্ত মন্ত্ৰী

আত্মনিৰ্ভৰশীলতা অৰ্থাৎ স্ব-নিৰ্ভৰশীলতা, এয়া কেৱল ১৩০ কোটি ভাৰতীয়ৰ অনুভৱ নহয়, ই এতিয়া এটা স্বীকৃতিপ্ৰাপ্ত অভিধানিক শব্দ। এয়া কিজানি ভাৰতৰ ইতিহাসত প্ৰথম যে এইবাৰ সংসদত এনে এখন বাজেট উত্থাপন কৰা হৈছে যিয়ে আত্মনিৰ্ভৰশীলতাৰ স্বপ্নক বাস্তৱায়িত কৰাত সহায় কৰিব। বাজেটখন কি কাৰণত বেলেগ এই কথা নিউ ইণ্ডিয়া সমাচাৰৰ পৰামৰ্শদাতা সম্পাদক সন্তোষ কুমাৰৰ সৈতে হোৱা কথোপকথনত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে ব্যক্ত কৰে।

**"এয়া কোৱা হয় যে আন্তঃগাঁথনিমূলক কাম-কাজবোৰ সম্পূৰ্ণ কৰিবলৈ সময়ৰ প্ৰয়োজন হয় কিন্তু কৰ্মসংস্থাপনবোৰ সোনকালেই আৰম্ভ হৈ যাব। ইয়ে অৰ্থনীতিক শক্তি দিব।"**



**প্ৰ আত্মনিৰ্ভৰশীল ভাৰত অভিযানৰ আৰম্ভনিৰ পাছত দেশৰ এইখন প্ৰথমখন বাজেট। এই বাজেটে কিদৰে আমাক আত্মনিৰ্ভশীলতাৰ দিশত আগুৱাই নিব**

**উ** স্বনিৰ্ভৰশীলতা এটা মাথো ধাৰণা নহয়। এয়া সত্য। পৌৰাণিক ভাৰত সকলো ক্ষেত্ৰত আত্মনিৰ্ভৰশীল আছিল। লগতে ভাৰত আছিল বিশ্বৰ অভিকেন্দ্ৰ। গতিকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দেখা স্বপ্ন আত্মনিৰ্ভৰশীল ভাৰত দেশৰ ১৩০কোটি জনতাৰ স্বপ্ন। কিয়নো দেশৰ জনতাই তেওঁলোকৰ কৌশল আৰু ক্ষমতাৰ ওপৰত বিশ্বাস ৰাখে। বিগত বৰ্ষৰ মে' মাহত ভাৰতে আত্মনিৰ্ভৰশীল ভাৰত (এএনবি) ১.০ (প্ৰথম পৰ্যায়ৰ) পেকেজৰ কথা ঘোষণা কৰিছিল। পাছলৈ দ্বিতীয় আৰু তৃতীয় সংস্কৰণৰ ৰূপত এএনবি ২.০ আৰু এএনবি৩.০ৰ ঘোষণা কৰা হৈছিল। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত আমি ইমানদিনে সমাজত অবহেলিত হৈ অহা বিভিন্ন শ্ৰেণীৰ লোক, অন্যান্য খণ্ডবোৰত গুৰুত্ব দি সফলতা পাইছোঁ। প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনা, তিনিটাকৈ এএনবি পেকেজ আৰু পৰৱৰ্তী পৰ্যায়ত কৰা ঘোষণাবোৰ এক প্ৰকাৰৰ সৰু সৰু বাজেট। আত্মনিৰ্ভৰশীল পেকেজবোৰে দেশক গঠনমূলকভাৱে সহায় কৰিছে।

## “ক'ভিদ-১৯ ভাইৰাচৰ ভেক্‌চিন প্ৰস্তুতিৰ বাবে আমি ৩৫,০০০কোটি টকাৰ অনুমোদন জনাইছোঁ। যদিহে আৰু অধিক ধনৰ প্ৰয়োজন হয় তেন্তে সেয়াও আৱন্টন কৰাৰ বাবে মই প্ৰস্তুত”

প্ৰ&উ

**বাজেটৰ খঁচৰা প্ৰস্তুতিৰ সময়ত কোনবোৰ বিষয়ক অধিক গুৰুত্ব দিয়া হৈছিল?**

এই বাজেটখন ছটা স্তম্ভৰ ওপৰত প্ৰতিষ্ঠিত-

- স্বাস্থ্য আৰু কল্যাণ
- কায়িক আৰু বিত্তীয় মূলধন, আন্তঃগাঁথনি
- উচ্চাকাংক্ষী ভাৰতৰ সৰ্বাত্মক উন্নয়ন
- মানৱ মূলধনৰ সবলীকৰণ
- উদ্ভাৱন আৰু গৱেষণা তথা বিকাশ
- নূন্যতম চৰকাৰ আৰু সৰ্বাধিক সুশাসন।

**প্ৰ কৃষকৰ কল্যাণ আৰু অৰ্থনৈতিক দুৰ্বল শ্ৰেণীৰ লোকৰ উন্নয়নৰ দিশটোৰ ওপৰত গুৰুত্ব দিয়াটো এইখন চৰকাৰৰ মুখ্য কাম হৈ আহিছে। এই বাজেটে সেই দিশটো কিদৰে সামৰি লৈছে?**

উ কৃষকৰ কল্যাণৰ বাবে এই চৰকাৰ দায়বদ্ধ। প্ৰধানমন্ত্ৰীৰ দ্বাৰা ঘোষিত SVAMITVA আঁচনিৰ কথা এই ক্ষেত্ৰত উল্লেখ কৰাৰ প্ৰয়োজন আছে। এই আঁচনিৰ অধীনত গ্ৰাম্যাঞ্চলৰ কৃষকক মাটিৰ পট্টা দিয়া হৈছে। এতিয়ালৈ ১,২৪১ খন গাওঁৰ প্ৰায় ১.৮০লাখ লোকক মাটিৰ অধিকাৰ প্ৰদান কৰা হৈছে। মই এতিয়া এই আঁচনি সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ লৈ যোৱাৰ প্ৰস্তাৱ দিছোঁ। ২০২১-২২ বিত্তীয় বৰ্ষৰ বাবে মই কৃষকৰ ঋণৰ পৰিমান ১৬.৫লাখ কোটি টকালৈ বৃদ্ধি কৰিছোঁ। ইয়াৰ ফলত অধিক সংখ্যক খেতিয়কে ঋণ লৈ খেতি কৰিব পাৰিব। পশুপালন, মৎস্যপালন আৰু দুগ্ধ উদ্যোগখণ্ডলৈ আমাৰ সাহাৰ্য অধিক বৃদ্ধি কৰাৰ লক্ষ্য আছে। আমি ইয়াৰ লগতে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি ৩০হাজাৰ কোটিৰ পৰা বৃদ্ধি কৰি ৪০হাজাৰ কোটিলৈ লৈ গৈছোঁ। ৫ হাজাৰ কোটিৰ লঘু জনসিঞ্চন পুঁজিও (মাইক্ৰ' ইৰিগেশ্বন ফাণ্ড) সৃষ্টি কৰা হৈছে। মই এই পুঁজি আৰু অধিক বৃদ্ধি কৰাৰোঁ পোষকতা কৰোঁ।

খাদ্য সামগ্ৰীৰ সুৰক্ষা-পৰিবহন-বিক্ৰী সম্বন্ধীয় আঁচনি “অ'পাৰেশ্বন গ্ৰীণ স্কীম”ৰ অধিনত ইতিমধ্যে থকা বিলাহী, আলু আৰু পিঁয়াজৰ লগতে অন্য ২২টা সোনকালে নষ্ট হোৱা শাক-পাঁচলিজাতীয় খাদ্য সামগ্ৰীক অন্তৰ্ভূক্ত কৰা হৈছে। ই-নামৰ সফলতাৰ প্ৰতি লক্ষ্য ৰাখি এতিয়া আকৌ প্ৰায় হাজাৰ মণ্ডীক ই-নাম ব্যৱস্থাৰ সৈতে সংযুক্ত কৰা হ'ব। এপিএমচিবোৰক আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে কৃষি আন্তঃগাঁথনি পুঁজিৰ ধন ব্যৱহাৰ কৰা হ'ব।

অসংগঠিত খণ্ডত কাম কৰি থকা বনুৱা, শ্ৰমিক, কৰ্মীৰ কল্যাণৰ অৰ্থে মই এটা পৰ্টেল আৰম্ভ কৰাৰ বাবে প্ৰস্তাৱ দিছো। এই পৰ্টেলত প্ৰব্ৰজিত শ্ৰমিকৰ পৰা আৰম্ভ কৰি সকলো শ্ৰেণীৰ কৰ্মী যি অসংগঠিত খণ্ডত কাম কৰি আছে তেওঁলোকৰ তথ্য থাকিব। নূন্যতম মজুৰি দিয়া তথা বীমা আদিৰ এই সৈতে জৰিত কৰোৱাৰ বাবে এই পৰ্টেলৰ তথ্য আমাৰ কামত আহিব।

**প্ৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদায় যুৱ প্ৰজন্মৰ কথা উল্লেখ কৰি আহিছে। আত্মনিৰ্ভৰশীল ভাৰতৰ স্বপ্ন সাৰ্থক কৰাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ ভূমিকা আছে। আপুনি উত্থাপন কৰা বাজেটত এই দিশ কিদৰে সামৰি লোৱা হৈছে?**

উ যুৱ প্ৰজন্মৰ সুবিধাৰ্থে অধিক কৰ্মসংস্থাপনৰ কথা চিন্তা কৰি চৰকাৰে শিক্ষানবীচ (এপ্ৰেনটিছশ্বিপ) আইনখনক সংশোধন কৰিব বিচাৰিছে। বৰ্তমান থকা ৰাষ্ট্ৰীয় শিক্ষানবীচ (এপ্ৰেনটিছশ্বিপ) প্ৰশিক্ষণ আঁচনি চমুকৈ এনএটিএছখনক অধিক সূচল কৰি শিক্ষাৰ অন্তত লাভ কৰিবলগীয়া প্ৰশিক্ষণ, অভিযান্ত্ৰিক শাখাত ডিগ্ৰী-ডিপ্লমা থকা স্নাতকসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আদি কৰা হ'ব। ইয়াৰ বাবে ৩ হাজাৰ কোটি টকাৰ ধন বাজেটত নিৰ্ধাৰণ কৰা হৈছে।

**চৰকাৰে দীৰ্ঘম্যাদী নীতি-আঁচনি গ্ৰহণ কৰিছে। এইবোৰৰ সুফল লাহে লাহে পোৱা গৈছে। আমি নিশ্চিত কৰিব লাগিব।**

সংযুক্ত আৰব এমিৰেটছ চমুকৈ ইউএইৰ সৈতে সংযুক্তভাৱে কাৰিকৰী প্ৰশিক্ষণ, চাৰ্টিফিকেশ্বন আৰু কৰ্মসংস্থাপনৰ ওপৰত কাম কৰি থকা হৈছে। জাপানৰ সৈতেও সংযুক্ত হৈ ট্ৰেইনিং ইন্টাৰ-ট্ৰেইনিং প্ৰ'গ্ৰামৰ (টিআইটিপি) অধিনত কাম কৰি থকা হৈছে। ইয়াৰ জৰিয়তে জাপানী কাৰিকৰী কৌশলগত বিদ্যা ভাৰতীয় যুৱ প্ৰজন্মৰ সৈতে বিনিময় কৰি আমাৰ যুৱ প্ৰজন্ম কৰ্মসংস্থাপনৰ দিশত সহায় কৰা হৈছে। অনাগত দিনত আমি অন্য কেতবোৰ দেশৰ সৈতে এই একে প্ৰশিক্ষণ কাৰ্যসূচী হাতত ল'ম।

এই বৰ্ষটোত আমি উচ্চ শিক্ষাৰ দিশটো দেশত ভালদৰে চোৱাচিতা কৰিবলৈ ভাৰতীয় উচ্চ শিক্ষা আয়োগ শীৰ্ষক এটা সংস্থা স্থাপনৰ বাবে এখন নতুন বিধেয়ক অনাৰ বাবে বাজেটত প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।এই আয়োগে শিক্ষানুষ্ঠানৰ গুণগত দিশ, অনুমতি, শিক্ষা আৰু আন্তঃগাঁথনিৰ উন্নয়নৰ দিশটো পৰ্যবেক্ষণ কৰাৰ লগতে দায়িত্বত থাকিব। বৰ্তমান চৰকাৰৰ পৰা পোৱা অনুদান-সহায়ক এই আয়োগে ভালদৰে পৰ্যৱেক্ষণ কৰি উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰৰ মান উন্নত কৰাৰ বাবে কাম কৰিব। প্ৰথমে ৯খন চহৰত এই সন্দৰ্ভত কাৰ্যক্ৰম আৰম্ভ কৰা হ'ব। লাডাখত উচ্চ শিক্ষাৰ দিশটো উন্নত কৰাৰ বাবে লেহত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপনৰ প্ৰস্তুতি প্ৰায় শেষ কৰা হৈছে।

**প্ৰ এমএছএমই খণ্ডটো মহামাৰীৰ সময়ত ক্ষতিগ্ৰস্ত হৈছিল। এই খণ্ডটোৰ বাবে বাজেটে কি নতুন আনিছে?**

**উ** এই খণ্ডৰ বাবে নিশ্চিতভাৱে আমাৰ এই বাজেটত কেতবোৰ ভাল সিদ্ধান্ত আছে। কেঁচা সামগ্ৰীৰ আমদানি শুল্কত ৰেহাইৰ ঘোষণা কৰা হৈছে। এই বাজেটত লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ বাবে ১৫,৭০০কোটি টকা নিৰ্ধাৰন কৰা হৈছে।


**প্ৰ&উ**

**আপুনি প্ৰথমে এগৰাকী মহিলা হিচাপে প্ৰতিৰক্ষা মন্ত্ৰীৰ দায়িত্ব পালন কৰিছিল। আৰু এতিয়া বিত্ত মন্ত্ৰী। এই বাজেটত মহিলাৰ বাবে কি বিশেষ আছে?**

৮কোটি মহিলাক সহায় কৰা আঁচনি উজ্বলাই এতিয়া অন্য এক কোটি মহিলাক (পৰিয়ালক) সামৰি ল'ব। মহিলাসকলে কৰ্মসংস্থাপনত সুৰক্ষা পাব, নিশাৰ ভাগত ডিউটী কৰা মহিলাসকলৰ বাবেও সুৰক্ষাৰ দিশটো গুৰুত্ব দিয়া হৈছে। আমি অসম-পশ্চিম বংগৰ চাহ শ্ৰমিক বিশেষত মহিলা আৰু শিশুৰ কল্যানৰ বাবে এক হাজাৰ কোটি টকাৰ সাহাৰ্য ঘোষণা কৰিছোঁ। ষ্টাৰ্ট আপৰ ক্ষেত্ৰত আমি মহিলা উদ্যোগীৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছোঁ।

**প্ৰ নীতিৰ সংশোধনেৰে জনকল্যান এই চৰকাৰৰ মূলমন্ত্ৰ। এইবাৰৰ বাজেটত আমি এনে কোনবোৰ কথা দেখিম যিবোৰে নীতিৰ সংশোধনেৰে জনকল্যাণ কৰিব?**

**উ** ৪৩৭৮ পৌৰ নিগম-নিকায় অঞ্চলৰ ২.৮৬কোটি নগৰীয়া পৰিয়াললৈ বিশুদ্ধ খোৱা পানী যোগানৰ উদ্দেশ্যে জল জীৱন(নগৰ) আঁচনি মুকলি কৰা হ'ব। ৫০০ আমৰুট(AMRUT) চহৰত জুলীয়া আৱৰ্জনা নিস্কাষণ আঁচনিও গ্ৰহণ কৰা হৈছে। ২,৮৭,০০০কোটি টকা ব্যয়সাপেক্ষে এয়া আগন্তুক পাঁচ বছৰত সম্পূৰ্ণ কৰি তোলা হ'ব। আনহাতে ১,৪১,৬৭৮ কোটি টকাৰ খৰচেৰে নগৰীয়া স্বচ্ছ ভাৰত মিছনৰ দ্বিতীয় সংস্কৰণো আৰম্ভ কৰা হ'ব। ২২১৭ কোটি টকাৰ অনুদানেৰে চৰকাৰে ৪২টা নগৰীয়া কেন্দ্ৰত(কেইবা লক্ষাধিক জনসংখ্যা থকা ঠাই) বায়ু প্ৰদূষণৰ সমস্যা দূৰ কৰিবলৈ কাম কৰিব।



**যদিহে আমি স্বাস্থ্য খণ্ডৰ কথা উল্লেখ কৰোঁ তেন্তে এয়া জৰুৰী যে আমি পুষ্টি আৰু স্বচ্ছতাৰ কথা অন্তৰ্ভূক্ত কৰি কথাবোৰ আলোচনা কৰোঁ। জনকল্যাণৰ মহৎ উদ্দেশ্য আগত ৰাখি কাম কৰিছোঁ বাবেই আমি ভাবো যে লক্ষ্যত উপনীত হ'ম।**

**সকলো শ্ৰেণীৰ শ্ৰমিকৰ নূন্যতম মজুৰী নিশ্চিত কৰা হৈছে। তেওঁলোকক বীমা আঁচনিৰ সৈতেও সংযুক্ত কৰা হ'ব। আমি অসম-পশ্চিম বংগৰ চাহ শ্ৰমিক বিশেষত মহিলা আৰু শিশুৰ কল্যানৰ বাবে এক হাজাৰ কোটি টকাৰ সাহাৰ্য ঘোষণা কৰিছোঁ।**

**- নিৰ্মলা সীতাৰমণ, বিত্তমন্ত্ৰী**

ৰন্ধন গেছৰ বিতৰণ ব্যৱস্থা শক্তিশালী কৰা হৈছে। চহৰ গেছ বিতৰণ নেটৱৰ্কে ১০০ জিলাক সামৰি ল'ব। কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰক গেছ-পাইপলাইন প্ৰকল্পই সামৰি ল'ব। দেশত আন্তঃগাঁথনিৰ উন্নয়ন এই বাজেটৰ মুখ্য উদ্দেশ্য।

**প্ৰ ৰাজনীতিত স্বাস্থ্য খণ্ডৰ ওপৰত কেতিয়াও গুৰুত্ব দিয়া দেখা নগৈছিল। কিন্তু চৰকাৰে প্ৰথমবাৰৰ বাবে পিএমজেএৱাই আয়ুস্মান ভাৰতৰ দৰে আঁচনি ঘোষণা কৰি স্বাস্থ্য খণ্ডত কাম কৰাৰ সদিচ্ছা ব্যক্ত কৰিছে। এই বাজেটে স্বাস্থ্য খণ্ডক কিদৰে সামৰি লৈছে?**

**উ** এই বাজেটত স্বাস্থ্য খণ্ডত বিনিয়োগ অধিক বৃদ্ধি কৰাৰ বাবে কেতবোৰ ব্যৱস্থা হাতত লোৱা হৈছে। কোনো ৰোগৰ পৰা বাঁচি থকা, আৰোগ্য আৰু কল্যাণৰ দিশটোৰ ওপৰত আলোকপাত কৰিয়েই কাম কৰি থকা হৈছে। ৬৪,১৮০কোটি টকাৰ প্ৰধানমন্ত্ৰী আত্মনিৰ্ভৰ সুস্থ ভাৰত যোজনাই এই কথাকেই সদৰি কৰে। আগন্তুক ৬বছৰৰ বাবে এই ধনৰ আৱন্টন দিয়া হৈছে। এই আঁচনিয়ে স্বাস্থ্য খণ্ডক প্ৰতিটো দিশতেই সহায় কৰিব। বৰ্তমান মাথো ৫খন ৰাজ্যত দি থকা হোৱা নিমুনীয়া ৰোগৰ প্ৰতিষেধক শীঘ্ৰেই সমগ্ৰ দেশত দিয়া হ'ব। কোভিদ-১৯ ভেক্‌চিনৰ বাবে ইতিমধ্যেই ৩৫,০০০কোটি টকা আৱন্টিত হৈ গৈছে। ১৩৭শতাংশ বৃদ্ধিৰে এইবাৰ বাজেটত ২,২৩,৮৪৬কোটি টকা স্বাস্থ্য খণ্ডৰ বাবে ধাৰ্য কৰা হৈছে।

**প্ৰ ডিজিটেল অৰ্থনীতিৰ ক্ষেত্ৰত চৰকাৰৰ পৰিকল্পনা কি? এই ক্ষেত্ৰত চৰকাৰে কিধৰণে আহবাঢ়িছে আৰু কোনবোৰ পদক্ষেপ গ্ৰহণ কৰিছে?**

**উ** বিগত দিনবোৰত ডিজিটেল মাধ্যমত হোৱা লেনদেন যথেষ্ট বৃদ্ধি পাইছে। এই ক্ষেত্ৰত অধিক কাম কৰাৰ বাবে চৰকাৰে ১৫০০কোটি টকা আৱন্টন কৰিছে। ডিজিটেল লেনদেনক উসাহিত কৰাৰ বাবে এই ধন খৰচ কৰাৰ হব। ইয়াৰ ওপৰি চৰকাৰে ডিজিটেল পেমেন্টৰ ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ বাবে পদপথৰ ব্যৱসায়ীকো সাঙুৰি লৈছে। পদপথৰ ব্যৱসায়ী আত্মনিৰ্ভৰ নিধি-পিএমএছভিএনিধি আঁচনিৰ ঘোষণা কৰা হৈছে। এই আঁচনিৰ অধীনত পদপথৰ ব্যৱসায়ীসকলক ডিজিটেল লেনদেনৰ ওপৰত প্ৰশিক্ষণো দিয়া হৈছে। ▪

# চতুৰ্থ ঔদ্যোগিক বিপ্লৱঃ

# নতুন প্ৰযুক্তিৰ ব্যৱহাৰৰে মানৱতাৰ সহায়ৰ বাবে সাজু ভাৰত




ঔদ্যোগিক বিপ্লৱৰ সূচনা হৈছে। চতুৰ্থ ঔদ্যোগিক বিপ্লৱ নাম পোৱা এই অৰ্থনৈতিক উত্থানৰ ভেঁটি হৈছে ডিজিটাইজেশ্বন মানে ডিজিটেল পদ্ধতি। ভাৰতে বিশেষত বিগত ৬টা বছৰত এই ক্ষেত্ৰত উল্লেখযোগ্য কাম কৰিছে। বিশ্ব অৰ্থনীতি ফ'ৰামৰ(মঞ্চ) বাৰ্ষিক অধিৱেশনৰ ডাভ'চ কথাবাৰ্তাত ডিজিটেল মাধ্যমৰে সংযোগ স্থাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল পদ্ধতিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰাৰ লগতে এই প্ৰক্ৰিয়াই কিদৰে অৰ্থনীতিক সহায় কৰিব আৰু দৰিদ্ৰ শ্ৰেণীক সহায় কৰিব পাৰিব সেই বিষয়ত ফহিয়াই কয়।

নতুন ভাৰত গঢ়াৰ স্বপ্নক সফল কৰাৰ বাবে ভাৰতে লোৱা প্ৰচেষ্টাবোৰৰ মাজতে চতুৰ্থ ঔদ্যোগিক বিপ্লৱৰ এজেণ্ডাটো ভাৰতৰ বাবে আশীৰ্বাদস্বৰূপ হৈ পৰিছে। উল্লেখ্য যে বিশ্ব অৰ্থনৈতিক মঞ্চই স্থিৰ কৰা চতুৰ্থ ঔদ্যোগিক বিপ্লৱৰ আধাৰ হৈছে ডিজিটাইজেশ্বন মানে ডিজিটেল পদ্ধতিৰ ব্যৱহাৰৰে কৰা কাম-কাজ। ২০১৬চনৰ ডাভ'চ সন্মিলনত চতুৰ্থ ঔদ্যোদিক বিপ্লৱক মূল বিষয়বস্তু হিচাপে লোৱা হৈছিল। কৰ'না মহামাৰীৰ পাছৰ পৰ্যায়ত ডিজিটেল বিপ্লৱ সকলো দেশৰ বাবে জৰুৰী হৈ পৰিছে। বিগত ছয় বছৰত ভাৰতে আন্তঃগাঁথনি মূলত ডিজিটেল আন্তঃগাঁথনিৰ ওপৰত দিয়া বিশেষ গুৰুত্বই আজি ভাৰতক স্বনিৰ্ভৰশীল কৰি তুলিছে। দেশৰ চৰকাৰে এই ক্ষেত্ৰত কৰা পৰিশ্ৰমৰ বাবে আজি বিশ্বৰ প্ৰায়ভাগ দেশৰ বিনিয়োগকাৰীৰ পছন্দৰ ঠাই হৈ পৰিছে ভাৰত। প্ৰধানমন্ত্ৰীয়ে ২৮ জানুৱাৰী তাৰিখে ডাভ'চ ডায়লগত(কথাবাৰ্তা) অংশ লৈ কয় যে ভাৰতে বিশ্বক ব্যৱসায়ৰ বাবে বন্ধুত্বপূৰ্ণ আৰু সৌহাদ্যপূৰ্ণ পৰিৱেশ দিছে। ভাৰতৰ স্বনিৰ্ভৰশীলতাই বিশ্বৰ গোলকীকৰণ প্ৰক্ৰিয়াক শক্তিশালী কৰিব।

**প্ৰধামমন্ত্ৰীয়ে বিশ্বৰ প্ৰমুখ ৪০০কোম্পানীৰ শীৰ্ষ বিষয়াক নতুন ভাৰতৰ প্ৰতিশ্ৰুতি দিয়ে**

প্ৰধানমন্ত্ৰী সম্পূৰ্ণ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বৰ সফলতম উদ্যোগীৰ সৈতে মত বিনিময় কৰে

**ছীমেন্সৰ অধ্যক্ষ তথা মুখ্য কাৰ্যবাহী বিষয়া জ' কীচৰে আত্মনিৰ্ভৰশীল ভাৰতৰ ওপৰত প্ৰশ্ন কৰে।**

প্ৰশ্নত্তোৰৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জ' কীচৰৰ আত্মনিৰ্ভৰশীল ভাৰত অভিযানৰ ওপৰত কৰা প্ৰশ্ন সম্পৰ্কত আলোকপাত কৰে। প্ৰধানমন্ত্ৰীয়ে এই মন্তব্য কৰি কয় যে ভাৰতক উৎপাদন কেন্দ্ৰ হিচাপে গঢ় দিয়াৰ লগতে ৰপ্তানীৰো মূল কেন্দ্ৰস্থল হিচাপে স্থাপন কৰাটোৱে আত্মনিৰ্ভৰশীল ভাৰতৰ প্ৰধান উদ্দেশ্য। এই উদ্দেশ্য সফল কৰাৰ বাবেই ভাৰতে বস্তু আৰু সেৱা কৰ চমুকৈ জিএছটি হ্ৰাস কৰাৰ লগতে কৰ্পৰেট কৰ হ্ৰাস কৰিছে। ইয়াৰ ওপৰি সম্পূৰ্ণ কৰ ব্যৱস্থাক সৰলীকৰণ কৰা হৈছে। লগতে শ্ৰম আইন যথেষ্ট শিথিল কৰি দিয়া হৈছে যাতে ব্যৱসায়ৰ পথ সুগম হৈ পৰক। ব্যৱসায়ৰ সৰলীকৰণ বা ইজ অফ ডুয়িং বিজনেছৰ আধাৰত কোম্পানী আইনৰ কেইবাটাও শিতান ডিক্ৰিমিনেলাইজড কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে বিশ্বৰ প্ৰমুখ উদ্যোগপতিসকলক ভাৰতত ব্যৱসায় কৰিবলৈ আদৰনি জনোৱাৰ লগতে উৎপাদনৰ সৈতে সংযুক্ত হৈ থকা ইনচেনটিভৰ (উদগনি) (প্ৰডাকশ্বন লিংকড ইনচেনটিভ-পিএলআই) ২৬ বিলিয়ন ডলাৰৰ সুবিধাও লাভ কৰিবলৈ আহ্বান জনায়।

**এবিবিৰ মুখ্য কাৰ্যবাহী বিষয়া বয়ৰ্ণ ৰ'জেনগ্ৰেণে ভাৰতৰ আন্তঃগাঁথনি সন্দৰ্ভত প্ৰশ্ন কৰে।**

আন্তঃগাঁথনি হৈছে সকলোধৰণৰ উন্নয়নমূলক প্ৰকল্পৰ মূল আধাৰ। এই কথাটো উপলব্ধি কৰি সেয়েহে ভাৰত চৰকাৰে আন্তঃগাঁথনিৰ ওপৰত বিশেষ গুৰুত্ব দি আহিছে।

**প্ৰধামন্ত্ৰীয়ে কয়ঃ ভাৰত হৈছে যথেষ্ট আত্মবিশ্বাসী, নতুন সম্ভাৱনাৰ সৈতে নতুন উদ্যম, শক্তি**

আন্তঃগাঁথনিক প্ৰধান বিষয় হিচাপে লোৱা এই চৰকাৰে বিগত দিনবোৰত ৫৭,০০০ কিঃমিঃ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰে। ৫৮শতাংশতকৈ অধিক ৰে'ল-পথত বিজুলী সংযোগ কৰা হৈছে।

**২০১৮ চনৰ ডাভ'চ সন্মিলন প্ৰধানমন্ত্ৰীয়ে কৈছিল যে একবিংশ শতিকাত ভাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এতিয়া কৰনা মহামাৰীৰ পাছত এই কথা বিশ্বই প্ৰত্যক্ষ কৰিছে যে কিদৰে ভাৰতে নিজৰ শক্তিশালী স্থিতিৰ উমান দিছে**

ভাৰতে শক্তিখণ্ডত অতিৰিক্ত ৩৬গিগাৱাট শক্তি সংযোগ কৰিবলৈ সক্ষম হৈছে। ৰ'জেনগ্ৰেনৰ প্ৰশ্নৰ প্ৰত্যুত্তৰত প্ৰধানমন্ত্ৰীয়ে ভাৰতত বৰ্তমান চলি থকা একাধিক আন্তঃগাঁথনিমূলক প্ৰকল্পৰ নামো উল্লেখ কৰে। আৰু লগতে জনায় যে ৰাষ্ট্ৰীয় আন্তঃগাঁথনি পাইপলাইনত ২.৫ট্ৰিলিয়ন ডলাৰৰ প্ৰকল্পৰ কাম আগন্তুক পাঁচ বছৰত কৰা হ'ব। অৰ্থনৈতিক ক্ষেত্ৰসমূহৰ সংযোগীকৰণৰ ওপৰতো কাম কৰি থকা হৈছে আৰু লগতে তেওঁ এই কথাও ব্যক্ত কৰে যে মহামাৰীৰ পাছতো দেশত বৈদেশীক বিনিয়োগ ১৩শতাংশলৈ বৃদ্ধি পাইছে।

**মাষ্টাৰকাৰ্ডৰ মুখ্য কাৰ্যবাহী বিষয়া অজয় এছ বাংগাই সামগ্ৰিক বিত্তীয় পৰিৱেশৰ ওপৰত প্ৰশ্ন কৰে।**

বাংগাক উদ্দেশ্য কৰি প্ৰধানমন্ত্ৰীয়ে দেশৰ সামগ্ৰিক বিত্তীয় পৰিৱেশৰ কথা বিস্তাৰিতভাৱে কয়। তেওঁ কয় যে এমএছএমই খণ্ডক শক্তিশালী কৰিবলৈ সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে এই কথাও সদৰি কৰে দেশৰ কোটিৰো অধিক জনতাক পোনপটীয়াকৈ ধন যোগানৰ সুবিধা প্ৰদান কৰা হৈছে আৰু নাগৰিকে বেংকলৈ নোযোৱাকৈ এই সুবিধা গ্ৰহণ কৰিব পাৰিছে। ১৩ লাখ পদপথৰ ব্যৱসায়ীৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু তেওঁলোকক ডিজিটেল অৰ্থনীতিৰ অধীনলৈ আনি ঋণৰ ব্যৱস্থাও কৰা হৈছে। এমএছএমইৰ সংজ্ঞা সলনি কৰি ইয়াক অধিক শক্তিশালী কৰা হৈছে। বিশেষত প্ৰযুক্তিগত সহায়ত ই-মাৰ্কেট(জে-ই-এম) ব্যৱস্থাৰে ৪৫০,০০০এমএছএমইৰ অংশগ্ৰহণ চৰকাৰৰ উদ্যোগৰ শলাগ লৈছে।

**আইবিএমৰ অৰৱিন্দ কৃষ্ণাই ডিজিটেল প্ৰয়োজনীয়তাৰ ওপৰত প্ৰশ্ন কৰে।**

অৰৱিন্দ কৃষ্ণাৰ প্ৰশ্নৰ উত্তৰত প্ৰধানমন্ত্ৰীয়ে ডিজিটেল ব্যৱস্থাৰ কিমান প্ৰয়োজনীয়তা আৰু এই ডিজিটেল ব্যৱস্থাই আমাক কিদৰে সহায় কৰিছে সেই সম্পৰ্কত অধিক ফহিয়াই কয়। প্ৰধানমন্ত্ৰীয়ে লগতে এই কথা গৌৰৱেৰে কয় যে ডিজিটেল বিশ্বত ভাৰতৰ পৰিচয় সম্পূৰ্ণভাৱে সলনি হৈছে।

**স্বনিৰ্ভৰশলী ভাৰতে বিশ্ব অৰ্থনীতিক পুনৰ উদ্ধাৰ কৰিব। সাময়িক উন্নয়ন আৰু সবলীকৰণৰ জৰিয়তে চৰকাৰে পৰিৱৰ্তনৰ আশা কৰিছে।**

এতিয়া সকলো দিশৰ পৰা এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে যাতে সকলোৰে অংশগ্ৰহণেৰে, সহজলভ্যতাৰে আৰু বিশেষত ব্যৱহাৰকাৰীৰ পৰিচয় ৰক্ষাৰ মাধ্যমেৰে আগবঢ়া হৈছে। অৰৱিন্দৰ সৈতে হোৱা পূৰ্বৰ এটা কথোপকথনৰ কথা মনত পেলাই প্ৰধানমন্ত্ৰীগৰাকীয়ে এয়াও কয় যে যি সময়ত সমগ্ৰ বিশ্ব কৰ'না মহামাৰীৰ বাবে লকডাউনৰ(তলাবন্ধৰ) সম্মুখীন হৈ ঘৰতেই আৱদ্ধ হৈ থাকিবলগীয়া হৈছিল সেইসময়ত ডিজিটেল ব্যৱস্থাই দেশৰ নাগৰিকক যথেষ্ট সকাহ দিছিল। ■

# ভেকচিন মৈত্ৰী

## এতিয়া বিশ্বৰ বাবে ভাৰতত নিৰ্মীত মেড-ইন-ইণ্ডিয়া ভেকচিন

যি সময়ত কৰ'না ভাইৰাছে অন্য ৰাষ্ট্ৰক কোঙা কৰি ৰাখিছিল সেই সময়ত ভাৰতে নিজক সহায় কৰাৰ লগতে অন্য ৰাষ্ট্ৰকো শতিকাৰ অন্যতম দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ সাহস দি আছিল। চৰকাৰে এতিয়া দেশত বিশ্বৰ সৰ্ববৃহৎ কৰ'না টীকাকৰণ অভিযান আৰম্ভ কৰাৰ লগতে মেড-ইন-ইণ্ডিয়া ভেকচিন প্ৰতিৱেশী ৰাষ্ট্ৰৰ লগতে অন্য ৰাষ্ট্ৰকো দি সহায় কৰিছে





সকলোকে নিৰোগী কৰাৰ অৰ্থ ব্যক্ত কৰি সংস্কৃতত এষাৰী বাক্য আছে- সৰ্ব সন্তু নিৰাময়া, এই আপ্তবাক্যক সৰোগত কৰি ভাৰতে এতিয়া বিশ্বক সহায়ৰ হাত আগবাঢ়াইছে। ভাৰতে বিশ্বক এয়া দেখুৱাই দিছে যে কিদৰে মহামাৰীৰ দৰে পৰিস্থিতিত ব্যৱস্থাৱলী হাতত ল'ব লাগে। ইয়াৰ লগতে ভাৰতে নিজা উদ্যোগত এটা নহয়, দুটাকৈ ভেকচিন তৈয়াৰ কৰি দেশত বৃহত্তম টীকাকৰণ অভিযান আৰম্ভ কৰিও অভিলেখ গঢ়িছে। এতিয়া ভাৰতে নিজৰ ভেকচিন মৈত্ৰীৰ (ভেকচিন কূটনীতি) জৰিয়তে বিশ্ববাসীক আশাৰ বতৰা কঢ়িয়াই আনিছে।

### প্ৰথমে প্ৰতিৱেশীঃ

ভাৰতৰ প্ৰতিৱেশী আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক থকা ৰাষ্ট্ৰসমূহৰ অনুৰোধমৰ্মে এতিয়া দেশে ভেকচিন বিতৰনৰ কাৰ্যসূচী ২০জানুৱাৰী তাৰিখৰ পৰা আৰম্ভ কৰিছে। ভূটান, মালদ্বীপ, বাংলাদেশ, নেপাল, ম্যানমাৰ আৰু ছেচেলক ইতিমধ্যেই ভাৰতে ভেকচিন বিতৰণ কৰিছে। দেশৰ নাগৰিকৰ বাবে অপৰ্যাপ্ত টীকাৰ নিশ্চিতকৰণৰ পাছতহে দেশৰ চৰকাৰে ভেকচিন বিদেশী ৰাষ্ট্ৰলৈ প্ৰেৰণ কৰিছে।

> “
>
> ভাৰতৰ সফলতাক অন্য ৰাষ্ট্ৰৰ সৈতে তুলনা কৰি বিবেচনা কৰাটো উচিত নহ'ব।
>
> এয়া মনত ৰখা দৰকাৰ যে ভাৰতৰ জনসংখ্যা বিশ্বৰ জনসংখ্যাৰ ১৮শতাংশ।
>
> এই দেশে মানৱতাৰ খাতিৰত কৰ'না নিয়ন্ত্ৰণ কৰি সফলতা পাইছে।
>
> মহামাৰীৰ প্ৰাৰম্ভিক পৰ্যায়ত আমি পিপিই কিটচ, মাস্ক আদি প্ৰস্তুত কৰি বিতৰন কৰি আছিলোঁ আৰু এতিয়া দেশৰ চৰকাৰে ভাৰতীয় জনতাৰ খবৰ ভালদৰে লোৱাৰ ওপৰি
>
> সামগ্ৰীৰ ৰপ্তানীকৰণৰে বিশ্বৰ অন্য দেশৰো দায়িত্ব লৈছে। দেশত কৰ'না ভেকচিন অভিযান আৰম্ভ কৰাৰ লগতে অন্য দেশক কৰ'না ভেকচিন প্ৰেৰণ কৰা আৰু আন্তঃগাঁথনি তৈয়াৰ কৰাত সহায় কৰি আছে।
>
> **- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**

# বিশ্বৰ নিৰাময়কৰ ৰূপত ভাৰত




করনা মহামাৰীৰ আৰম্ভনিৰ সময়ৰ পৰাই ভাৰতে হাইড্ৰক্ল' ৰ' ক্লিন, ৰেমডেজিভিৰ, পেৰাচিটাম' ল ঔষধৰ লগতে ভেন্টিলেটৰ, মাস্ক, গ্লভচ আৰু অন্যান্য চিকিৎসা সম্বন্ধীয় সামগ্ৰী বিশ্বৰ কেইবাখনো দেশলৈ ৰপ্তানি কৰিছিল। ব্ৰাজিলৰ ৰাষ্ট্ৰপতি জেইৰ ব' লছেৰেনোৱে সঞ্জীৱনী কঢ়িয়াই নি থকা হনুমানৰ ছবি সম্বলিত কৰি এটা টুইট কৰি ভাৰত তথা ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনাইছিল।

প্ৰতিৱেশী ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপ্ৰধানসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তথা তেওঁৰ চৰকাৰক ক' ভিদ-১৯ৰ ভেকচিন অভিযান সফলতাৰে আৰম্ভ কৰাৰ সময়ত ধন্যবাদ জনাইছিল। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপাকছে তথা প্ৰধান মন্ত্ৰী মহিন্দা ৰাজাপাকছেই, মালদ্বীপৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম মহম্মদ চলিহ আৰু ভূটানৰ প্ৰধানমন্ত্ৰী ল' টে শ্বেৰিঙে ভাৰতক ধন্যবাদ জনোৱাৰ লগতে এই কথা ব্যক্ত কৰে যে ভাৰতে প্ৰস্তুত কৰা ভেকচিনে এই আশা কঢ়িয়াই আনিছে যে শীঘ্ৰেই বিশ্বত কৰ'না মহামাৰী শেষ হ'ব।

চৰকাৰী প্ৰতিবেদন মতে ৩১জানুৱাৰী পৰ্যন্ত ভাৰতে বিভিন্ন দেশক ৬৪ লাখ পালি ভেকচিন বিতৰন কৰিছে। ■

## কৰ'না ভেকচিন লোৱাৰ পাছত ডাক্তৰ, আগশাৰীৰ কৰ'না কৰ্মীয়ে সুৰক্ষাৰ নিশ্চিতি দিছে




কৰোনা বিৰুদ্ধে চলি যুঁজখনত ভাৰতে এতিয়া শক্তিশালী স্থিতিত অৱস্থিতি কৰিছে। ভাৰতে প্ৰস্তুত কৰা স্বদেশী ভেকচিন বিচাৰি বিভিন্ন দেশে ভাৰতক আবেদন জনাইছে। এই কাৰ্যই ভেকচিনৰ বিশ্বাসযোগ্যতা বৃদ্ধি কৰিছে। কেৱল এয়াই নহয়, ভাৰতত যিসকল ডাক্তৰ আৰু আগশাৰীৰ কৰ' না যোদ্ধাই ভেকচিন লৈছে তেওঁলোকে এই কথা ব্যক্ত কৰিছে যে কৰ' নাৰ ভেকচিন যথেষ্ট সুৰক্ষিত। ছত্তিশগড়ৰ ৰায়পুৰ মেডিকেল কলেজৰ এগৰাকী স্বচ্ছতা কৰ্মী তুলছা তাণ্ডীয়ে এই কথা কৈছে যে ভেকচিনৰ প্ৰথম পালি ঔষধ লোৱাৰ পাছত তেওঁ যথেষ্ট সুৰক্ষিত আৰু স্বাস্থ্যবান অনুভৱ কৰিছে। আজমগড়ৰ জিলা হস্পিটেলৰ ছেনিটাইজেশ্বন (স্বচ্চতা) কৰ্মী কেশা দেৱীয়েও এই মত পোষণ কৰিছে। সকলোৱে ভেকচিন ল'ব লাগে বুলি তেওঁলোকে কৈছে।

কৰনাৰ সৈতে যুঁজ দিয়া আগশাৰীৰ কৰ্মীসকলেই নহয়, এই ভেকচিন সম্পৰ্কত নিজৰ বিশ্বাস ব্যক্তি কৰিছে চিকিৎসক সমাজেও। গুজৰাটৰ আহমেদাবাদ অসামৰিক চিকিৎসালয়ৰ অতিৰিক্ত অধীক্ষক ডাঃ ৰাজনীশ পেটেলে ভেকচিন সন্দৰ্ভত নিজৰ বিশ্বাস ব্যক্ত কৰি এইবুলি কয় যে এয়া সকলোৱে ল'ব পাৰে।

## মাত্ৰ ১৮ দিনত ৪০লাখ লোকক টীকাকৰণেৰে ভাৰতে অভিলেখ গঢ়ে

এতিয়ালৈ ১৭ খন দেশলৈ ৬৪লাখ ভেকচিনৰ পালি পঠোৱা হৈছে

৬০খন অন্য দেশে ভেকচিন বিচাৰিছে

*(৩১ জানুৱাৰীলৈ দিয়া তথ্য মতে)*

### ভাৰতত টীকাকৰণ



**৪১,৩৮,৯১৮** জন লোকক ১৮দিনৰ ভিতৰত ভেকচিন দিয়া হৈছে

| সৰ্বমুঠ ৰোগী | সক্ৰিয় | সুস্থ হোৱাৰ হাৰ |
|---|---|---|
| ১,০৭,৭৭,২৮৪ | ১,৬০,০৫৭ | ৯৭.০৮% |



| সংক্ৰমণৰ হাৰ | মৃত্যুৰ হাৰ |
|---|---|
| ১.৪৯% | ১.৪৩% |

(স্বাস্থ্য মন্ত্ৰালয়ে ২ ফেব্ৰুৱাৰীলৈ দিয়া তথ্য মতে)

# পৰ্যটনক্ষেত্ৰ কেৱাড়িয়া

## চৰ্দাৰ পেটেলৰ ষ্টেটু অফ ইউনিটীলৈ দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ৮খন ৰে'লেৰে সংযোগ






ৰে'লেৰে যোগাযোগ এক সুচল পৰিবহন ব্যৱস্থা। ৰে'লৰ জৰিয়তে দেশৰ বিভিন্ন পৰ্যটন ক্ষেত্ৰৰ সংযোগ স্থাপন হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নতুনকৈ গঢ় লৈ উঠা পৰ্যটনস্থলী কেৱাড়িয়াৰ সৈতে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ৮ খন নতুন ৰে'লৰ চলাচল আৰম্ভ কৰা হৈছে। ষ্টেটু অফ ইউনিটী মানে ঐক্যতাৰ মূৰ্তি হিচাপে পৰিচিত চৰ্দাৰ পেটেলৰ প্ৰতিমূৰ্তি থকা স্থান গুজৰাটৰ কেৱাড়িয়াৰ সৈতে ৰে'লৰ যোগাযোগ সুগম কৰাটো এক উল্লেখনীয় পদক্ষেপ। কেৱাড়িয়া এতিয়া সৰু ঠাই হৈ থকা নাই কিয়নো বিশ্বৰ অন্যতম আকৰ্ষণীয় পৰ্যটনস্থলীলৈ ৰূপান্তৰ হৈছে কেৱাড়িয়া।

গুজৰাটৰ কেৱাড়িয়াত প্ৰতিষ্ঠা লাভ কৰা লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতিমূৰ্তিক ঐক্যতাৰ প্ৰতীকচিহ্ন হিচাপে জনা যায়। এই প্ৰতিমূৰ্তি স্থাপন হোৱাৰ পাছত বিগত দিনবোৰত ইয়ালৈ যথেষ্ট সংখ্যক পৰ্যটকৰ আগমন হৈছে। এতিয়া এই ঠাই ভাৰতৰ বিভিন্ন প্ৰান্তৰ সৈতে সংযোগ স্থাপন হৈছে। যোৱা ২১ জানুৱাৰী তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেৱাড়িয়াৰ সৈতে দেশৰ একাধিক গুৰুত্বপূৰ্ণ ঠাই সংযোগ কৰাৰ বাবে ৮খনকৈ ৰে'ল গাড়ীৰ শুভাৰম্ভনি কৰে। গুজৰাটৰ কেৱাড়িয়াস্থিত ষ্টেটু অফ ইউনিটীলৈ এতিয়া দিল্লী, বাৰাণসী, ৰেৱা, মুম্বাই, চেন্নাই, প্ৰতাপনগৰ আৰু আহমেদাবাদৰ পৰা ৰে'ল গাড়ীৰ পোনপটীয়া সংযোগ স্থাপন হৈছে। এয়া কেৱল এক নতুন আৰম্ভনিয়েই নহয়, এয়া হৈছে স্বাধীনতাৰ পাছত ভাৰতৰ দৰে বিশাল দেশক একেলগ কৰাৰ বাবে চৰ্দাৰজীয়ে লোৱা প্ৰচেষ্টাক সন্মান। কেৱাড়িয়া এতিয়া দেশৰ অন্যতম পৰ্যটনস্থলীলৈ ৰূপান্তৰ হৈছে।

উল্লেখ্য যে কেভাড়িয়া ৰে'ল ষ্টেচন হৈছে দেশৰ প্ৰথমটো গ্ৰীণ বিল্ডিং মানে পৰিৱেশ অনুকূল মানপত্ৰ পোৱা ৰে'ল ষ্টেচন।

**কেৱাড়িয়াৰ উন্নয়নত নতুন অধ্যায়ৰ সূচনা**

ঐক্যতাৰ প্ৰতীকচিহ্ন চাবলৈ এতিয়ালৈ প্ৰায় ৫০লক্ষাধিক পৰ্যটকৰ আগমন হৈছে। ৰাষ্ট্ৰ প্ৰতি সমৰ্পিত এই স্থানলৈ এইদৰে পৰ্যটক অহাটো এটা ভাল দিশ। কৰ'না মহামাৰীৰ বাবে বিগত কেইটামান মাহ বন্ধ হৈ থকাৰ পাছত এতিয়া এই স্থান পৰ্যটকৰ বাবে মুকলি কৰা হৈছে, আৰু লাহে লাহে ইয়ালৈ পৰ্যটকৰ সোঁত বৰলৈ আৰম্ভ কৰিছে।

## ভাৰতীয় ৰে'লৰ ইতিহাসত এয়া প্ৰথমবাৰৰ বাবে এনে হৈছে যে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা একেটা গন্তব্যস্থলীলৈ যোৱা ৮খন ৰেলৰ শুভাৰম্ভণি কৰা হয়




| | |
|---|---|
| কেৱাড়িয়াৰ পৰা বাৰাণসী | মহামানা এক্সপ্ৰেছ(সাপ্তাহিক) |
| দাদৰৰ পৰা কেৱাড়িয়া | দাদৰ-কেভাড়িয়া এক্সপ্ৰেছ(দৈনিক) |
| আহমেদাবাদৰ পৰা কেৱাড়িয়া | জনশতাব্দী এক্সপ্ৰেছ(দৈনিক) |
| কেৱাড়িয়াৰ পৰা হজৰত নিজামুদ্দিন | নিজামুদ্দিন-কেভাড়িয়া সম্পৰ্ক ক্ৰান্তি এক্সপ্ৰেছ (সপ্তাহত দুদিন) |
| কেৱাড়িয়াৰ পৰা ৰেৱা | কেৱাড়িয়া-ৰেৱা এক্সপ্ৰেছ (সাপ্তাহিক) |
| চেন্নাইৰ পৰা কেৱাড়িয়া | চেন্নাই-কেৱাড়িয়া এক্সপ্ৰেছ (সাপ্তাহিক) |
| প্ৰতাপনগৰৰ পৰা কেৱাড়িয়া | মীমু ৰে'ল (দৈনিক) |
| কেৱাড়িয়াৰ পৰা প্ৰতাপনগৰ | মীমু ৰে'ল (দৈনিক) |

# ৰে'ল যোগাযোগে সলনি কৰা ছবি

- ৰে' ল বিভাগে ঐক্যতাৰ প্ৰতীকি মূৰ্তিৰ পৰা ৫ কিঃমিঃ নিলগত নতুন কেৱাড়িয়া ৰেল ষ্টেশ্যন স্থাপনৰ কাম কৰি আছে।
- চান্দোড, ডাভই আৰু কেৱাড়িয়াৰ নতুন ষ্টেশ্যনবোৰ বিজ্ঞানসন্মতভাৱে আৰু স্থানীয় কলা-কুশলী ব্যৱহাৰৰে নিৰ্মাণ হৈ আছে। ৮০ কিঃমিঃ দৈৰ্ঘ্যৰ এই ৰে'ল-ট্ৰেক সম্পূৰ্ণভাৱে বৈদ্যুতিকৰণ কৰা হৈছে।
- প্ৰতাপনগৰ-ডাভইৰ মাজৰ ৰে'ল চলাচলৰ গতি ৭৫ কিঃমিঃ প্ৰতি ঘন্টাৰ পৰা ১১০ কিঃমিঃ প্ৰতিঘন্টালৈ বৃদ্ধি কৰা হৈছে, আৰু ডাভই-কেৱাড়িয়াৰ মাজৰ ৰে' ল চলাচলৰ গতি ১১০ কিঃমিঃ প্ৰতিঘন্টা কৰা হৈছে। প্ৰতাপনগৰ-কেৱাড়িয়াৰ মাজৰ গতি প্ৰতিঘন্টাত সৰ্বমুঠ ১৩০ কিঃমিঃ।

### প্ৰধানমন্ত্ৰীৰ ভাষণৰ কেইটামান গুৰুত্বপূৰ্ণ বিন্দুঃ

- পৰ্যটন ক্ষেত্ৰখনৰ উন্নয়নৰ ফলত জনজাতীয় যুৱকসকলে কৰ্মসংস্থাপন লাভ কৰাৰ লগতে আধুনিক ব্যৱস্থাবোৰ সহজতে লাভ কৰিছে।
- ৰে'ল খণ্ডত পোৱা এই সফলতা তথা আধুনিকৰণৰ অন্যতম কাৰক হৈছে ৰে'ল উৎপাদনৰ ক্ষেত্ৰত দেশে লাভ কৰা স্বনিৰ্ভৰশীলতা।
- দেশৰ ২০ খন ৰাজ্যৰ শতাধিক প্ৰতিভাৱান যুৱক-যুৱতীয়ে ৰে'ল খণ্ডৰ বৰ্তমান আৰু ভৱিষ্যত প্ৰযুক্তিৰ উন্নতিৰ বাবে কাম কৰি আছে।
- এই মুহূৰ্তই এই কথা প্ৰতিফলিত কৰে যে চৰ্দাৰজীৰ স্বপ্নই এতিয়া ৰে'ল বিভাগৰ উন্নয়নৰ জৰিয়তে বাস্তৱায়িত হৈছে।
- এটা জনজাতীয় আৰ্ট গেলাৰী আৰু এটা দৃশ্যমান গেলাৰী কেৱাড়িয়াত তৈয়াৰ কৰা হৈছে। এই দৃশ্যমান গেলাৰীৰ পৰা ষ্টেচু অফ ইউনিটী চাব পৰা যাব।
- এতিয়া ষ্টেচু অফ লিবাৰ্টী চাবলৈ যোৱা পৰ্যটকতকৈ ষ্টেচু অফ ইউনিটী চাবলৈ অহা পৰ্যটকৰ সংখ্যা বেছি।

**কেৱাড়িয়া ৰেল ষ্টেচনঃ এই ৰেল ষ্টেচন হৈছে দেশৰ ভিতৰত প্ৰথন ৰেল ষ্টেচন যিটোৰ পৰিৱেশ অনুকূল মানপত্ৰ আছে।**

- এই ষ্টেচনটোৰ গ্ৰীণ বিল্ডিং চাৰ্টিফিকেশ্বন আছে।
- দুটা পৰ্যায়ত থকা ষ্টেচনটোৰ প্ৰথম পৰ্যায়ত বাতানুকূল জিৰণি কোঠা আছে আৰু দ্বিতীয় পৰ্যায়ত ভিভিআইপি লাওঞ্জ আছে।

প্ৰধানমন্ত্ৰীৰ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক

চৰ্দাৰ বল্লৱভাই পেটেলৰ জনপ্ৰিয়তা তথা তেওঁৰ নামত তৈয়াৰ হোৱা ঐক্যতাৰ প্ৰতীকচিহ্নৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি কেৱাড়িয়ালৈ দেশৰ বিভিন্ন ঠাইৰ পৰা ৰে'ল চলাচল আৰম্ভ কৰা হৈছে। এতিয়া যাতাযত উন্নত হোৱাৰ পাছত এয়া আশা কৰা হৈছে যে আগন্তুক দিনবোৰত এদিনতে এক লাখ পৰ্যটক আহিব। অৰ্থনীতি আৰু পৰিৱেশ ৰক্ষাৰ এক উৎকৃষ্ট নিদৰ্শন হৈ পৰিছে কেৱাড়িয়া। ■



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোলকাতাৰ নেতাজী ভৱনলৈ(সুভাষ চন্দ্ৰ বসুৰ ঘৰ) গৈ শ্ৰদ্ধা জনোৱাৰ মুহূৰ্ত

# "নেতাজী হৈছে আত্মনিৰ্ভৰ ভাৰত, সোণাৰ বাংলাৰ বাবে প্ৰেৰণাৰ মূল উৎস"

নেতাজী সুভাষ চন্দ্ৰ বসুৰ অদমনীয় স্পীহা আৰু স্বাৰ্থহীন সেৱাক শ্ৰদ্ধা জনাই চৰকাৰে নেতাজীৰ ২৩ জানুৱাৰীৰ জন্মদিনটোক পৰাক্ৰম দিৱস হিচাপে পালন কৰাৰ বাবে সিদ্ধান্ত লৈছিল। এই সিদ্ধান্ত তেওঁ ১২৫ বছৰীয়া জয়ন্তীত লোৱা হৈছিল। জন্মবাৰ্ষিকীৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত কয় যে প্ৰতিটো সীমা অতিক্ৰম কৰি আজি বিশ্বৰ প্ৰতিখন দেশে নেতাজীয়ে সপোন দেখা শক্তিশালী ভাৰতবৰ্ষখনক দেখি আছে।

স্বাধীনতা সংগ্ৰাহত নেতাজী সুভাষ চন্দ্ৰ বসুৱে দেখুওৱা সাহস, পৰাক্ৰমক সন্মান জনাই এই বৰ্ষৰ পৰা দেশৰ চৰকাৰে তেওঁৰ জন্মদিন ২৩ জানুৱাৰীৰ দিনটো পৰাক্ৰম দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এনে কৰাৰ উদ্দেশ্য এটাই সেয়া হৈছে বিশেষত যুৱ প্ৰজন্মই নেতাজীৰ আদৰ্শ সৰোগত কৰি ধৈৰ্য্য সহকাৰে নিষ্ঠাৰে দেশপ্ৰেমৰ নিদৰ্শন আগবঢ়াব পাৰে। চৰকাৰে নেতাজীৰ জন্মবাৰ্ষিকী ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পালন কৰিছে। ২৩ জানুৱাৰীৰ দিনাখন নেতাজীৰ জন্মবাৰ্ষিকী উপলক্ষে ভিক্টোৰিয়া মেম'ৰিয়েলত অনুষ্ঠিত বৰ্ষজোৰা অনুষ্ঠানৰ প্ৰাৰম্ভিক অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে অংশ লয়। এই অনুষ্ঠানত নেতাজীৰ জীৱন আধাৰিত স্থায়ী প্ৰদৰ্শনী তথা প্ৰজেকশ্বন মেপিং শ্বো আৰম্ভ কৰা হয়। এই অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে কয় যে, আত্মনিৰ্ভৰশীল ভাৰতৰ লগতে সোণাৰ বাংলাৰ স্বপ্নদ্ৰষ্টা প্ৰকৃতাৰ্থত নেতাজীয়েই আছিল। ■

- জানুৱাৰী ২৩ তাৰিখত পৰাক্ৰম দিৱস হিচাপে পালন কৰিবলগীয়া ঘোষণাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ৰাজপত্ৰত প্ৰকাশিত নিৰ্দেশনা জাৰী কৰিছে।
- ৰেল মন্ত্ৰ্যালয়ে হাওৰা-কালকা মেইলৰ নাম নেতাজী এক্সপ্ৰেছ ৰাখিছে।
- প্ৰধানমনন্ত্ৰীয়ে এই উপলক্ষে নেতাজীৰ স্মৃতিত এটা মুদ্ৰা আৰু প'ষ্টেল ষ্টেম্প মুকলি কৰিছে।
- পৰাধীন ভাৰতত প্ৰথমবাৰৰ বাবে তিনিবৰণীয়া জাতীয় পতাকা উত্তোলন কৰাৰ সোঁৱৰণত ২০১৮ চনত ৭৫ বছৰীয়া বাৰ্ষিকী পালন কৰা হৈছিল। তাৰোপৰি আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ ৰছ দ্বীপৰ নাম নেতাজী সুভাষ চন্দ্ৰ বসু দ্বীপ, নীল দ্বীপৰ নাম শ্বহীদ দ্বীপ আৰু হেভলক দ্বীপৰ নাম স্বৰাজ দ্বীপ ৰখা হৈছে।

"

দেশে এই সিদ্ধান্ত গ্ৰহণ কৰিছে যে এতিয়াৰ পাৰ আমি প্ৰতিবছৰে নেতাজীৰ জন্মদিনটোক পৰাক্ৰম দিৱস হিচাপে পালন কৰিম। আজি দেশে যেতিয়া স্বাধীনতাৰ ৭৫টা বছৰ অতিক্ৰম কৰিবলৈ লৈছে তেনে সময়ত আমাৰ আত্মনিৰ্ভৰশীল ভাৰত, শক্তিশালী ভাৰত স্বপ্ন সাৰ্থক কৰাৰ আঁৰত নেতাজীৰ আদৰ্শ, অনুপ্ৰেৰণা আমাৰ সৈতে আছে।

**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী।**

প্ৰধানমন্ত্ৰীৰ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক




# নতুন অৱতাৰত পিএমকেভিৱাই

**কৌশল বিকাশ যোজনাৰ অধীনত নতুন আধুনিক কৌশল শিকোৱা হ'ব, ইয়াৰ জৰিয়তে ভাৰতক বিশ্বৰ দক্ষতাৰ ৰাজধানী হিচাপে ৰূপান্তৰ কৰা হ'ব**

কৰ'না মহামাৰীয়ে বিশ্বত লৈ অনা পৰিৱৰ্তনে অৰ্থনীতিৰ ওপৰত প্ৰভাৱ পেলোৱাৰ লগতে মানৱ জীৱনৰ দক্ষতা তথা কৌশলৰ পৰিভাষাও বিশেষ ধৰণে সলনি কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ন-ৰূপত আৰু কেতবোৰ সালসলনিৰ পাছত নতুনকৈ প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা ৩.০ৰ(তৃতীয় সংস্কৰণ) আৰম্ভনি কৰিছে। স্থানীয় আৰু বিশ্বজনীন ক্ষেত্ৰত সলনি হোৱা কৌশলগত ভাৱধাৰাৰ প্ৰতি লক্ষ্য এই নতুন আঁচনি ৰূপায়ন কৰা হৈছে। এই আঁচনিৰ অধীনত ৯৪৯কোটি ব্যয়ৰে প্ৰায় ৮লাখ যুৱক-যুৱতীক মহামাৰীৰ পাছত পৰ্যায়ৰ পৃথিৱীৰ বাবে প্ৰয়োজনীয় কৌশল সম্পৰ্কত প্ৰশিক্ষণ দিয়া হ'ব।

জম্মু-কাশ্মীৰৰ দশকজুৰি থকা সমস্যাবোৰৰ পাছতো সেই অঞ্চলৰ যুৱক সমীৰ আহমেদ নজৰ এতিয়া পেছাগতভাৱে চুলিৰ সৌন্দৰ্যবৰ্ধন বিশেষজ্ঞ। তেওঁ এতিয়া অৰ্থনৈতিকভাৱে সবল হোৱাৰ লগতে আত্মনিৰ্ভৰশীল। তেওঁ ইয়াৰ বাবে প্ৰধান মন্ত্ৰী কৌশল বিকাশ যোজনাক ধন্যবাদ জনাইছে। প্ৰীতম আৰু তেওঁৰ বন্ধুবৰ্গৰ বাবেও কথাবোৰ একেই আছিল। জীৱন নিৰ্বাহৰ বাবে তেওঁলোকৰ অসুবিধা হৈ আছিল। কিন্তু পিএমকেভিৱাইৰ অধীনত তেওঁলোকে যেতিয়া ৱেল্ডিঙৰ কামৰ প্ৰশিক্ষণ লাভ কৰিলে তাৰ পাছত তেওঁলোকৰ জীৱন সলনি হৈছে। এতিয়া ডাঙৰ উদ্যোগৰ সৈতে তেওঁলোক জৰিত হৈ আছে। প্ৰীতমে কয় যে প্ৰশিক্ষণ পোৱাৰ আগতে তেওঁ আৰু বন্ধুসকলে কেৱল ৮হাজাৰ টকাহে আয় কৰি আছিল কিন্তু এতিয়া তেওঁলোকে চৰকাৰৰ পৰা প্ৰশিক্ষণ পোৱাৰ পাছত ডাঙৰ কোম্পানীত কাম কৰিবলৈ সুবিধা পাইছে আৰু লগতে আন কেতবোৰ সুবিধাৰ বাট তেওঁলোকৰ বাবে মুকলি হৈছে। এয়া সম্ভৱ হৈছে একমাত্ৰ পিএমকেভিৱাইৰ বাবে।

কাৰিকৰী প্ৰশিক্ষণ তথা অন্যান্য প্ৰশিক্ষণে কিদৰে যুৱপ্ৰজন্মৰ জীৱন সলনি কৰিছে সেই সম্পৰ্কত এইসমূহ হৈছে মাথো কেইটামান উদাহৰণ।

কিন্তু কৰ'না ভাইৰাছৰ প্ৰাদুৰ্ভাৱৰ পাছত কেতবোৰ কথা সলনি হৈছে। ভাইৰাছৰ পৰৱৰ্তী পৰ্যায়ত আমি কেতবোৰ নতুন কথা শিকিবলৈ আৰম্ভ কৰিছোঁ আৰু একেদৰে ন-ন কৌশলৰ প্ৰয়োজনীয়তা আহি পৰিছে। ইয়াৰ বাবেই চৰকাৰে চৰকাৰে পিএমকেভিৱাই তৃতীয় সংস্কৰণ মুকলি কৰিছে। ইয়াৰ অধীনত প্ৰায় ৩০০ৰো অধিক বিভিন্ন কৌশলগত প্ৰশিক্ষণ যুৱক-যুৱতীসকললৈ আগবঢ়োৱা হ'ব। ■


### পিএকেভিৱাই ৩.০ ই আকাংক্ষাৰ ভাৰতৰ আশা প্ৰতিফলিত কৰে

- ৬০০জিলাক সামৰি এই পিএমকেভিৱাই ৩.০ মুকলি কৰা হৈছে।
- আত্মনিৰ্ভৰশীল ভাৰতৰ শ্লোগানৰে এয়া ৩৭টা খণ্ডৰ তিনিশৰো অধিক পাঠ্যক্ৰমৰ মাজেৰে ২৮খন ৰাজ্য আৰু ৮খন কেন্দ্ৰীয় শাসিত অঞ্চলত আৰম্ভ কৰা হৈছে।
- ১৫-৪৫বয়সৰ মাজৰ স্কুলীয়া শিক্ষা আধাতে এৰা তথা নিবনুৱা লোকক প্ৰশিক্ষণ দিয়াৰ লক্ষ্য।
- পিএমকেভিৱাই ৩.০ত প্ৰায় ৭২৯খন প্ৰধান মন্ত্ৰী কৌশল বিকাশ কেন্দ্ৰ, একাধিক অ-পঞ্জীকৃত পিএমকেকে, ২০০ৰো অধিক আইটিআই সামৰি লোৱা হ'ব।
- প্ৰশিক্ষণৰ লগতে প্ৰশিক্ষাৰ্থীয়ে নিয়োগৰ সুবিধাও লাভ কৰিব।
- জিলা কৌশল কমিটিসমূহৰ ওপৰত বিশেষ গুৰুত্ব।



শ্যামা প্ৰসাদ মুখাৰ্জী ৰুৰবান মিছন (এছপিএমআৰএম)

# ৰুৰবান মিছনঃ গ্ৰাম্য ভাৰতৰ বাবে নগৰীকৰণ আঁচনি



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ ভাষণ প্ৰসংগত বাবে বাবে সহজ জীৱন ধাৰণ মানে ইজ-অফ-লিভিঙৰ ওপৰত আলোকপাত কৰি আহিছে। কিন্তু তেওঁ সা-সুবিধাবোৰ কেৱল নগৰ অঞ্চলতেই সীমাৱদ্ধ থকাৰ ওপৰত গুৰুত্ব দিয়া নাই, দেশৰ জনসংখ্যাৰ ৬৮শতাংশ যি গ্ৰাম্য অঞ্চলত বাস কৰে তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবেও গুৰুত্ব দি আহিছে। গ্ৰামাঞ্চলৰ বাসিন্দ সকলো সুবিধা পোৱাৰ প্ৰতিশ্ৰুতিৰে শ্যামা প্ৰসাদ মুখাৰ্জী ৰুৰবান মিছন (এছপিএমআৰএম) আৰম্ভ কৰা হৈছে।

ভাৰতৰ গ্ৰামাঞ্চলত বাস কৰা লোকসকলেও ভাল শিক্ষা, ভাল চিকিৎসা সেৱা, বিশুদ্ধ খোৱাপানীৰ লগতে অন্যান্য সা-সুবিধাবোৰ পোৱাটো আশা কৰে। কিন্তু গাওঁবোৰত এই সুবিধাবোৰ নথকাৰ বাবে আজি অধিকাংশ লোক চহৰলৈ আহিবলৈ বিচাৰে। কিন্তু গ্ৰামাঞ্চলত সুবিধাবোৰ কিয় নাই, এই কথাটোৱে তেওঁলোকক দুখ দিয়ে। গাওঁবাসীৰ এই সমস্যাৰ সমাধানৰ বাবেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্যামা প্ৰসাদ মুখাৰ্জী ৰুৰবান মিছন চমুকৈ এছপিএমআৰএমৰ শুভাৰম্ভনি কৰিছে।

# ৰুৰবান কিদৰে প্ৰস্তাৱিত হৈছে

প্ৰাক্তন ৰাষ্ট্ৰপতি এপিজে আব্দুল কালামে এটা সপোন দেখিছিল। তেওঁ ভাৱিছিল যে গ্ৰাম্য অঞ্চলবোৰ সলনি কৰিব পৰা যায় যদিহে সেইবোৰক চাৰিটা উপাদানেৰে উপকৃত কৰিব পৰা যায়। সেইকেইটা হৈছে- গ্ৰামাঞ্চলৰ সৈতে বাস্তৱিক যোগাযোগ, বৈদ্যুতিক যোগাযোগ, বিদ্যাৰ যোগাযোগ আৰু অৰ্থনৈতিক যোগাযোগ। এই উপাদানবোৰক লৈ তেওঁ আৰবান এমেনিটিজ ইন ৰুৰেল এৰিয়া(পুৰা)-গ্ৰামাঞ্চলত নগৰীয়া সুবিধা শীৰ্ষক আঁচনিৰ কথা চিন্তা হৈছিল কিন্তু সেয়া বিফল হ'ল আৰু তাৰ পাছত ৰুৰবান আৰম্ভ কৰা হ'ল।

- বিগত পাঁচ বছৰত প্ৰায় ৩০০ৰুৰবান গুচ্ছ প্ৰস্তুত কৰিছে। আগন্তুক তিনিটা বছৰত অন্য একহাজাৰ ৰুৰবান গোট সৃষ্টি।
- ৰুৰবান গোট সৃষ্টি মূল উদ্দেশ্য হৈছে এয়াই যে এইসমূহ এলেকাক নগৰৰ সমান্তৰালকৈ উন্নয়ন কৰা হওক কিন্তু গ্ৰাম্য অঞ্চলৰ সুবাস-পৰিৱেশ কাম্য হৈ থাকক।
- প্ৰথম পাঁচ বছৰত ৩০০গোট ৰুৰবান(একাধিক এলেকাৰ সমষ্টি) সৃষ্টি উদ্দেশ্য আছিল। শেহতীয়া পৰিসংখ্যমতে চৰকাৰে ২৯৬টা অন্য ৰুৰবান গুচ্ছ(ক্লাষ্টাৰ) স্থাপনৰ অনুমোদন দিছে।
- ৰুৰবান ক্লাষ্টাৰ বা গুচ্ছ অৰ্থ এয়াই যে ই ১৫-২০খন গাওঁক সামৰি লয় আৰু প্ৰায় ৩০-৪০লাখ জনসংখ্যা ইয়াত থাকে। গ্ৰাম পঞ্চায়তৰ পৰিচালনাৰে এইসমূহ এলেকাৰ উন্নয়নৰ ওপৰত গুৰুত্ব দি অহা হৈছে।
- গ্ৰাম-পঞ্চায়ত মন্ত্ৰ্যালয়ৰ অধীনত তথা সহায়ত এই ৰুৰবান ক্লাষ্টাৰসমূহ গঠন কৰা হৈছে আৰু এই এলেকাসমূহৰ উন্নয়ন, বিকাশৰ বাবে প্ৰয়োজনীয় সকলো দিশ এই মন্ত্ৰ্যালয়ে চোৱাচিতা কৰিছে। গ্ৰাম্য অঞ্চলৰ উন্নয়নৰ বাবে অৰ্থনৈতিক, বিজ্ঞানসন্মত, জনসংখ্যা, পৰ্যটন, শিক্ষা আদি বিভিন্ন দিশ সামৰি লোৱা হৈছে।
- এই এলেকাসমূহক ৰুৰবান আঁচনিৰ জড়িয়তে উন্নয়ন সাধন কৰা হ'ব। ইয়াৰ বাবে স্থানীয় পৰ্যায়ত উদ্যোগীৰ বিকাশ, প্ৰশিক্ষণৰ ব্যৱস্থা, অৰ্থনৈতিক কাম-কাজৰ ব্যৱস্থাৰে সামগ্ৰিক উন্নয়ন সম্ভৱ কৰি তোলা হয়।



**"এই আঁচনিয়ে সমগ্ৰ দেশৰ জনতাক সহায় কৰাৰ লগতে প্ৰতিটো অঞ্চলক উপকৃত কৰিব। আৰু লাহে লাহে নগৰ অঞ্চলৰ ওপৰত থকা চাপ হ্ৰাস পাব। নগৰীকৰণৰ বেয়া দিশবোৰ নাইকীয়া হব। গ্ৰামাঞ্চলৰ লোক অনাহকত চহৰলৈ যাবলৈ পচন্দ নকৰিব। কেইবাখনো গাওঁৰ মাজত এখন নগৰৰ সৃষ্টি হব আৰু এই নতুন চহৰ সকলো ধৰণৰ সুবিধাৰে অৰ্থনৈতিক কেন্দ্ৰ হৈ পৰিব। মই ভাৱো যে অনাগত দিনত ৰুৰবান আঁচনিয়ে সমগ্ৰ দেশকেই উপকৃত কৰিব।**

**নৰেন্দ্ৰ মোদী। প্ৰধানমন্ত্ৰী।**

চণ্ডীশগড়ত ২০১৬চনৰ ২১ ফেব্ৰুৱাৰী তাৰিখে প্ৰধানমন্ত্ৰীয়ে এই আঁচনিৰ আৰম্ভনি কৰিছিল। তেওঁ কৈছিল, "যদিহে স্মাৰ্ট চহৰ সম্ভৱ তেন্তে স্মাৰ্ট গাওঁ কিয় সম্ভৱ নহয়?"

এই আঁচনিৰ নাম ডঃ শ্যামা প্ৰসাদ মুখাৰ্জীৰ নামেৰে নামকৰণ কৰা হৈছে। ইংৰাজীৰ আৰবান শব্দটোৰ লগত সংগতি ৰাখি গ্ৰামাঞ্চলৰ কথা মনত ৰাখি ৰুৰবান শব্দটো সৃষ্টি কৰা হৈছে। এই আঁচনিৰ দ্বাৰা আৰ্থনৈতিক, সামাজিক, কায়িকভাৱে আন্তঃগাঁথনিৰ উন্নয়নেৰে গ্ৰামাঞ্চলৰ উন্নয়নৰ ওপৰত গুৰুত্ব দিয়া হৈছে আৰু তেনেদৰে কাম কৰা হৈছে।

দেশৰ প্ৰকৃত উন্নয়নৰ বাবে আমি গ্ৰামাঞ্চলৰ উন্নয়নৰ ওপৰত গুৰুত্ব দিয়াটো প্ৰয়োজনীয়। কেৱল নগৰ বিকাশৰ ওপৰত গুৰুত্ব দি থাকিলে প্ৰকৃত বিকাশ সম্ভৱ নহয়। নগৰৰ লগতে গ্ৰামাঞ্চলৰ বিকাশে সাধাৰণ ৰাইজক চহৰলৈ অনাহকত আহি কষ্ট খাবলৈ নিদিয়ে, সেয়েহে গাওঁ অঞ্চল-নগৰ অঞ্চলৰ সম-উন্নয়ন প্ৰয়োজনীয়। তৃণমূল পৰ্যায়ত উন্নয়নৰ গুৰুত্ব কথা দোহাৰি প্ৰধানমন্ত্ৰীয়ে কয় যে "ৰুৰবান মিছনৰ চিন্তা কৰাৰ মূল ভেঁটিটোৱেই হৈছে গাওঁবোৰক উন্নয়নৰ কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰা। এই আঁচনিৰ উদ্দেশ্য হৈছে গ্ৰামাঞ্চলক অৰ্থনৈতিকভাৱে সবল কৰাৰ লগতে ক্ষুদ্ৰ বজাৰৰ সৃষ্টি কৰা যাৰ ফলত প্ৰতিখন ঠাই ৰুৰবানলৈ পৰিৱৰ্তিত হৈ যাব।" ▪



# অবন্দিত নায়ক

## প্ৰচাৰৰ পৰা বঞ্চিত ভাৰতীয়ৰ বাবে পদ্ম বঁটা

**পদ্মশ্ৰী বঁটা বিজয়ীসকল হৈছে নতুন ভাৰতৰ নতুন নায়ক। কোনো এটা কাৰকৰ হকে যুঁজ কৰি থাকি তেওঁলোক বেছিভাগসময় প্ৰচাৰবিমুখ। কেৱল সমাজৰ হিত চিন্তাত ব্ৰতী এইসকল ব্যক্তি প্ৰায়েই চৰ্চাৰ পৰা আঁতৰত থাকিহে কাম কৰি যায়। কিন্তু পদ্মশ্ৰী বঁটাৰে বিভূষিত হোৱাৰ পাছত এইসকলৰ জীৱনীগাথা এতিয়া অন্যৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰিছে।**

না নায়ক যে কেৱল ৰঙীন পৰ্দাতহে থাকে তেনে নহয়। চিনেমাৰ নায়ক জনপ্ৰিয় কিন্তু আমাৰ সমাজত এনে কিছুমান নায়ক লুকাই যাক আমি চিনি নাপাওঁ। কিন্তু এইসকল ব্যক্তি নিজৰ অধ্যাৱসায়ৰ জৰিয়তে কোনো লক্ষ্যত উপনীত হোৱাৰ বাবে কাম কৰি থাকে। বিভিন্ন বাধা নেওচি সমাজৰ পৰা অন্ধবিশ্বাস আঁতৰ কৰাৰ বাবে হওক বা সমাজৰ হিতৰ বাবে কোনো এক উদ্দেশ্য সফল কৰাৰ বাবেই হওক, এওঁলোকক নিজৰ স্থিতিত অটল হৈ থাকে আৰু তেনেদৰে কাম কৰি যায়। এই লোকসকলক স্বীকৃতি দিয়াৰ বাবে চৰকাৰে পদ্মশ্ৰী বঁটা প্ৰদান কৰি আহিছে। ২০১৪ চনৰ পাছৰ পৰা সমাজৰ অলক্ষিতে কিন্তু নিৰৱ সাধকসকলক সন্মানিত কৰাৰ উদ্দেশ্যেৰে পদ্মশ্ৰী সন্মান তেওঁলোকক যঁচা হৈ আহিছে।

কেৱল ভিআইপি মানে চৰ্চাত থকা ব্যক্তিক বঁটাৰে সন্মানিত কৰাৰ পুৰণি প্ৰথাক নাইকীয়া কৰি এই চৰকাৰে নতুন চিন্তাৰে কেৱল সেইসকলক সন্মানিত কৰি আহিছে যিসকল নিৰৱ সাধক। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাজৰ বিকাশত অৰিহনা যোগোৱা সকলো ব্যক্তিকে সমানেই গুৰুত্ব দিয়ে। তেওঁ ভাৱে যে ক্ষুদ্ৰাতিক্ষুদ্ৰ কামেও কেতিয়াবা ডাঙৰ পৰিৱৰ্তন আনিব পাৰে। এই চৰকাৰে পদ্ম বঁটাৰ বাবে নাম নিৰ্বাচনৰ প্ৰক্ৰিয়া সম্পূৰ্ণভাৱে সলনি কৰিছে।

> “আমি পদ্মশ্ৰী বঁটা পোৱা ব্যক্তিসকলক লৈ গৌৰৱবোধ কৰিছোঁ। ৰাষ্ট্ৰই তেওঁলোকৰ সমাজৰ বিকাশৰ বাবে কৰা কাম আৰু সমাজৰ প্ৰতি দেখুওৱা দায়িত্ববোধক সন্মান জনাইছে। এই ব্যক্তিসকলে তেওঁলোকৰ কৰ্মৰাজিৰে সমাজত আমূল পৰিৱৰ্তন অনাৰ লগতে আনকো প্ৰভাৱন্বিত কৰিবলৈ সক্ষম হৈছে।
>
> **নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী**





পদ্মবিভূষণঃ
শ্বিনজ' আবে



পদ্মবিভূষণঃ
এছপি বালাসুব্ৰমণিয়াম



পদ্মভূষণঃ
তৰুণ গগৈ

পদ্ম বঁটা পোৱা ব্যক্তিৰ তালিকাখন চাবলৈ তলৰ লিংকত ক্লিক কৰকঃ
https://padmaawards.gov.in/PDFS/2021AwardeesList.pdf

# সেই সংগ্ৰাম যি প্ৰেৰণালৈ পৰিৱৰ্তিত হৈছে

পদ্ম বঁটা লাভ কৰা ব্যক্তিসকলৰ মাজত এনে অনেক লোক আছে যি ইমান দিনে সমাজৰ অলক্ষিতে কাম কৰি আহিছিল আৰু নিঃস্বাৰ্থভাৱে সমাজৰ হকে কাম কৰি আছে



## বীৰুবালা ৰাভা (অসম)

অসম বিধানসভাত ডাইনী হত্যাৰ পৰা ৰক্ষা তথা সুৰক্ষা আইন, ২০১৫ক অনুমোদন কৰিবলৈ বাধ্য কৰাৰ আঁৰৰ ব্যক্তি

বিৰুবালা ৰাভাই নিৰৱে এটা উদ্দেশ্য আগত ৰাখি কাম কৰি আহিছে। অসমৰ বিভিন্ন ঠাইত হৈ থকা ডাইনী হত্যা প্ৰতিৰোধ কৰাৰ বাবে তেওঁ লোৱা পদক্ষেপৰ বাবে অসমত ডাইনীৰ সন্দেহত হোৱা হত্যাৰ বিৰুদ্ধে আইন প্ৰণয়ন হৈছে। ১৯৮০চনটোত তেওঁৰ জীৱনলৈ অমানিশা আহে যেতিয়া কোনো এক অচিন বেমাৰত তেওঁৰ পুত্ৰ আক্ৰান্ত হয় আৰু সেই সময়তে গাওঁবাসীৰ একাংশই অন্ধবিশ্বাসৰ বশবৰ্তী হৈ তেওঁৰ সন্তান মৃত্যুমুখত পৰিব বুলি ক'বলৈ আৰম্ভ কৰে। দুই-একে ডাইনী শব্দৰো উচ্চাৰণ কৰে। এই পৰিৱেশে বীৰুৱালাক যথেষ্ট শংকিত কৰি তুলিছিল। কিন্তু তেনে একো নহ'ল। তথাপি এই ঘটনাৰ পাছত বিৰুবালা ৰাভাই উপলব্ধি কৰিলে যে তেওঁৰ আশে পাশে থকা গাওঁবোৰত অন্ধবিশ্বাসৰ কৱলত পৰি একাংশ লোকে ডাইনী সন্দেহত অনেক মহিলাক হত্যা, পৰিয়ালক মাৰধৰ কৰা বা গাওঁৰ পৰা বহিস্কাৰ কৰি আহিছে। এই অন্ধবিশ্বাসৰ কথাটো উপলব্ধি কৰাৰ পাছত বীৰুবালা ৰাভাই নিজৰ সংগ্ৰাম আৰম্ভ কৰিলে। অশিক্ষিত গাওঁবাসীক ডাইনীৰ অস্তিত্ব নথকা কথা বুজনি দিয়াৰ লগতে অনেক ঘাট-প্ৰতিঘাট সহ্য কৰি এতিয়ালৈ তেওঁ প্ৰায় ৪২গৰাকী মহিলাক ডাইনী সন্দেহত হত্যা হোৱাৰ পৰা ৰক্ষা কৰিছে।



## পাপ্পাম্মল (তামিল নাডু)

১০৫বছৰীয়া জৈৱিক পদ্ধতিত খেতি কৰা কৃষক

প্ৰতিজন লোক ৬০বছৰৰ পাছত চাকৰি বা অন্য কৰ্মক্ষেত্ৰৰ পৰা অৱসৰ লয়। কিন্তু তামিল নাডুৰ পাপ্পাম্মলৰ কথা সুকীয়া। ১০৫বছৰীয়া বৃদ্ধা পাপ্পাম্মলে জৈৱিক পদ্ধতিৰে খেতি কৰি এতিয়া আনক অনুপ্ৰেৰণা যোগাবলৈ সক্ষম হৈছে। তেওঁ কৰা নিৰলস প্ৰচেষ্টা অন্যক খেতি কৰিবলৈ উদগণি যোগাইছে। পাপ্পাম্মলে নিজৰ ২.৫ একৰ ভূমিত জৈৱিক পদ্ধতিৰে খেতি কৰে। ইয়াকে দেখি অন্য খেতিয়কসকলেও এতিয়া জৈৱিক খেতি কৰিব ধৰিছে। কৃষি কৰ্মক জনপ্ৰিয় কৰা তথা কৃষি কৰ্মৰ প্ৰয়োজনীয়তা সম্পৰ্কত তেওঁ কাম অব্যাহত ৰাখিছে। তেওঁ আনকি তামিল নাডু কৃষি বিশ্ববিদ্যালয়ৰ পৰামৰ্শ বোৰ্ডৰ সদস্য।

এতিয়া ভাৰতৰ উন্নয়নৰ হকে কাম কৰা তথা নতুন ভাৰত গঢ়াৰ বাবে স্বপ্ন দেখা ব্যক্তিকহে এই বঁটাৰ বাবে নিৰ্বাচন কৰা হৈ আহিছে। এতিয়া বঁটা প্ৰাপকৰ কামক গুৰুত্ব দিয়া হয়, তেওঁ পৰিচয়ক নহয়। এই চৰকাৰৰ অধীনত এয়া সম্ভৱ হৈছে এজন সাধাৰণ ব্যক্তিয়েও তেওঁৰ অসাধাৰণ কামৰ জৰিয়তে দেশৰ সৰ্বোচ্চ সন্মান লাভ কৰিব পাৰে।

প্ৰধানমন্ত্ৰীয়ে তেওঁৰ মন কী বাত ৰেডিঅ' অনুষ্ঠানত এই কথা কয় যে পদ্ম বঁটাৰ বাবে এটা প্ৰচলিত ব্যৱস্থা বাহাল আছিল। কিন্তু এতিয়া সেয়া সলনি হৈছে। এতিয়া দেশৰ নাগৰিকে যিকোনো ব্যক্তিক এই বঁটাৰ বাবে মনোনীত কৰিব পাৰে। বঁটাৰ বাবে ব্যক্তি নিৰ্বাচন প্ৰক্ৰিয়াত স্বচ্ছতা অনা হৈছে।



## ডাঃ থিৰুভেংগাদম ভীৰাৰাঘৱন (তামিল নাডু) মৰোণোত্তৰভাৱে

মাত্ৰ ২টকা মাননি লোৱা চিকিৎসক

উত্তৰ চেন্নাইৰ চিকিৎসক ডাঃ থিৰুভেংগাদম ভীৰাৰাঘৱন এটা কথা বাবে যথেষ্ট জনপ্ৰিয়। মানৱ সেৱা বিশ্বাস ৰখা এই গৰাকী চিকিৎসকে ৰোগী চোৱাৰ বিনিময়ত মাথো ২টকা মাননি লয়। ১৯৭৩চনৰ পৰা তেওঁ এইদৰে নূন্যতম ধন বিনিময়ত ৰোগীক শুশ্ৰুষা কৰি আহিছে। উদ্দেশ্য এটাই, মানৱ সেৱা কৰি যোৱাৰ উদ্দেশ্য আগত ৰাখিয়েই চিকিৎসকগৰাকীয়ে এইদৰে সেৱা আগবঢ়াই আহিছে। এই সিদ্ধান্তৰ বাবে তেওঁ অন্য চিকিৎসকৰ প্ৰতিবাদৰ সন্মুখীন হৈছে যদিও তেওঁ একেদৰেই সেৱা আগবঢ়াই আহিছে।



## নাৰায়ন দেবনাথ (পশ্চিম বংগ)

জনপ্ৰিয় কমিক চৰিত্ৰৰ সৃষ্টিকৰ্তা

কমিক শিশুৰ মাজত যথেষ্ট জনপ্ৰিয়। আমি সাধাৰণতে বিশ্ববিখ্যাত কমিক চৰিত্ৰসমূহ চিনি পাওঁ আৰু সেইবোৰৰ আঁৰৰ ব্যক্তিসকলক চিনি পাওঁ। কিন্তু আমাৰ দেশত এনে একাধিক লেখক আছে যিসকলৰ সৃষ্টিত প্ৰাণ পাই উঠা এটা কমিক চৰিত্ৰই সকলোৰে মন-প্ৰাণ সঁজীৱ কৰি ৰাখিছে। তেনে এজন ব্যক্তি হৈছে নাৰায়ন দেবনাথ, যাৰ হাতত বিশ্বৰ সৰ্বাধিক দীঘল কমিক ষ্ট্ৰীপ (কাৰ্টুন ছবিৰ শৃংখলা) বা চিৰিজ চলাই নিয়াৰ অভিলেখ পঞ্জীয়ন হৈ আছে। পশ্চিমবংগৰ হাওৰাত জন্মগ্ৰহণ কৰা বৰ্তমান ৯৭বছৰীয়া নাৰায়ন দেবনাথে বিগত ৭০বছৰত বাংলাত কমিক ষ্ট্ৰীপ আঁকি গৈছে,লেখি গৈছে। তেওঁৰ সৃষ্টি বনটুল বংগৰ এটা জনপ্ৰিয় কমিক চৰিত্ৰ। এইগৰাকী ব্যক্তি হৈছে এনে এজন কাৰ্টুন শিল্পৰ শিল্পী যিয়ে সন্মানীয় ডি-লিট ডিগ্ৰী পাইছে।



## ছুলট্ৰিম ছ'নজ'ৰ (লাডাখ)

নিজৰ সম্পত্তি বিক্ৰী কৰি ৩৮কিঃমিঃ পথ নিৰ্মাণ কৰিছে

পথ পৰিবহনৰ সুবিধা নথকাৰ বাবে তেওঁ আশে-পাশে থকা ব্যক্তিসকলৰ দুখ-যন্ত্ৰণা সহ্য কৰিব নোৱাৰি ৭৯বছৰীয়া ছুলট্ৰিম ছ'নজ'ৰে যাতায়তৰ পথ সুগম কৰাৰ অৰ্থে নিজা উদ্যোগত এটা পথ নিৰ্মান কৰে। কাৰ্গিল জিলাৰ ঝানস্কাৰ নিবাসী ছুলট্ৰিম ছ'নজ'ৰে নিজৰ সম্পত্তি বিক্ৰী কৰি পথ নিৰ্মাণৰ বাবে ৫৭লাখ টকা মূল্যৰ এটা মেশ্বিন ক্ৰয় কৰে। আৰু এই যন্ত্ৰৰ সহায়ত তেওঁ ৩৮কিঃমিঃ পথ নিৰ্মাণ কৰে। পূৰ্বেতে তেওঁৰ থকা ঠাইৰ লোকে যথেষ্ট কষ্টৰ সন্মুখীন হ'বলগীয়া হৈছিল কিন্তু এতিয়া সেয়া মাথো অতীতলৈ পৰিণত হৈছে।



## সুজিত চট্টোপাধ্যায় (পশ্চিম বংগ)

এটা বছৰৰ বাবে মাত্ৰ এক টকা টিউশ্বন ফী লোৱা শিক্ষক

পশ্চিমবংগৰ বৰ্ধমান জিলাৰ নিবাসী সুজিত চট্টোপাধ্যায়ে এক অনন্য নিদৰ্শন আগবঢ়াইছে। শিক্ষাৰ প্ৰসাৰৰ হকে কাম কৰি থকা সুজিত চট্টোপাধ্যায় সকলোৰে বাবে প্ৰেৰণাৰ উৎস। তেওঁ নিজৰ কোচিং প্ৰতিষ্ঠানত শিক্ষাৰ্থীৰ পৰা বাৰ্ষিক মাথো ১ টকা লৈ টিউচন কৰে। তেওঁৰ প্ৰতিষ্ঠানত ৩০০ শিক্ষাৰ্থী আছে। তেওঁ দুখীয়া ল'ৰা-ছোৱালীৰ শিক্ষাৰ ব্যয় বহন কৰাৰ মানসেৰে এই প্ৰতিষ্ঠানৰ আৰম্ভনি কৰে আৰু এই মহৎ কামেৰে তেওঁ দুখীয়া শিক্ষাৰ্থীৰ মুখত হাঁহি বিৰিঙাবলৈ সক্ষম হৈছে।

প্ৰতিবছৰে গণৰাজ্য দিৱসৰ সময়ত পদ্ম বঁটাবোৰৰ বঁটাপ্ৰাপকৰ নাম ঘোষণা কৰে। ২০২১ বৰ্ষৰ বাবে ৭জন ব্যক্তি পদ্ম বিভূষণ, ১০জনক পদ্ম ভূষণ আৰু ১০২গৰাকীক পদ্মশ্ৰী বঁটা প্ৰদান কৰিছে। পদ্ম বঁটা লাভ কৰা ব্যক্তিসকলৰ অন্যতম হৈছে জাপানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বিনজ' আবে। আবেক পদ্ম বিভূষণেৰে সন্মানিত কৰা হৈছে। ভাৰত-জাপানৰ মাজৰ কূটনৈতিক সম্পৰ্কত নতুন মাত্ৰা দিয়াৰ বাবেই তেওঁক এই সন্মান যঁচা হৈছে। অসমৰ প্ৰাক্তন জনপ্ৰিয় মুখ্যমন্ত্ৰী তৰুণ গগৈ আৰু তামিল তথা হিন্দী গীতৰ লগতে অন্যান্য ভাষা গীত গায় জনপ্ৰিয় হোৱা এছপি বালাসুব্ৰমণিয়ামকো মৰোণোত্তৰভাৱে পদ্মবিভূষণ বঁটা দিয়া হৈছে।



## অংশু জেমছেংপা (অৰুণাচল প্ৰদেশ)

পাঁচ দিনত এভাৰেষ্ট শৃংগ দুবাৰকৈ অৰোহন

এভাৰেষ্ট শৃংগ আৰোহন কৰাটো পৰ্বতাৰোহীসকলৰ এটা সপোন। দুটা সন্তানৰ মাতৃ ৪১বছৰীয়া অংশু জেমছেংপা হৈছে একমাত্ৰ মহিলা যিয়ে মাত্ৰ পাঁচ দিনৰ ভিতৰত দুবাৰকৈ এভাৰেষ্ট শৃংগ আৰোহন কৰিছে। ২০১৭চনৰ ১৬মে’ত প্ৰথম আৰু দ্বিতীয়বাৰ ২১ মে’ তাৰিখে একেৰাহে দুবাৰকৈ এভাৰেষ্ট শৃংগ আৰোহন কৰে। এতিয়ালৈ তেওঁ সৰ্বমুঠ পাঁচ বাৰ এভাৰেষ্ট শৃংগ আৰোহন কৰিছে।



## লখা খান (ৰাজস্থান)

সিন্ধী সাৰংগী বাদক

ৰাজস্থানৰ যোধপুৰ জিলাৰ নিবাসী লখা খান মাংগানিয়াৰ সম্প্ৰদায়ৰ লোক। দেশৰ ভিতৰত সিন্ধী সাৰংগী বাদনত তেওঁ একমাত্ৰ স্বীকৃতিপ্ৰাপ্ত ওস্তাদ। তেওঁ লগতে এগৰাকী গায়কো। হিন্দী, মাৰৱাৰী, সিন্ধী, পাঞ্জাৱী আৰু মুলতানী ভাষাত গীত গাব পাৰে। সাহিত্য একাডেমী বঁটাপ্ৰাসক লখা খানে একাধিক আন্তঃৰাষ্ট্ৰীয় বঁটাও লাভ কৰিছে। তেওঁৰ সংগীতানুষ্ঠানে দৰ্শকক আনন্দ দিয়ে।



## আচাৰ্য ৰামযত্ন শুক্লা (উত্তৰ প্ৰদেশ)

বিনামূলীয়া সংস্কৃত শিক্ষা দি আহিছে

বিশ্বৰ সভ্যতা সমূহৰ ভিতৰত ভাৰত অন্যতম সবাতোকৈ পুৰণি সভ্যতা। আৰু সংস্কৃত ভাষাটো হৈছে পৃথিৱীৰ আদি ভাষা। এই সংস্কৃত ভাষাটো কেইবাটাও ভাৰতীয় ভাষাৰ উৎস। বাৰাণসী নিবাসী ৮৯বছৰীয়া আচাৰ্য ৰামযত্ন শুক্লাই এই পুৰণি ভাষাটোক নতুন প্ৰজন্মৰ মাজত জনপ্ৰিয় কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। তেওঁ সংস্কৃতি ভাষাটো আৰু বৈদিক বিজ্ঞানৰ শিক্ষা বিনামূলীয়াকৈ দি আহিছে। তেওঁ কাশী বিদ্বত পৰিষদৰো সভাপতি।



## ভূৰি বাই (মধ্য প্ৰদেশ)

চিত্ৰশিল্পৰ জৰিয়তে বিশ্বত পৰিচয়

ভূৰি বাই হৈছে সেইগৰাকী মহিলা যিয়ে পিথ’ৰা পেইন্টিঙক(চিত্ৰশিল্প) বিশ্ব দৰবাৰলৈ লৈ গৈছে। মধ্যপ্ৰদেশৰ ঝাবুৱা জিলাৰ পিটল গাওঁ জন্ম হোৱা ভূৰি বাই ভিল সম্প্ৰদায়ৰ জনজাতীয় মহিলা। তেওঁলোকৰ গাওঁত দেৱালত চিত্ৰ অংকল কৰা হয়। নিজৰ গাওঁৰ ঘৰৰ দেৱালত কৰা চিত্ৰকৰ্মক কাগজৰ মাধ্যমলৈ আনি ভূৰি বাই এতিয়া বিশ্বত জনপ্ৰিয় হৈছে। তেওঁৰ চিত্ৰকৰ্মই এতিয়া ইউৰোপ, অষ্ট্ৰেলিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিত্ৰ প্ৰদৰ্শনী তথা সংগ্ৰহালয়বোৰত স্থান পাইছে। ইয়াৰ ওপৰি তেওঁ চিত্ৰকৰ্মই বিশ্বৰ নিলাম বজাৰত নিলাম হৈ উচিত মূল্যও পাইছে।

লোকসভাৰ প্ৰাক্তন অধ্যক্ষ সুমিত্ৰা মহাজনলৈ পদ্ম ভূষণ সন্মান যঁচা হৈছে। পদ্ম বঁটাৰ তালিকা এনে কেইবাটাও জনপ্ৰিয় নাম আছে কিন্তু একাধিক এনে লোকৰ নাম আছে যিসকলৰ বিষয়ে সাধাৰণ ৰাইজ জ্ঞাত নহয়। এতিয়া কিন্তু তেওঁলোক পদ্ম বঁটাৰে সন্মানিত হোৱাৰ পাছত সকলোৰে মাজত পৰিচয় লাভ কৰিছে আৰু অন্য লোকৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰিছে। ▪




# কৃষকৰ আত্মবিশ্বাসে সলনি কৰিছে দৃশ্যপট, আজিৰ কৃষক আত্মনিৰ্ভৰ কৃষক

**বিগত দশকবোৰত চৰকাৰী নীতিবোৰৰ দ্বাৰা লাভান্বিত নোহোৱা আৰু সদায় দুখ-যন্ত্ৰণাৰ মাজেৰে দিন অতিবাহিত কৰিবলগীয়া হোৱা কৃষক এতিয়া নাই। চৰকাৰী আঁচনিবোৰ সুফল লাভেৰে কৃষকৰ দৃশ্যপট সলনি হৈছে। দুবছৰ পূৰ্বে আৰম্ভ হোৱা প্ৰধানমন্ত্ৰী-কৃষক সন্মান নিধিৰ অধিনত বিগত দিনবোৰত ১,১৩,০০০কোটি টকা পোনপটীয়াকৈ খেতিয়কৰ বেংক একাউন্টলৈ প্ৰেৰণ কৰা হৈছে। এয়া বিশ্বৰ ভিতৰতেই অনন্য। আনহাতে ৬বছৰ পূৰ্বে আৰম্ভ হোৱা ভূমি স্বাস্থ্য কাৰ্ডে কৃষকৰ উৎপাদন বৃদ্ধিত তথা কৃষকৰ আয় বৃদ্ধিত সহায় কৰি আহিছে।**

২০১৫ চনৰ ১৯ ফেব্ৰুৱাৰীৰ দিনটো এটা গুৰুত্ব পূৰ্ণ দিন কিয়নো এই দিনটোতেই কেন্দ্ৰ চৰকাৰে ৰাজস্থানৰ শ্ৰীগংগানগৰ জিলাত কৃষকৰ উন্নয়নৰ বাবে ছইল হেল্থ কাৰ্ডৰ (ভূমি স্বাস্থ্য কাৰ্ড) শুভাৰম্ভনী কৰিছিল। এই আঁচনিয়ে কৃষকৰ সৰ্বাংগীন উন্নয়ন কৰাৰ লগতে তেওঁলোকৰ আয় বৃদ্ধিতো যথেষ্ট সহায় কৰি আহিছে। ইয়াৰ পাছত ২০১৯ চনৰ ২৪ ফেব্ৰুৱাৰীত উত্তৰ প্ৰদেশৰ পৰা চৰকাৰে কৃষক সন্মান নিধিৰ আৰম্ভনি কৰে। এই নিধিৰ মূল উদ্দেশ্য এয়াই যে কৃষিকৰ্মৰ সৈতে জৰিত হৈ থকা ব্যয়ৰ প্ৰতি লক্ষ্য ৰাখি চাৰিমহীয়া কিস্তিত কৃষকলৈ দুইহাজাৰ টকাৰ অনুদান আগবঢ়োৱা হৈ আহিছে। চৰকাৰৰ এই কাৰ্যই কৃষকসমাজক যথেষ্ট উপকৃত কৰিছে।

এটা ফালৰ পৰা চাবলৈ গ'লে ছইল হেল্থ কাৰ্ডে কৃষকক ভূমিৰ গুণগত মান উন্নত কৰাৰ বাবে সহায় কৰি আহিছে,

> “সন্মান নিধিৰ ধন পোনপটীয়াকৈ কৃষকে লাভ কৰিছে। এই ক্ষেত্ৰত কোনো মধ্যভোগী নাই, কোনো ধৰণৰ অসুবিধা নাই। পোনপটীয়াকৈ কৃষকৰ বেংক একাউন্টত এই ধন গৈছে। এই আঁচনিৰ লক্ষ্যত উপনীত হবলৈ আমি সক্ষম হৈছোঁ। উচিত ধৰণে আৰু উপযুক্ত আমি প্ৰতিটো কৃষক পৰিয়ালক সহায় কৰিবলৈ সক্ষম হৈছোঁ।”
>
> নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

# সন্মান নিধিয়ে কৃষকৰ মুখত হাঁহি বিৰিঙাইছে



পিএম-কৃষক সন্মান নিধি সম্পৰ্কত সম্পূৰ্ণ খবৰ জানিবলৈ এইটো ৱেবচাইটত চাব পাৰে- https://pmkisan.gov.in/ খেতিয়াকসকলে এই ৱেবচাইটলৈ গৈ পঞ্জীয়ন কৰিব পাৰে এতিয়ালৈ ১১.৫২ কোটি হিতাধিকাৰীৰ নাম পঞ্জীয়ন হৈছে

# স্বাস্থ্যবান ভূমি, সেউজী পথাৰ

- ২০১৫চনত আন্তঃৰাষ্ট্ৰীয় ভূমি দিন উদযাপন কৰা হৈছিল আৰু সেই বছৰতেই কেন্দ্ৰীয় চৰকাৰে ছইল হেল্‌থ কাৰ্ড আঁচনিৰ আৰম্ভণি কৰিছিল। দেশৰ প্ৰতিজন কৃষকৰ ভূমিৰ গুণগত মান উন্নত কৰাই এই আঁচনিৰ মূল উদ্দেশ্য।
- ভূমিৰ গুণগত মান তথা উৰ্বৰা শক্তি বৃদ্ধি কৰাৰ উদ্দেশ্য আগত ৰাখিয়েই প্ৰতি দুবছৰৰ মূৰকত ভূমিৰ মূল্যায়ন কৰি এই কাৰ্ড দিয়া হয়।
- প্ৰথম পৰ্যায়ত (২০১৫-১৭) ১০.৭৪কোটি কাৰ্ড বিতৰণ কৰা হয়। আনহাতে দ্বিতীয় পৰ্যায়ত (২০১৭-১৯) ১১.৬৯ কোটি কাৰ্ড বিলোৱা হয়।
- এতিয়ালৈ কেন্দ্ৰ চৰকাৰে এই আঁচনিৰ বাবে ৭০০কোটি টকা ব্যয় কৰিছে।
- চৰকাৰে এতিয়ালৈ ৪২৯টা নতুন স্থিৰ ভূমি গুণ নিৰূপন পৰীক্ষাগাৰ (ষ্টেটিক ছইল টেষ্টিং লেব-এছটিএল), ১০২টা নতুন চলন্ত এছটিএল, ৮৭৫২টা ক্ষুদ্ৰ এছটিএলৰ ব্যৱস্থা কৰিছে।
- খেতিয়ক সকলে তেওঁলোকৰ ভূমিৰ গুণগত মান নিৰূপনৰ প্ৰক্ৰিয়াৰ সৈতে সংলগ্ন হৈ থাকিব পৰাৰ লগতে প্ৰতিবেদনো লাভ কৰিব পাৰে।
- ৰাষ্ট্ৰীয় উৎপাদনশীলতা পৰিষদৰ মতে ভূমি স্বাস্থ্য কাৰ্ডৰ উপযোগিতাৰ ফলত কৃষিভূমিত ৰসায়নিক সাৰ প্ৰয়োগৰ মাত্ৰা ৮-৯শতাংশলৈ হ্ৰাস পাইছে আৰু উৎপাদন ৫-৬ শতাংশলৈ বৃদ্ধি পাইছে।
- ২০১৯-২০ বৰ্ষত সমূহীয়া কেন্দ্ৰত ভূমিৰ গুণাগুণ নিৰূপন কৰাৰ সলনি কৃষকৰ ভূমিত প্ৰত্যক্ষভাৱে কাম কৰা হৈছিল। এই কাম "ডেভেল'পমেন্ট অৱ ম'ডেল ভিলেজ" শাৰ্ষক এক পাইলট প্ৰকল্পৰ অধীনত কৰা হৈছিল।
- এই আঁচনিয়ে একে সময়তে নিয়োগৰ সৃষ্টি কৰি আহিছে। ৪০বছৰ অতিক্ৰম নকৰা গ্ৰামাঞ্চলৰ যুৱকে ভূমি পৰীক্ষা কেন্দ্ৰ স্থাপন কৰি আত্মনিৰ্ভৰশীল হোৱাৰ বাট মুকলি কৰিব পাৰে।

## কিদৰে সুবিধাবোৰ লাভ কৰিবঃ

ভূমি স্বাস্থ্য কাৰ্ড মানে ছইল হেল্‌থ কাৰ্ডে ছয় ধৰণৰ শস্যৰ বাবে দুই ধৰণে সাৰৰ ব্যৱহাৰৰ পৰামৰ্শ দিয়ে। লগতে জৈৱিক গোবৰ ব্যৱহাৰৰ ওপৰতো ই পৰামৰ্শ প্ৰদান কৰি আহিছে। কৃষক সকলে এই ছয় শস্যৰ ওপৰি অন্য কেতবোৰ শস্যৰ গুণাগুণ সম্পৰ্কতো পৰামৰ্শ ল'ব পাৰে। কৃষকসকলে জানি ভাল পাব যে এই পৰামৰ্শ ২১টা আঞ্চলিক ভাৰতীয় ভাষাত প্ৰদান কৰা হয়। www.soilhealth.gov.inলৈ গৈ কৃষকসকলে সকলো কথা ভালদৰে জানিব আৰু শিকিব পাৰিব। স্বস্থ ধৰাৰ পৰা খেত হৰা (সুস্থ পৃথিৱী, সেউজীয়া পথাৰ) শীৰ্ষক স্বপ্ন সফল কৰাৰ বাবে এই আঁচনিয়ে কাম কৰি আছে।

---

আনহাতে কষক সন্মান নিধি আঁচনি ক্ষুদ্ৰ খেতিয়কৰ বাবে আশীৰ্বাদ স্বৰূপ হৈ পৰিছে। বিগত দুটা বছৰত ১০.৬০ কোটি খেতিয়কৰ বেংক একাউন্টলৈ ১,১৩,০০০কোটিৰো অধিক টকা পোনপটীয়াকৈ জমা কৰোৱা হৈছে। এই সহায়ে কৃষকসকলক সহায় কৰিছে।

হাৰিয়ানাৰ চৰ্দাৰ সিং, সুন্দৰ সিং, গুজৰাটৰ ঘনশ্যাম পেটেল, ধীৰু পেটেল, মধ্যপ্ৰদেশৰ মূলচন্দ মেহৰাৰা আৰু তেলেংগানাৰ এম সুধাকৰ ৰেড্ডীয়ে পিএম-কিষান সন্মান নিধিৰ জৰিয়তে উপকৃত হৈছে। এয়া মাথো কেইটামান নামহে। এনে অনেক ভাৰতীয় কৃষকৰ নাম আছে যিসকল এই আঁচনিৰ দ্বাৰা লাভান্বিত হৈছে। প্ৰতি চাৰিমাগত কিস্তি লাভ কৰি সুখী হোৱা এই খেতিয়কসকলে এয়া ভাৱে যে এই আঁচনিৰ জৰিয়তে সকলো বৰ্গৰ খেতিয়ক উপকৃত হৈছে। এতিয়া খেতিয়কসকল মহাজনৰ ওচৰত হাত পাতিবলৈ প্ৰয়োজন নহয়, তেওঁলোক এতিয়া স্বাৱলম্বী। ▪



# জম্মু-কাশ্মীৰৰ উন্নয়ন; কৃষকৰ বাবে বৰ্ধিত আয়ৰ প্ৰতিশ্ৰুতি

কেন্দ্ৰ চৰকাৰৰ দেশৰ উন্নয়নৰ প্ৰতি থকা দায়ৱদ্ধতা আৰু কৃষকৰ বাবে বৰ্ধিত আয়ৰ চিন্তা ব্যক্ত কৰা দুটাকৈ কেবিনেট সিদ্ধান্ত ইতিমধ্যেই লোৱা হৈছে। কেবিনেটে শুকান নাৰিকল আৰু তেল নিৰ্গত কৰাৰ বাবে ব্যৱহাৰ হোৱা নাৰিকলৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি কৰাৰ ফলত ১২খন ৰাজ্যৰ ৩০লক্ষাধিক খেতিয়কক উপকৃত কৰাৰ সিদ্ধান্ত লোৱাৰ লগতে জম্মু-কাশ্মীৰত জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ সিদ্ধান্ত লৈছে।

**সিদ্ধান্তঃ** অৰ্থনৈতিক বিষয়ৰ কেবিনেট কমিটীয়ে ২০২১ বৰ্ষৰ বাবে নাৰিকলৰ শাহ (শুকান নাৰিকল) আৰু তেল(খোৱা বা লগোৱা) নিৰ্গত কৰাৰ বাবে ব্যৱহাৰ হোৱা নাৰিকলৰ নূন্যতম সমৰ্থন মূল্য বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে।

**লাভালাভঃ**

- শুকান নাৰিকল উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ স্থান শীৰ্ষত। ভাৰতে ২০লক্ষাধিক হেক্টৰ ভূমিত ডেৰশ কোটি টন শুকান নাৰিকল উৎপাদন কৰে। কেবিনেটৰ সিদ্ধান্তই ১২ উপকূলীয় ৰাজ্যৰ প্ৰায় ৩০লক্ষাধিক খেতিয়কক সহায় কৰিব।
- ২০২০ বৰ্ষত তেল নিৰ্গত কৰাৰ বাবে ব্যৱহাৰ হোৱা নাৰিকলৰ নূন্যতম সমৰ্থন মূল্য প্ৰতিকুইন্টলত ৯,৯৬০ টকা হোৱাৰ বিপৰীতে এতিয়া ২০২১ বৰ্ষৰ বাবে ৩৭৫ টকা পৰ্যন্ত বৃদ্ধি কৰি ১০,৩৩৫টকা ধাৰ্য কৰা হৈছে।
- আনহাতে শুকান নাৰিকলৰ নূন্যতম সমৰ্থন মূল্য ২০২০বৰ্ষৰ প্ৰতিকুইন্টলত ১০,৩০০টকাৰ পৰা ৩০০টকা বৃদ্ধি কৰি এই বৰ্ষত প্ৰতিকুইন্টলত ১০,৬০০টকা কৰা হৈছে।
- এই নতুন কেবিনেট সিদ্ধান্তই সৰ্বমুঠ উৎপাদন ব্যয়ৰ ৫১.৮৭ শতাংশ(তেল নিৰ্গত কৰাৰ বাবে ব্যৱহাৰ হোৱা নাৰিকল) আৰু ৫৫.৭৬ শতাংশৰ(শুকান নাৰিকল) লাভাংশ দিব বুলি আশা কৰা হৈছে।
- ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাজেটত নিৰ্ধাৰিত হোৱা প্ৰতিশ্ৰুতি অনুসৰিয়েই পূৰ্বৰ নূন্যতম সমৰ্থন মূল্যতকৈ চৰকাৰে কৃষকক ডেৰ গুণ অধিক মূল্যত সমৰ্থন মূল্য দিয়াৰ অংশস্বৰূপে নাৰিকলৰ খেতিত এই সিদ্ধান্ত লোৱা হৈছে।
- এই সিদ্ধান্তই খেতিয়কক ৫০ শতাংশ পৰ্যন্ত লাভালাভৰ প্ৰতিশ্ৰুতি দিছে।
- নাৰিকলৰ খেতি হোৱা ঠাইবোৰত নাফেড আৰু এনচিচিএফে কেন্দ্ৰীয় সংস্থা হিচাপে কাম কৰিব আৰু নূন্যতম সমৰ্থন মূল্যত কৃষকে উপযুক্ত মূল্য পাইছে নে নাই সেয়া নিশ্চিত কৰিব।

**সিদ্ধান্তঃ** কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ কিস্তৱাৰ জিলাত থকা চেনাব নদীত ৮৫০ মেগাৱাট সম্পন্ন ৰতলা জলবিদ্যুৎ প্ৰকল্পৰ বাবে ৫২৮১.৯৪কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ। এনএইচপিচি (ৰাষ্ট্ৰীয় জলবিদ্যুৎ শক্তি নিগম) আৰু জেকেএছপিডিচি(জম্মু-কাশ্মীৰ ৰাজ্য বিদ্যুৎ বিকাশ নিগম)ৰ যৌথ প্ৰচেষ্টাত ৫১শতাংশ আৰু ৪৯শতাংশৰ বিনিয়োগৰে নতুন সংযুক্ত কোম্পানীৰ স্থাপনৰে এই প্ৰকল্পৰ কাম পৰিচালনা কৰা হ'ব।



**লাভালাভঃ**

- কেন্দ্ৰ চৰকাৰে জম্মু-কাশ্মীৰৰ উন্নয়নৰ বাবে ৭৭৬.৪৪ কোটি টকাৰ সাহাৰ্য প্ৰদান কৰিব। এই ধনৰাশি জেকেএছপিডিচিৰ জৰিয়তে বিনিয়োগ কৰা হ'ব। আনহাতে এনএইচপিচিয়ে ৮০৮.১৪কোটি টকা বিনিয়োগ কৰিব।
- ৬০ মাহৰ ভিতৰত ৰতলা জলবিদ্যুৎ প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ যাব।
- শক্তি খণ্ডৰ উন্নয়ন তথা বিদ্যুৎ যোগানাৰ গ্ৰীড পৰিচালনাৰ ক্ষেত্ৰত এই প্ৰকল্পই সহায় কৰিব।
- জম্মু-কাশ্মীৰৰ উন্নয়নৰ লগতে জলবিদ্যুৎ প্ৰকল্পৰ কামৰ সময়ত পোনপটীয়াকৈ তথা আওপকীয়াকৈ ৪ হাজাৰ লোকৰ কৰ্মসংস্থাপনৰ দিহা কৰিব। ■

# মনৰ বিশ্বাসে সকলো সলনি কৰিব পাৰে

কৃষি আইনৰ সংশোধনৰ জৰিয়তে অনাগত দিনবোৰত কৃষকৰ আয় দুগুণ কৰাৰ লক্ষ্য ৰখা চৰকাৰৰ বিশ্বাসক সঁচা পৰিণত কৰাত সহায় কৰিছে একাংশ কৃষক, উত্তৰ প্ৰদেশৰ কৃষক ৰামগুলাবে আনিছে পৰিৱৰ্তন। একেদৰে পৰিৱেশ সুৰক্ষাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি কাম কৰি যোৱা এদল মহিলাৰ গোটে অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক স্বচ্ছ ৰখাৰ লগতে কৰ্মসংস্থাপনৰ সৃষ্টি কৰিছে।

## কৃষিকৰ বাবে নতুন সুবিধা




কৃষি খণ্ডত অনা পৰিৱৰ্তনকামী পদক্ষেপবোৰে দেশৰ কৃষকসকলক সহায় কৰি আহিছে। উত্তৰ প্ৰদেশৰ খেতিয়ক ৰামগুলাবৰ কাহিনীও সফলতাৰ। আনকি দেশৰ প্ৰধানমন্ত্ৰীয়ে সুশাসন দিৱস উপলক্ষে অনুষ্ঠিত হোৱা এক অনুষ্ঠানত কৃষক ৰামগুলাবৰ প্ৰচেষ্টা আৰু সফলতাৰ কথা উল্লেখ কৰাৰ লগতে তেওঁৰ নামটো উচ্চাৰণ কৰে। ৰামগুলাব হৈছে উত্তৰ প্ৰদেশৰ এজন খেতিয়ক যিয়ে আন ৩০০ খেতিয়কৰ লগলাগি কৃষক উৎপাদন সংস্থা(ফাৰ্মাৰ প্ৰ'ডিউচাৰ অ'ৰগেনাইজেশ্বন চমুকৈ এফপিঅ') স্থাপন কৰিছে। এতিয়া তেওঁ এফপিঅ'ৰ জৰিয়তে নিজৰ উৎপাদিত কৃষিজাত সামগ্ৰী পূৰ্বতকৈ ডেৰগুণ অধিক মূল্যত বিক্ৰী কৰি আহিছে। উল্লেখ্য যে চৰকাৰে ১০সহস্ৰাধিক এফপিঅ' স্থাপন কৰাৰ বাবে যোজা চলাইছে। ৰামগুলাবৰ এফপিঅ'ই এতিয়া ভি-৪৩ স্বৰ্ণ(প্ৰজাতিৰ) মিঠা আলু আহমেদাবাদস্থিত এটা কোম্পানীক বিক্ৰী কৰে। প্ৰধানমন্ত্ৰীয়ে ৰামগুলাবৰ নাম উল্লেখ কৰাৰ পাছত এতিয়া ভাৰতীয় ৰেল বিভাগ তেওঁলোকৰ সহায়ৰ বাবে আগবাঢ়ি আহিছে। ভাৰতীয় ৰেল বিভাগৰ কৃষি ৰেলে এতিয়া ৰামগুলাবৰ উৎপাদিত কৃষিজাত সামগ্ৰী আহমেদাবাদৰ লগতে দেশৰ অন্য প্ৰান্তলৈ কম খৰচত আৰু শীঘ্ৰেই লৈ যাব পাৰিব। ইয়াৰ ফলত তেওঁলোক লাভান্বিত হ'ব। উল্লেখ্য যে বৰ্তমান আহমেদাবাদস্থিত কোম্পানীটোৱে প্ৰকি কিঃগ্ৰাঃত ২৫টকা মূল্যত ৪০০টন মিঠা আলু কিনিব। আনহাতে স্থানীয় বজাৰত ৰামগুলাবে প্ৰতি কিঃগ্ৰাঃত মাথো ১৫টকাহে পাইছিল। এই মাহৰ ভিতৰত তেওঁলোকে ২০টন আলু পঠোৱাৰ লগতে জুন মাহলৈ ২০০টন মিঠা আলু পঠাব। চৰকাৰৰ সহযোগত এতিয়া কৃষি ৰেলৰ সহায়ত ৰামগুলাবৰ উৎপাদিত কৃষিজাত সামগ্ৰী কম সময়ৰ ভিতৰতেই গুজৰাট পাবগৈ।

## পেলনীয়া সামগ্ৰীক সূতালৈ পৰিৱৰ্তন



বিশ্ব ঐতিহ্য ক্ষেত্ৰ আৰু বিশ্বখ্যাত এশিঙীয়া গড়ৰ বাসস্থান অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত তথা আশে-পাশে পৰি থকা প্লাষ্টিকজাত সামগ্ৰীবোৰ (প্ৰদূষিত সামগ্ৰী) চাফা কৰাৰ বাবে ৰূপজ্যোতি শইকীয়া গগৈয়ে এক উদ্ভাৱনী পথ নিৰ্বাচন কৰিছে। ভিলেজ উইভচ শীৰ্ষক নামেৰে এটা প্ৰতিষ্ঠান আৰম্ভ কৰি ৰূপজ্যোতি শইকীয়া গগৈয়ে গ্ৰামাঞ্চলৰ মহিলাসকলৰ সৈতে ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰত তথা আশে-পাশে থকা অঞ্চলত সিঁচৰতি হৈ থকা পেলনীয়া সামগ্ৰী বিশেষত প্লাষ্টিকজাতীয় সামগ্ৰীবোৰ বুটলি আনে। এই পেলনীয়া প্লাষ্টিকবোৰ তেওঁলোকে পাছত ধুই মেলি শুকোৱাই। ইয়াৰ পাছত প্লাষ্টিকবোৰ দীঘলীয়াকৈ বা যেনেকৈ উপযুক্ত ঠিক তেনেকৈ কাটি এইবোৰক কপাহৰ সূতাৰ সৈতে বন্ধা হয়। অতি সূক্ষ্মভাৱে সম্পন্ন হোৱা এই উদ্ভাৱনী কামে নতুন সূতাৰ সৃষ্টি কৰে। ৰূপজ্যোতিৰ নেতৃত্বত মহিলাসকলে এই সূতাৰ জৰিয়তে পৰম্পৰাগত সাজ-পোছাক তৈয়াৰ কৰাৰ লগতে অন্যান্য কাপোৰৰ সামগ্ৰী প্ৰস্তুত কৰে। ৰূপজ্যোতি শইকীয়া গগৈয়ে ৩৫ খন গাঁওৰ প্ৰায় ২০০০মহিলাক এই নতুন উদ্ভাৱন সম্পৰ্কত প্ৰশিক্ষণ দিছে আৰু আত্মনিৰ্ভৰশীল কৰি তুলিছে। ২০১২চনত কাজিৰঙা হাট নামেৰে এখন বিপনী আৰম্ভ কৰি তেওঁলোকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ফুৰিবলৈ অহা বিদেশী-দেশী পৰ্যটকক কাপোৰৰ সামগ্ৰী বিক্ৰী কৰিবলৈ আৰম্ভ কৰিছিল। ৰূপজ্যোতিৰ এই প্ৰয়াসে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক চাফা কৰি ৰখাৰ লগতে অনেক মহিলাক স্বাৱলম্বীতাৰ পথ দেখুৱাইছে। ▪

# শক্তিশালী আৰু সমৰ্থবান ভাৰত



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ মন কী বাত ৰেডিঅ' অনুষ্ঠানত আশাব্যঞ্জক খবৰবোৰ শ্ৰোতাৰ সৈতে বিনিময় কৰে। স্থানীয় ক্ষেত্ৰত উল্লেখযোগ্য কাম কৰি থকা তথা উদ্ভাৱনমূলক কাম কৰি থকা ব্যক্তিসকলক প্ৰধানমন্ত্ৰীয়ে নিজৰ অনুষ্ঠানত প্ৰশংসা কৰি আহিছে। নৰেন্দ্ৰ মোদীয়ে মন কী বাতৰ বিগত ২০নং খণ্ডত কৰ'না মহামাৰীৰ সময়ত ভাৰতে ধৈৰ্য্য আৰু উচিত পদক্ষেপবোৰৰ জৰিয়তে কিদৰে দেশক ৰক্ষা কৰি এখন স্বনিৰ্ভৰশীল আৰু শক্তিশালী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিছে সেই সম্পৰ্কত আলোকপাত কৰে।

**পদ্ম বঁটাঃ** পৰম্পৰাগতভাৱে চলি অহা পদ্ম বঁটা এইবাৰো প্ৰদান কৰা হয়। এই বঁটা মূলত সেইসকল নিৰৱ সাধকক প্ৰদান কৰি অহা হৈছে যিসকলে নিজৰ কৰ্মৰে সমাজৰ হিত সাধন কৰে। মই আপোনালোকক তেওঁলোকৰ বিষয়ে অধিক জানিবলৈ অনুৰোধ জনালোঁ।

**ক্ষীপ্ৰতাৰে টীকাকৰণঃ** বিশ্বৰ সৰ্ববৃহৎ টীকাকৰণ বৰ্তমান ভাৰতবৰ্ষত অনুষ্ঠিত হৈ আহিছে। এই টীকাকৰণ হৈছে কোভিদ-১৯ ভাইৰাছৰ পৰা মুক্তি পোৱাৰ উদ্দেশ্যত হৈ থকা টীকাকৰণ অভিযান। স্বদেশতেই নিৰ্মীত এই ক'ৰনাৰ ভেকচিনে উল্লেখযোগ্য সফলতা পাইছে। মাত্ৰ ১৫ দিনৰ ভিতৰতেই ভাৰতে ৩০লাখ কৰ'না যোদ্ধাৰ টীকাকৰণ সম্পন্ন কৰিছে। আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰই ইমানখিনি মানুহৰ টীকাকৰণৰ বাবে ১৮দিনৰ সময় লোৱাৰ লগতে ইংলেণ্ডে ৩৬দিন সময় লৈছে।

**পৰ্যটনৰ ক্ষেত্ৰঃ** দেশৰ ১৫খন ঘৰুৱা পৰ্যটন ক্ষেত্ৰ ফুৰিবলৈ যোৱাৰ বাবে মই দিয়া পৰামৰ্শ অনুসৰি প্ৰিয়ংকা পাণ্ডেই ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি ডঃ ৰাজেন্দ্ৰ প্ৰসাদৰ পৰিয়ালৰ গাওঁৰ ঘৰ ফুৰিবলৈ গৈছে। দেশৰ ঐতিহ্য বুজি পোৱাৰ বাবে এয়া তেওঁৰ প্ৰথম পদক্ষেপ। আপোনালোকেও অনন্যাৰ দৰে দেশৰ কম জনপ্ৰিয় পৰ্যটন ক্ষেত্ৰসমূহ ভ্ৰমণ কৰক।

**ভাৰতক আৱিস্কাৰ কৰাঃ** ভাৰতে ৭৫সংখ্যক স্বাধীনতা দিৱস পালন কৰাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। এই উপলক্ষে একাংশ উদীয়মান লেখকক লৈ এটা পৰিকল্পনা হাতত লৈছোঁ। ইণ্ডিয়া-ছেভেন্টী ফাইভ শাৰ্ষক এই উদ্যোগৰ জৰিয়তে আমি নতুন লেখক-লেখিকাক ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বিভিন্ন দিশ সামৰি লেখা আহ্বান কৰিছোঁ।

**উদ্ভাৱনৰ শক্তিঃ** হায়দৰাবাদস্থিত বৱেনপল্লী ছব্জী মণ্ডীয়ে পেলনীয়া শাক-পাঁচলিৰ পৰা বিদ্যুৎ উৎপাদন কৰি চমৎকাৰৰ সৃষ্টি কৰিছে। শাক-পাঁচলিৰ এই বজাৰখনে প্ৰতিদিনে ১০টন পেলনীয়া পাঁচলিৰে ৫০০ইউনিট বিদ্যুৎ উৎপন্ন কৰি আছে। তাৰোপৰি তেওঁলোকে ৩০কিঃগ্ৰাঃ জৈৱিক ইন্ধনো উৎপন্ন কৰে।

**নাৰী শক্তিঃ** সামৰিক ক্ষেত্ৰত মহিলাসকলে উল্লেখনীয় সফলতা পাইছে। কেইদিনমান পূৰ্বে চাৰিগৰাকী মহিলা পাইলটে যুক্তৰাষ্ট্ৰৰ পৰা ভাৰতৰ বাংগালুৰুলৈ অবিৰতভাৱে বিমান চলাচল কৰে। তৰোপৰি ২৬জানুৱাৰীৰ গণৰাজ্য অনুষ্ঠানত ভাৰতীয় বায়ু সেনাৰ দুগৰাকী বৈমানিকে অভিলেখ গঢ়ে। দেশৰ প্ৰগতিত মহিলাৰ অৱদান লাহে লাহে বৃদ্ধি পাবলৈ আৰম্ভ কৰিছে।

**কৃষি খণ্ডঃ** অলপতে উত্তৰ প্ৰদেশৰ ঝান্সীত অনুষ্ঠিত হোৱা মাহজোৰা ষ্ট্ৰ'বেৰী উৎসৱে সেই এলেকাত ষ্ট্ৰ'বেৰীৰ খেতিৰ প্ৰতি লোকৰ মন আকৰ্ষিত কৰিছে। আনহাতে ঝান্সীৰ কন্যা গুৰলীন চাওলাই ইতিমধ্যেই এইক্ষেত্ৰত সফলতা পাইছে। এই খেতিয়ে ঘৰতেই থাকা, সুৰক্ষিত হৈ থাকা বাণীক প্ৰতিফলিত কৰে।

**যোগ শিক্ষাই নতুন সীমান্ত চুইছেঃ** ভাৰতক যোগৰ বাবে বিশ্বই জানে। আজি বিশ্বই এই যোগাসনক আদৰি লৈছে। ৪ নৱেম্বৰৰ দিনটো চিলিয়ে ৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে ঘোষণা কৰিছে। আপোনালোকে জানি ভাল পাব যে চিলি নামৰ দেশখনৰ ছিনেটৰ উপৰাষ্ট্ৰপতিজনৰ নাম ৰবীন্দ্ৰনাথ কুইনটেৰচ। তেওঁ বিশ্বকবি গুৰুদেৱ ৰবীন্দ্ৰনাথ ঠাকুৰৰ দ্বাৰা অনুপ্ৰাণিত হৈ এই নাম লয়।

**পথ সুৰক্ষাঃ** জানুৱাৰীৰ ১৮তাৰিখৰ পৰা ফেব্ৰুৱাৰীৰ ১৭ তাৰিখলৈ দেশে পথ সুৰক্ষা মাহ হিচাপে পালন কৰিছে। পথ দুৰ্ঘটনা এটা ডাঙৰ সমস্যা। এয়া কেৱল দেশৰেই নহয় সমগ্ৰ বিশ্বত পথ দুৰ্ঘটনাই অনেকৰ প্ৰাণ কাঢ়ি নিছে। পথ দুৰ্ঘটনা লাঘৱ কৰাৰ বাবে পথ সুৰক্ষা মাহত গুৰুত্ব দিয়া হৈছে।

**সৃষ্টিশীলতাক স্বীকৃতিঃ** আমি সীমান্ত পথ নিৰ্মাণ সংস্থাই তৈয়াৰ কৰা ৰাস্তাবোৰৰে যাত্ৰা কৰিলে এনে একাধিক শ্ল'গান পঢ়িবলৈ পাওঁ যিবোৰে আমাক প্ৰেৰণা দিয়ে। আপোনালোকেও এইধৰণৰ শ্ল'গান লিখক আৰু MyGovt.in লৈ প্ৰেৰণ কৰক। লগতে এই ধৰণৰ ভাল লগা কথা আপোনালোকে তাত পঢ়িবলৈও পাব।

মন কী বাত শুনিবলৈ কিউ-আৰ কোড স্কেন কৰক



**Narendra Modi** @narendram...
#AatmanirbharBharatKaBudget is a Budget for farmers and agriculture sector. It will contribute to the doubling of incomes of our hardworking Annadatas and invigorate the sector with futuristic technologies. Credit availability will improve, APMC apparatus will be strengthened.



**Rajnath Singh** @rajnathsingh ·
I specially thank PM& FM for increasing the defence budget to 4.78 lakh cr for FY21-22 which includes capital expenditure worth Rs 1.35 lakh crore. It is nearly19 percent increase in Defence capital expenditure. This is highest ever increase in capital outlay for defence in 15yrs



**Amit Shah** @AmitShah · 17h
शिक्षा की गुणवत्ता के लिए मोदी सरकार ने ₹3000 करोड़ की राष्ट्रीय अप्रेंटिसशिप प्रशिक्षण योजना शुरू की है। ₹50,000 करोड़ से National Research Foundation शुरू होगा। राष्ट्रीय भाषा अनुवाद मिशन भी शुरू होगा जिससे क्षेत्रीय भाषाओं के विकास को बल मिलेगा।
#AatmanirbharBharatKaBudget



**Nitin Gadkari** @nitin_gadkari
आदरणीय प्रधानमंत्री श्री @narendramodi जी के नेतृत्व में वित्त मंत्री श्रीमती @nsitharaman जी ने जो बजट पेश किया है वो नए भारत की नींव रखेगा और 130 करोड़ भारतवासियों की ज़िंदगी बेहतर करेगा।
#AatmanirbharBharatKaBudget



**Piyush Goyal** @PiyushGoyal ·
Welcoming the tax breaks & incentives given in #AatmanirbharBharatKaBudget, Indian industry lauds the roadmap to strengthen important pillars for the nation's economic growth.



**Dr Harsh Vardhan** @drharshv...
#AatmanirbharBharatKaBudget
Reinvigorating Human Capital to establish a new prosperous India.
- Qualitative strengthening of schools under NEP
- Improving education infra in tribal areas
- Empowering scheduled caste students
- Enhancing synergy b/w Govt aided research institutes



RNI No. :
DELASS/2020/78827
February: 16-28, 2021

New India SAMACHAR
Fortnightly

RNI Registered No DELASS/2020/78827, Delhi Postal License No DL(S)-1/3547/2020-22, WPP NO U (S)-95/2020-22, posting at BPC, Meghdoot Bhawan, New Delhi - 110 001 on 13-17 advance Fortnightly (Publishing Date February 4, 2021, Pages - 48)

পোনপ্ৰথমে ৰাষ্ট্ৰ, তাৰ পাছত গুৰু, তাৰ পাছত

পিতৃ-মাতৃ, তাৰ পাছতহে পৰমেশ্বৰ।

গতিকে প্ৰথমে নিজক নহয়

ৰাষ্ট্ৰক চাব লাগে।

- ছত্ৰপতি শিৱাজী মহাৰাজ

(১৯ ফেব্ৰুৱাৰীত ছত্ৰপতি শিৱাজীৰ ৩৯১সংখ্যক জয়ন্তী উপলক্ষে ৰাষ্ট্ৰই তেওঁক স্মৰণ কৰিছে)

"ছত্ৰপতি শিৱাজী মহাৰাজে যুদ্ধক্ষেত্ৰত শৌৰ্য-বীৰ্য প্ৰদৰ্শন কৰাই নহয় প্ৰশাসনিক ক্ষেত্ৰতো উত্তম প্ৰশাসক হিচাপে নিজৰ পদচিহ্ন এৰি থৈ গৈছে। তেওঁ নিজৰ সুশাসনৰ জড়িয়তে সকলোৰে কল্যাণ সাধন কৰিবলৈ সক্ষম হৈছিল।"

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী



Assamese

**Editor:**
**Kuldeep Singh Dhatwalia**, Principal Director General, PIB, New Delhi

**Published & Printed by: Satyendra Prakash**, Director General, BOC on behalf of Bureau of Outreach and Communication

**Published from Bureau of Outreach and Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003**

**Printed at** Viba Press Pvt Ltd. C66/3, Okhla Ind Area Phase-II, New Delhi 20